# শৰৎকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৰৱণী

## তাৰিখ ঃ ৩১/০৮/২০২০ সোমবাৰ

---

**আজি ইংৰাজী ৩১-০৮-২০২০ তাৰিখে অসম বিধান সভাৰ শৰৎকালীন অধিবেশনৰ কাৰ্যসূচী ৰাতিপুৱা ০৯-৩০ বজাৰ পৰা অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষঃ** এক বিশেষ পৰিস্থিতিৰ মাজেৰে আজি আমি সদন পৰিচালনা কৰিবলৈ আগবাঢ়িছো। মই সকলোকে আদৰণি জনাইছো আৰু মই মন্ত্ৰীবৰ্গ, Chief Whip তথা সন্মানীয় সদস্যসকলক অনুৰোধ কৰিম যে দুখন আসন থকা এখন চোফাত এজনকৈ সদস্য বহিলে ভাল হয়, কিয়নো এইবাৰ আসনৰ কোনো বাধ্যবাধকতা নাই। সাধাৰণতে আমি নিজৰ নিৰ্দিষ্ট আসনত বহি কথা ক'ব লাগে, কিন্তু, বৰ্তমানৰ বিশেষ পৰিস্থিতিৰ বাবে এই ক্ষেত্ৰত শিথিলতা আনিছো। আমাৰ কেইবাগৰাকীও সতীৰ্থ ইতিমধ্যে কৰ'ণাত আক্ৰান্ত হৈ বিভিন্ন চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। আমি তেওঁলোকৰ আশু আৰোগ্য কামনা কৰিছো।

এতিয়া আমি আলোচনা আৰম্ভ কৰিছো। প্ৰশ্নকালীন ঘণ্টা, Starred Question No.1- Aminul Islam.

Minister please.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**Shri Aminul Islam (Dhing):** Hon'ble Speaker, 'Zero Tolerance Against Corruption' is the principal slogan of the State Government and it was proved and it was demanded again and again by the Government of Assam that few members of APSC have been arrested and this is an achivement of the State Government that the Govt. is proving their status against 'Zero Tolerance Against Corruption'. But, only 3 members out of 8 members of APSC have been arrested so far and those are- Smti. Binita Rynjah, Dr. Basanta Kr. Doley and Shri Samidur Rahman. The Government could not give satisfactory reply to my question that why the other members have not been arrested? And the members are not actually not responsible for the anamolies that is found in the answer script of the question paper and the Chief custodian is Principqal Controller of APSC member. But, the Principal Controller have not been arrested so far. How the APSC answer scripts have been manipulated? The responsibility goes upto the Principal Controller. But, he has not been arrested so far. So, what kind of Zero

Tolerance Against Corruption is this? I want a specific reply form the Government.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** Hon'ble Speaker Sir, I would like to inform the Hon'ble Member that those members who were found guilty in papers after declaring the results of APSC, they were arrested including the Chairman of APSC. Secondly, I would like to inform the Hon'ble Member, it is given by the Personnel Department that the Prncipal Controller is the custodian of the strong room. He is the custodian of the all examination and all documents. Hon'ble Speaker Sir, I would like to inform the Hon'ble Member that the Controller of the Examination was also arrested by the Police.

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ আৰু এটা প্ৰশ্ন আছিল যে, Assam Public Service Commission Regulation and Limitation of Functions Conduct of Business, 2010 অনুসৰি Search Committee গঠন কৰিব লাগে আৰু এই সমিতিৰ জৰিয়তে APSC member ক recruit কৰিব লাগে। কিন্তু, দেখা গৈছে যে দুৰ্নীতিৰ অভিযোগত APSC ৰপূৰ্বৰ Chairperson কে আৰম্ভ কৰি দুগৰাকী member কো arrest কৰা হৈছে। কিন্তু, পিছত যি APSC Body গঠন কৰা হৈছিল, সেইটো নিয়ম অনুযায়ী Search Committee য়ে member খিনিক recruit কৰিব লাগিছিল। Search Committee য়ে APSC ৰ member খিনিক recruit নকৰা মানে আগৰ ঘটনাটোৱে পুনৰাবৃত্তি হৈছে। গতিকে, আমাৰ চৰকাৰৰ 'Zero Tolerance Against Corruption' ৰ যি নীতি সেই নীতি অনুযায়ী সকলো কাম কাৰ্যকৰী হোৱাটো বিচাৰিছো। এইখিনি মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাইছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয়পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, APSC ৰ এই গোটেইখিনি কথা সন্দৰ্ভত দুখন Commission গঠন কৰা হৈছিল। এখন Tapan Lal Baruah Commission আৰু আনখন Madan Prasad Bazbaruah Enquiry Commission. তেওঁলোকে দিয়া recommendation খিনি আপোনালোকে পাইছে। মাননীয় সদস্য গৰাকীয়ে কোৱাৰ নিচিনাকৈ APSC ৰ Chairman, Member সকলক যি নিযুক্তি দিয়া হয়, তেওঁলোকক Search Committee য়ে ঠিক কৰি দিয়াৰ পিছত চৰকাৰে নিযুক্তি দিয়ে। গতিকে, অধ্যক্ষ মহোদয়, আমাৰ এই দুখন Commission ৰ recommendation ৰ আধাৰত চৰকাৰে norms সমূহ follow কৰি APSCৰ Chairperson বা Members সকলক নিযুক্তি দিয়ে। দ্বিতীয়তে, আপোনাৰ জৰিয়তে সন্মানীয় সদস্য গৰাকীক স্পষ্টভাৱে জনাব বিচাৰিছো যে Zero Tolerance Against Corruption ৰ নীতি থকা বাবেই APSC ৰ Chairperson তথা অন্যান্য জড়িত সদস্য সকলৰ বিৰুদ্ধে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব পাৰিছে। আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াকে ধৰি কেইবাজনো মাননীয় সদস্যৰ অভিজ্ঞতা আছে যে পূৰ্বতে APSC ৰ বিৰুদ্ধে ইমান strong action ল'ব পৰা নাছিল কাৰণ ই এক Constitutional Autonomous Body ।বৰ্তমান আমাৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ সততা আৰু দৃঢ়তাৰ বাবে APSC ৰ ক্ষেত্ৰত এনে এক দৃঢ়

পদক্ষেপ গ্ৰহণ কৰিব পাৰিছে আৰু মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত Zero Tolerance Against Corruption নীতি সদায় বাহাল থাকিব। এইখিনি কথা মই সদনক আশ্বস্ত কৰিছো। ধন্যবাদ।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ইয়াত লিখিছে যে Principal Controller ক arrest কৰা হোৱা নাই, কিন্তু, মুখেৰে arrest কৰা বুলি কৈছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** মাননীয় সদস্য, আপুনি Question (c) ৰ Answer টো চাব- Yes, the Principal Controller is the custodian of the strong room where confidential materials are kept, as per the Assam Public Service Commission (Procedure and Conduct of Business Rules), 2010. The Principal Controller of the examination has been arrested so far.

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** তাত No Principal Controller of the examination has been arrested so far বুলি লিখা আছে।

**মাননীয় অধ্যক্ষঃ** ইয়াত লেখাটো ভুল হৈছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** হয়, ইয়াত No লিখা হৈছে, কিন্তু, মই আপোনাক আশ্বস্ত কৰিব বিচাৰিছো আৰু শুধৰাই দিছো যে Principal Controller ক ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে আৰু তেওঁৰ ওপৰত prosecution চলি আছে।

**মাননীয় অধ্যক্ষঃ** কথাখিনি শুধৰাই আপুনি অহাকালি circulate কৰি দিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** হয়, মই অহাকালি circulate কৰি দিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। Question No. 2- Nijanur Rahman. Irrigation Minister please .

**শ্ৰী ভৰেশ কলিতা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী নিজানুৰ ৰহমান (গৌৰীপুৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নত মাননীয় মন্ত্ৰী মহোদয়ে যি উত্তৰ দিছে, সেই উত্তৰত মই সন্তুষ্ট হ'ব পৰা নাই। MTA বান্ধটোৱে গৌৰীপুৰ সমষ্টিৰ চহৰৰ প্ৰতি এক ভাবুকিৰ সৃষ্টি কৰিছে। এই বান্ধটো ভাঙি যোৱাৰ ফলত চহৰখনৰ গাতে লাগি থকা এটা অঞ্চল জহি খহি গৈছে আৰু চহৰখনত পানী সোমাই সন্ত্ৰাসৰ সৃষ্টি কৰিছে। ইয়াৰ লগতে মধুছলমাৰী গাওঁ পঞ্চায়তত PWD ৰ Road, কালভাৰ্ট ভাঙি বিভিন্ন খেতি-পথাৰ নষ্ট কৰিছে। গৌৰীপুৰ চহৰখন এই বান্ধৰ ওপৰতে নিৰ্ভৰশীল। গতিকে যিমান সোনকালে সম্ভৱ হয়, এই বান্ধটো পুনৰ নিৰ্মাণ কৰাৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিব নেকি, এই বিষয়ে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী ভৰেশ কলিতা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য নিজানুৰ ৰহমান ডাঙৰীয়াই এই পৱিত্ৰ সদনত যি বান্ধৰ কথা উল্লেখ কৰিছে, সেই বান্ধটো নিৰ্মাণৰ বাবে যোৱা বিত্তীয় বৰ্ষত আমি প্ৰাক্কলন বনাইছিলো। কিন্তু, বাজেট provision নথকাৰ বাবে আমি নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰিব নোৱাৰিলো। এইবেলি আমি SDRF, FDRF, SOPD ৰ লগতে *annual* head ত ইয়াৰ প্ৰাক্কলন প্ৰস্তুত কৰা হৈছে। অতি সোনকালে আমি এই কামখিনিৰ

administrative approval করিম। মাননীয় সদস্য গৰাকীৰ সমস্যা সমাধানৰ বাবে তেওঁ যি প্ৰশ্ন উত্থাপন কৰিছে- গৌৰীপুৰ সমষ্টিত বান্ধৰ লগতে সংলগ্ন হৈ থকা ৰাস্তা আৰু তাত আন কেইবাটাও কাম সম্পন্ন কৰিবলৈ বাকী আছে। এইবেলি বানত আমাৰ ১২২ টা scheme ক্ষতিগ্ৰস্ত হৈছে। গতিকে, আশা ৰাখিছো, আগন্তুক সময়ত আমি অতি সোনকালে এই কামখিনি কৰিব পাৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** Thank You. Question No. 3, Rupjyoti Kurmi. Minister, Implementation of Assam Accord.

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰটো মই পাইছো, কিন্তু, মই উত্তৰটোত সন্তুষ্ট হ'ব পৰা নাই। অসম চুক্তিৰ আত্মা বুলিলে ৫ নং দফাক বুজা যায়। তাত স্পষ্টভাৱে Detection আৰু Deletion ৰ কথা আছে অৰ্থাৎ বিদেশী বহিষ্কাৰ আৰু তাৰ বাবে NRC ও কৰা হ'ল। মহামান্য উচ্চতম ন্যায়ালয়ৰ মনিটৰিঙত হৈ যোৱা NRC ৰ চূড়ান্ত তালিকা প্ৰকাশ পোৱাৰ ইতিমধ্যে এবছৰ পাৰ হৈ গ'ল। কিন্তু, ইয়াত এটা ভিত্তি বৰ্ষ ধৰি দিয়াৰ পিছতো কিহৰ ভিত্তিত বৰ্তমানৰ চৰকাৰখনে ২০১৪ ক ভিত্তি বৰ্ষ হিচাপে ধৰাৰ প্ৰয়াস কৰাৰ লগতে ৫ নং দফাৰ আত্মাক আঘাত হানিব কিয় বিচৰা হ'ল? দ্বিতীয়তে, ৬নং দফা ৰূপায়ণৰ বাবে ন্যায়াধীশ বিপ্লৱ শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত সমিতি গঠন কৰি দিয়া হ'ল আৰু এই সমিতিয়ে প্ৰতিবেদন দিয়াৰ পিছত এজন সন্মানীয় মন্ত্ৰীয়ে এই প্ৰতিবেদনটোৰ ক্ষেত্ৰত টুলুঙা মন্তব্য কৰা দেখা গ'ল। কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ উভয়ৰে সিদ্ধান্তত এই সমিতিখন গঠন হৈছিল, কিন্তু, কি ভিত্তিত কেন্দ্ৰীয় চৰকাৰে এই প্ৰতিবেদনখন গ্ৰহণ নকৰিলে? এই প্ৰতিবেদনখন কেন্দ্ৰীয় গৃহ মন্ত্ৰী বা দেশৰ প্ৰধান মন্ত্ৰীয়ে গ্ৰহণ কৰিব লাগিছিল কিয়নো অসম চুক্তি আখৰে আখৰে পালন কৰা হ'ব বুলি কেন্দ্ৰ আৰু ৰাজ্যৰ বৰ্তমানৰ চৰকাৰখনৰ নিৰ্বাচনী প্ৰতিশ্ৰুতি আছিল। কিন্তু, ৫ নং দফা ৰূপায়ণ নকৰাকৈ ৬ নং দফা সমিতি কিহৰ কাৰণে গঠন কৰিব লগা হ'ল? তাৰোপৰি, এই সমিতিখনৰ Member Secretary হিচাপে শ্ৰী সত্যেন্দ্ৰ গাৰ্গ, যুটীয়া সচিব ডাঙৰীয়াৰ পৰা চহী প্ৰতিবেদনখনত লোৱা নহ'ল বা তেখেতে কোনো এখন সভাত উপস্থিত নথকাৰ কথা আমি কেনেকৈ জানিব পাৰিলো? এইক্ষেত্ৰত চৰকাৰৰ স্থিতি কি, জানিব বিচাৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই যিখিনি কথা কৈছে, সেই ক্ষেত্ৰত আমি সদনক আশ্বস্ত কৰিব বিচাৰিছো যে অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত এই চৰকাৰ গঠন হৈছে, গতিকে আমি অসম চুক্তি আখৰে আখৰে পালন কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ আৰু ইয়াৰ কাম আমি ইতিমধ্যে আৰম্ভ কৰিছো। আপোনাৰ প্ৰশ্নৰ উত্তৰত আমি কি কি ব্যৱস্থা লৈছো আপুনি নিশ্চয় জানিব পাৰিছে, দীঘলীয়া উত্তৰ, মই সেই গোটেইখিনি ক'ব লাগিলে বহুত সময় লাগিব। অসম চুক্তিৰ ক্ষেত্ৰত আমি কোনো compromise নকৰো। অসম চুক্তি আখৰে আখৰে ৰূপায়ণ হ'ব। আজি মই এটা কথা কওঁ- বিগত ১৯৮৫ চনত যেতিয়া চুক্তিখন স্বাক্ষৰিত হৈছিল, তাৰ পিছত দিশপুৰৰ এটা ৰুমত অসম চুক্তি বিভাগ এটা আছিল। কিন্তু, সেই অসম চুক্তি (...ব্যৱধান...), আপুনি শুনি লওঁক (...ব্যৱধান...), এই অসম আন্দোলন যেতিয়া হৈছিল, মহন্ত ডাঙৰীয়া আৰু মই, আমি সন্মুখৰ পৰা নেতৃত্ব দিছিলো। মহন্ত ডাঙৰীয়াই চুক্তিত স্বাক্ষৰ কৰিছিল। গতিকে, আত্মাৰ কথাটো আপোনালোকে শুনিবলৈ বেয়া পাব কাৰণ ৮৫৫ জন লোক শ্বহীদ হৈছিল ( ... ব্যৱধান....), গতিকে আত্মাৰ কথা নক'ব। মন্ত্ৰী নগেন শৰ্মাৰো মৃত্যু হৈছে ( ... ব্যৱধান.....)

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া, আপুনি specific উত্তৰ দিয়ক ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** আপুনি যি কৈছে, তাত মই শোক প্ৰকাশ কৰিছো। মানবেন্দ্ৰ শৰ্মাৰো মৃত্যু হৈছে, আমাৰ মন্ত্ৰী নগেন শৰ্মাৰো মৃত্যু হৈছে, মোৰ কনিষ্ঠ ভাতৃৰো মৃত্যু হৈছে। গতিকে এইবিলাক বহুত কথা। এতিয়া কথা হৈছে যে- অসম চুক্তি আখৰে আখৰে পালন কৰাৰ ক্ষেত্ৰত আমি প্ৰতিশ্ৰুতিবদ্ধ আৰু তাৰ বাবে বিধান সভাৰ মজিয়াৰ পৰা আমি অসমৰ ৰাইজক স্পষ্টভাৱে কৈছো যে অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ ভৰিষ্যত নেতৃত্বত অসম চুক্তিৰ প্ৰতিটো দফা আখৰে আখৰে পালন কৰা হ'ব।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৰাইজে ইতিমধ্যে প্ৰত্যক্ষ কৰিছে যে ২০১৪ চন কিয় ধৰা হ'ল, পলম কিয় হ'ল, কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে গঠন কৰি দিয়া ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ নেতৃত্বৰ সমিতিখনৰ সন্মানীয় প্ৰতিবেদনখন কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধিয়ে কিয় গ্ৰহণ নকৰিলে, কিহৰ কাৰণে অসমৰ মুখ্যমন্ত্ৰীক দিব লগা হ'ল, সেই সকলো বিষয়ত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ স্থিতি অসমৰ ৰাইজে ইতিমধ্যে জানিব পাৰিছে। মই আৰু এটা প্ৰসংগ সুধিব বিচাৰিছো, পৱিত্ৰ সদনৰ বেছি সময় ল'ব বিচৰা নাই। বিপ্লৱ শৰ্মাৰ নেতৃত্বৰ সমিতিখনে Indigeneous Assamese peopleৰ কথা উল্লেখ কৰিছে। কিন্তু, ৰহাত AIIMS ক লৈ যি প্ৰতিবাদৰ ঘটনা হৈছিল, তাত মিন্টু দেউৰী নামৰ এজন অসমীয়া যুৱক নিহত হৈছিল। সেই মৃত যুৱকজনৰ সহধৰ্মিনী ৰিজু মণি পাটৰক বৰ্তমানৰ বিজেপি নেতৃত্বাধীন চৰকাৰখনে চাকৰি দিছিল।

**মাননীয় অধ্যক্ষঃ** এই বিষয়টো কি দৰে related?

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী)ঃ** এইটো Indigeneous people ৰ সম্পৰ্কত । তেখেতক চাকৰি দিয়া হৈছিল, কিন্তু, ডেৰ বছৰ ধৰি চাকৰি কৰাৰ পিছতো এতিয়ালৈকে দৰমহা নাপালে। Indigeneous people ৰ কথা কৈ আছে।.............

.................( Not Recorded ).................

**মাননীয় অধ্যক্ষঃ** আপুনি বহক। Please, Rupjyoti Kurmi, you can not obstruct the House proceedings, please sit down. This is Question Hour, this is not related to the question. আপুনি এনেদৰে সময় নষ্ট নকৰিব। মই আপোনাক এতিয়া কি কৰিব লাগিব?

.........(হুলস্থূল)..........

You must address to me. Why are you addressing to him? This is not the right supplementary.

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক। কাৰণ মই থিয় হৈছো। মই দলপতিক কম। মই যদি এতিয়া কঠোৰ হ'ব লাগে, কঠোৰ হ'ম। মই এনেকৈ সদন চলাবলৈ দিব নোৱাৰো। মই আপোনাক প্ৰশ্নকালীন ঘণ্টাৰ বাবে বহিষ্কাৰ কৰিলো। প্ৰশ্নকালীন ঘণ্টাত মই আপোনাক বহিষ্কাৰ কৰিলো। Marshall Please take him away. নিজৰ মতে কোনেও এনেকৈ কৰিব নোৱাৰে। আপুনি যাব পাৰে। Question Hour ৰ বাবে আপুনি আহিব নালাগে।

(শূন্য কালীন ঘণ্টাৰ বাবে মাননীয় অধ্যক্ষ মহোদয়ে মাননীয় বিধায়ক ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াক বহিষ্কাৰ কৰিলে) ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মামুন ইমদাদুল হক ডাঙৰীয়াই কওঁক। What is your Supple-

mentary.

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে অসম চুক্তিৰ সম্পৰ্কত কোনো ধৰণৰ কম্প্ৰ'মাইজ নকৰে। আমি ভাল পাইছো, কাৰণ আমি কম্প্ৰ'মাইজ কৰাটো নিবিচাৰো। আমি দেখি আছো কোনে কম্প্ৰ'মাইজ কৰিছে আৰু কোনে কৰা নাই। সেই বিষয়ে আপুনি ভালকৈ জানে। কাৰণ আপুনি আন্দোলন কৰি মন্ত্ৰী হৈছে। এতিয়া মাননীয় মন্ত্ৰী মহোদয়ে যদি একশ্যন টেকেন ৰিপোৰ্টত চাই That total 227 nos of persons have been deported from 2013-2020 মানে যোৱা ৭ বছৰত আপোনালোকে মাত্ৰ 227 জন বিদেশী মানুহক অসমৰ পৰা বহিষ্কাৰ কৰিছে। ইমান ডাঙৰ মেচিনাৰী থকাৰ পিছতো, অসমৰ পৰা বিদেশী খেদিবলৈ আন্দোলন হৈছিল আৰু ইয়াৰ পৰিণামটো এইটো যে যোৱা ৭ বছৰত আপোনালোকে মাত্ৰ 227 জন বিদেশী মানুহক অসমৰ পৰা বহিষ্কাৰ কৰিবলৈ সক্ষম হৈছে। উত্তৰৰ যদি দুই নম্বৰ দফাটো চাই তাত মাননীয় মন্ত্ৰী মহোদয়ে লিখিছে কি কি কাম তেওঁলোকে অসম চুক্তি ৰূপায়নৰ নামত কৰিছে-Visit of NRC Office by Hon'ble Chief Minister to over see the progress of NRC upgradation just after taking over charge. Re-constitution of Cabinet sub-Committee to handel the matter of NRC upgradation and implementation of clause-VI of Assam Accord. এতিয়া কথাটো হ'ল যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই শপত গ্ৰহণৰ পিছতেই NRC Office ত গৈছিল সেইটো আমি ভাল পাইছো আৰু সেইটো আশাতে মানুহে তেওঁক ভোট দিছিল যে তেওঁ বিদেশী বিতাৰিত কৰিব। কিন্তু আজি চাৰে চাৰি বছৰ পিছত আমি পালো কি? যি সকল মানুহৰ নাম NRC ত আহিল তাৰ সংখ্যাটো আপুনি ইয়াত দিছে। কিন্তু সেই মানুহখিনিয়ে এতিয়ালৈকে NRC পোৱা নাই আৰু যি সকল লোকৰ নাম NRC ত নাহিলে তাৰ কাৰণটো কিন্তু আপোনালোকে মানুহক জনাব পৰা নাই। তৃতীয় দফাটোত লিখিছে Visit of Indo-Bangladesh Border by the Hon'ble Chief Minister along with the team of MLAs to see the .... এইটো এটা দীঘলীয়া শাৰী। ইয়াৰ মূল কথাটো হৈছে যে মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত আপোনালোকে Indo-Bangladesh Border লৈ গৈছে। সেইটোও ঠিক আছে। এতিয়া বাংলাদেশক মাটি দিয়াৰ পৰা আৰম্ভ কৰি বাংলাদেশৰ সৈতে অসমৰ সীমা উন্মুক্ত হৈ থকালৈকে আপোনালোক দায়ী। সীমা চীল কৰি দিব বুলি আপোনালোকে ভোট লৈছিল। গতিকে অসম চুক্তি ৰূপায়নৰ ক্ষেত্ৰত বি জে পি নেতৃত্বাধীন মিত্ৰজোঁট চৰকাৰ ব্যৰ্থ হৈছে। কিন্তু আপুনি যিহেতু কৈছে যে আপোনালোকে যিহেতু কম্প্ৰ'মাইজ নকৰে সেইটো ক্ষেত্ৰত আপোনালোকৰ লগত আমি আছো। কম্প্ৰ'মাইজ হোৱাটো আমি নিবিচাৰো। আপুনি যি clause-VI ৰ কথা কৈছে এই clause-VI ত কি হৈছে সেই বিষয়ে আমি সকলোৱে দেখি আছো। এই কথাবিলাক যদি মাননীয় মন্ত্ৰী মহোদয়ে অলপ স্পষ্ট কৰি দিয়ে অসম বিধান সভাৰ মজিয়াৰ পৰা এটা স্পষ্ট বাৰ্তা যাব যে প্ৰকৃততে NRC খনত হৈ আছে কি আৰু clause-VI ত আপোনালোকে বিচাৰি আছে কি আৰু CAA খন clause-VI এ Violate কৰে নেকি? আপুনি কৈ আছে যে অসম চুক্তি খন পুংখানপুংখ ভাৱে ৰূপায়ন কৰিব। ২০১৪ চনৰ ৩১ ডিচেম্বৰত যিসকলক নাগৰিকত্ব দিব সেইটো অসম চুক্তিৰ ক'ত আছে? সেই কথাখিনি স্পষ্ট কৰি দিয়ে আৰু ইমান ডাঙৰ মেচিনাৰী থকাৰ পিছতো কিয় যোৱা ৭ বছৰত মাত্ৰ ২২৭ জন মানুহ বাংলাদেশলৈ খেদিব পৰা হ'ল? যদি সঁচাকৈয়ে বিদেশী আছিলে কিয় চৰকাৰখনে খেদিব নোৱাৰিলে? এই কথাবিলাক অসম বিধান সভাৰ মজিয়াত স্পষ্ট হোৱাটো ভাল। কাৰণ আপোনালোকৰো বেছি দিন কাৰ্য্যকাল

নাই। মাত্ৰ ৬ মাহ আছে। পিছত কি জানি আমিই ৰিপ্লাই দিবলগা হ'ব পাৰে। এই কথাখিনি কৈ মোৰ বক্তব্য শেষ কৰিছো ধন্যবাদ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তিৰ ক্ষেত্ৰত কথাটো হ'ল যে আমাৰ কিছুমান গোচৰ Foreigner Tribunal Act ত চলি আছে আপোনালোকে জানে। Foreigner Tribunal Act ত যেতিয়া এজন মানুহক বিদেশী বুলি কয় তেওঁ উচ্চ ন্যায়ালয় যায় আৰু কিবা কাৰণত যদি উচ্চ ন্যায়ালয়ত বিফল হয় তেতিয়া তেওঁ উচ্চ তম ন্যায়ালয়লৈ যাব পাৰে । সেই বিষয়ে আপুনি জানে। গতিকে এনেকুৱা ধৰণৰ তাত এটা Legal problem আছে। গতিকে Foreigner Tribunal কৰোতে কোনোবা এজনক যদি বিদেশী বুলি কয়। বৰ্তমান ভাস্কৰজ্যোতি মহন্ত ডাঙৰীয়া ডি জি পি হয়। তেওঁ যেতিয়া অতিৰিক্ত ডি জি পি বোৰ্ডাৰ আছিল তেখেতে নিজে এই চিনাক্ত কৰা বিদেশী সকলক নি বাংলাদেশ বোৰ্ডাৰৰ বি টি আৰৰ লগত আলোচনা কৰি ডিপোৰ্ট কৰিছিল। ইয়াৰ আগত যেতিয়া আমাৰ Push Back System এটা আছিল তেতিয়া যি সকল লোকক সন্দেহ কৰা হয় তেওঁলোকক বাংলাদেশ বোৰ্ডাৰত এৰি দিয়া হয়। কিন্তু বাংলাদেশ বোৰ্ডাৰত মানুহখিনিক এৰি দিয়াৰ পিছত পুলিচ সকলে তেওঁলোকৰ পুলিচ ষ্টেশ্যন আহি পোৱাৰ আগতেই সেই লোকসকল অসমলৈ ঘূৰি আহে। আগতে এইধৰণৰ এটা প্ৰক্ৰিয়া আছিল। মই ভাস্কৰজ্যোতি মহন্ত ডাঙৰীয়াৰ উদাহৰণ আপোনালোকক দিলো। তেখেতে নিজেই কৰিমগঞ্জৰ বোৰ্ডাৰত গৈ বাংলাদেশৰ বি ডি আৰৰ লগত লগ হৈ তেওঁলোকে এই ডিপোৰ্টেশ্যনটো কৰিছিল। গতিকে সেইটো এটা আইনী প্ৰক্ৰিয়া আছিল। আপুনি এজন বিধায়ক হোৱাৰ উপৰিও এজন অধিবক্তাও হয়। গতিকে আপুনি এই আইনৰ কথাখিনি নিশ্চয় জানে। দ্বিতীয় কথাটো হ'ল- আমাৰ NRC সম্পৰ্কত এটা স্পষ্টতা আনিব লাগে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই NRC সম্পৰ্কত চৰকাৰৰ স্থিতি স্পষ্ট কৰিছে। আজিও এটা এই সম্পৰ্কে শ্বেৰমান আলী ডাঙৰীয়াৰ এটা প্ৰশ্ন আছে আৰু আমি ইয়াৰ উত্তৰ ইতিমধ্যে দিছো। গতিকে চৰকাৰৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ NRC সম্পৰ্কত স্থিতি স্পষ্ট। NRC খন যেতিয়া প্ৰস্তুত হৈছে সেই সম্পৰ্কত মাননীয় সদস্য গৰাকীয়ে প্ৰশ্ন কৰিছে যে কাৰ নাম NRC ত সোমাল আৰু কাৰ নাম NRC খনত নোসোমাল। এই গোটেই কথাখিনি তেওঁৰ প্ৰশ্ন আছে। তেওঁ কথাখিনি ঠিকেই কৈছে। সেই কাৰণে আমাৰ চৰকাৰে NRC খন ওলোৱাৰ পিছত এখন এফিড এফিড দিছে যে যিখিনি বাংলাদেশৰ ওচৰ-চুবুৰীয়া জিলা আছে, তাত ২০ শতাংশ আৰু বাকী জিলা সমূহত ১০ শতাংশ ভেৰীফিকেশ্যন হ'ব লাগে। আমি সেইটো এফিড এপিড উচ্চতম ন্যায়ালয়ক দিছো। গতিকে আমাৰ NRC ৰ ক্ষেত্ৰত স্থিতি স্পষ্ট আছে। ভেৰীফিকেশ্যন আমাক লাগিব কাৰণ বিধান সভাৰ মাননীয় সদস্যসকলৰ উপৰিও অসমৰ ৰাইজে বিচাৰিছে যে এখন শুদ্ধ NRC হ'ব লাগে য'ত বিদেশীৰ নাম নাথাকে আৰু কোনো ভাৰতীয়ৰ নাম বাদ পৰিব নালাগে। NRC ৰ পিছত উচ্চতম ন্যায়ালয়েও কৈছে যে ১০ শতাংশ ভেৰীফিকেশ্যন হ'ব লাগে। কিন্তু আগৰ যিজন Co-ordinator আছিল ভালকৈ কাম নকৰিলে। মই কাৰো বিৰুদ্ধে ক'ব খুজা নাই। যাৰ কাৰণে এইখিনি নতুনকৈ কৰিবলগীয়া হৈছে। NRC ৰ ক্ষেত্ৰত আমি এইখিনি কথা স্পষ্ট কৰি দিছো। তৃতীয় কথা তেখেতে কৈছে যে অসম চুক্তি আখৰে আখৰে পালন কৰাৰ ক্ষেত্ৰত তেখেতো একমত। মই ধন্যবাদ দিছো যে এ আই ইউ ডি এফ দলে অসম চুক্তি আখৰে আখৰে ৰূপায়ন কৰাত একমত ।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এ আই ইউ ডি এফ এ কোন দিনাখন অসম চুক্তিৰ বিৰোধীতা কৰিছে। সেই বিষয়ে স্পষ্টকৈ পিছত ক'বলৈ মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি মাননীয় মন্ত্ৰী মহোদয়ক উত্তৰ দিবলৈ দিয়ক। আপোনাৰ যদি কিবা

অসুবিধা আছে মোক দিব, মই সেইখিনি চাম। দৰকাৰ হ'লে মই সেইখিনি আঁতৰাই দিম। এতিয়া মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তিখন আখৰে আখৰে ৰূপায়ণ কৰাটো আমি সকলোৱে অংশীদাৰ হ'ব লাগে আৰু তাৰ বাবে মই সকলোকে আহ্বান জনালো। তেখেতে কৈছে যে অসম চুক্তিয়ে CAA ক কিবা আঘাত কৰিছে নেকি? তেখেত যিহেতু এজন অধিবক্তা আৰু এই বিষয়ে তেওঁ অধ্যয়নো কৰিছে আৰু তেখেতে সদনতো ভালকৈ কথা কয়। গতিকে সেই বিষয়ে তেওঁ জানিব। ইয়াৰ আগতে যিখন আই এম ডি টি আছিল আৰু আই এম ডি টি ৰ ক্ষেত্ৰত তেতিয়া আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়া আছু বা গণ পৰিষদ দলৰ সভাপতি আছিল। তেতিয়া আছু গণ সংগ্ৰাম সমিতিয়ে আই এম ডি টি এক্ট খন মানি ল'ব বিচৰা নাছিল। কিন্তু আই এম ডি টি খন চলি থাকিল। যাৰ কাৰণে ভেৰীফিকেশ্যন আদিত অসুবিধা হয়। আজি মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিছো যে তেখেতে মুখ্যমন্ত্ৰী হোৱাৰ আগতে ব্যক্তিগত ভাৱে উচ্চতম ন্যায়ালয়ত Challange কৰি IMDT Act খন Scrap কৰিলে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা সাংঘাতিক ধৰণৰ পদক্ষেপ ল'ব পাৰিলে। মই মাননীয় সদস্য গৰাকীক জনাইছো যে After repealed of the IMDT Act by the Hon'ble Supreme Court of India 12-7-2005. The following Acts are used for detection and deportation of Illegal Migration

1.Foreigner's Act 1946 along with the Foreigeners Tribunal order 1964.

2.The Passport Entry into India Act1912.

3.Passport Act 1967.

4. Immigrants Expansion from Assam Act 1950.

6. Citizenship Act 1950.

মাননীয় অধ্যক্ষ ডাঙৰীয়া এই যিটো Foreigeners Passport Act এক্টৰ ভিত্তিত ২০১৪চনত এটা অৰ্ডাৰ ওলাইছিলি এইটো আপুনিও জানে। এই অৰ্ডাৰটোত কৈছিল যে যিসকল ৫ টা কমিউনিটিৰ মানুহ আফগানিস্তান, পাকিস্তান, বাংলাদেশৰ পৰা যদি আহে তেওঁলোকক এল টি ভি দিয়া হ'ব ৩১-১২-২০১৪ লৈকে । গতিকে ক'ৰা পৰা এই এল টি ভি টি ব্যৱস্থাটো নহ'ল? এল টি ভি পাচপোৰ্টৰ যিটো অৰ্ডাৰ সেই অৰ্ডাৰটো আ পোনালোকে অধ্যয়ন কৰিছে। গতিকে মই এই ক্ষেত্ৰত দেখিছো যে এই যিটো দিয়া হ'ল মাননীয় অধ্যক্ষ ডাঙৰীয়া এই কথাটো আমি সকলোৱে জনা উচিত যে এই পাচপোৰ্ট যিটো অৰ্ডাৰ এই অৰ্ডাৰ মতে ৩১-১২-২০১৪ লৈকে সকলোকে এল টি ভি দিয়া হ'ব। L T V means what. Long term Visa ৰ ক্ষেত্ৰত তাত কোৱা হ'ল তেওঁলোকে ইয়াত Long term Visa পাব । তাত চাকৰিও কৰিব পাৰিব, ব্যৱসায় ও কৰিব পাৰিব। তেওঁলোকে মাটি কিনিব পাৰিব। কেৱল Army containment Zone ত মাটি কিনিব নোৱাৰিব। তাত আপুনি মই বা ভাৰতবৰ্ষৰ কোনেও মাটি কিনিব নোৱাৰে। সেইটোৰ বাহিৰে তেওঁলোকে সকলোখিনি সুবিধা পাব আৰু তেওঁলোকে ইয়াৰ পৰা যাবও নালাগে। তাৰমানে ভাৰত চৰকাৰৰ পোৰ্টেলত তেওঁলোকে এপ্লাই কৰিলেই হ'ল। গতিকে তেওঁলোকে ইয়াৰ পৰা নাযায়। ইয়াত থাকিবই। যদি ইয়াত চাকৰিও পাব, ব্যৱসায়ও কৰিব Army containment ৰ বাহিৰে তেওঁলোকে সকলোতে মাটি কিনিব পাৰিব। গতিকে এনেকুৱা এটা ক্ষেত্ৰত এই যিটো ব্যৱস্থা হ'ল তাত প্ৰভিজনটো

আনিলে যে তেওঁলোক ইয়াত থাকিবই। গতিকে তেওঁলোকক নাগৰিকত্ব দিয়াত কি আপত্তি আছে। এইটো হ'ল প্ৰথম Spirit। এতিয়া মই এটা কথা দৃঢ়তাৰে কওঁ যে বহুত লোকে এই CAA ৰ কথাটো লৈ এনেকুৱা কৰিছে যে লাখ লাখ হিন্দু বাংলাদেশী লোক আনি আমি ইয়াত বহুৱালো আৰু আমাৰ অসমীয়াৰ ভেটি-মাটি সকলো শেষ হৈ গ'ল। মই আজি দৃঢ়তাৰে কম যে আজি এই CAA হোৱাৰ পিছত আমাৰ অসমৰ ২৬,০০০ গাওঁত এখন গাওঁৰ এজন মানুহে কওঁক যে বাংলাদেশৰ পৰা কিমান হিন্দু বাংলাদেশী আনি অসমত বহুৱাইছে। কওঁক যদি কোনোবাই ক'ব পাৰে এনেই আৱেগবশত ক'ব নালাগে। গতিকে এই কথাসমূহ emotionally deal নকৰি সমাজখন ভাল কৰাৰ কাৰণে আমাৰ মাজত ভাতৃত্ববোধ ৰক্ষা কৰাৰ কাৰণে চেষ্টা কৰিব লাগিব। কাৰণ আমাৰ সংস্কৃতিটো অন্যতকৈ সম্পূৰ্ণ বেলেগ। অন্য ৰাজ্যৰ সংস্কৃতিৰ লগত আমাৰ সংস্কৃতিটো নিমিলে। আমি ইয়াত হিন্দু-মুছলিম সকলো ধৰ্মৰ লোকে সুকলমে বসবাস কৰো। মহাপুৰুষ শংকৰদেৱৰ চান্দসাই মানৰ মুছলিম শিষ্যও আছিল। নগাৰ লোকো তেওঁৰ শিষ্য আছিল। অনুসূচীত জাতিৰ লোকো তেওঁৰ শিষ্য আছিল। এখন বৃহত্তৰ অসমীয়া সমাজ গঢ়াৰ প্ৰত্যয় আৰু প্ৰতিশ্ৰুতি কৈ থৈ গৈছিল শংকৰদেৱে সেই শংকৰদেৱৰ আৰ্হিৰে আমি অসমখন গঢ়ি তুলিব লাগিব। আমি এনেকুৱা ধৰণৰ emotional বক্তৃতা দি আমি কমিউনিৱেল কথা কোৱা উচিত নহয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া Supplimentory Question বিমল বড়া।

**শ্ৰী বিমল বড়া (টিংখং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তি ৰূপায়নৰ সম্পৰ্কত যি প্ৰশ্ন উত্থাপন হৈছে, আজি কংগ্ৰেছ দলৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই যি পৰিৱেশৰ সৃষ্টি কৰিছে কংগ্ৰেছ দলে অসম চুক্তি সম্পৰ্কত কথা ক'ব পৰা অৱস্থাত নাই। কাৰণ ২০ বছৰ তেখেত সকলে চৰকাৰ চলালে । অসম চুক্তি তেখেতেসকলে আছুৰ আগত প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধী ডাঙৰীয়াই স্বাক্ষৰ কৰিছিল । কিন্তু Implementation ৰ ক্ষেত্ৰত তেখেত সকলে কি কৰিলে অসমৰ ৰাইজে দেখিছে। কিন্তু আমাৰ চৰকাৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই গ্ৰহণ কৰাৰ পিছতেই পোন প্ৰথমেই তেখেতে NRC office লৈ গৈছিল।

**মাননীয় অধ্যক্ষ ঃ** Supplementary Question লৈ আহক।

**শ্ৰী বিমল বড়া (টিংখং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ক'ব বিচাৰিছো এইটোৱেই যে তেখেতসকলে যিটো বাতাবৰণ নিৰ্মাণ কৰিব বিচাৰিছে অসমৰ জনসাধাৰণক যিটো বাৰ্তা অসমৰ জনসাধাৰণক দিব বিচাৰিছে তেখেতসকলৰ সেই অধিকাৰ নুন্যতমো নাই।

**মাননীয় অধ্যক্ষ ঃ** Supplementary Question লৈ আহক।

**শ্ৰী বিমল বড়া (টিংখং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গতিকে মই ধন্যবাদ জনাইছো মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰখনক যাতে আগন্তুক দিনতো অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত যি ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিবলগা আছে সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰি তাৰ ক্লজ-৬ কোনেও নোছোৱা আজি আমাৰ চৰকাৰে আইনৰ গণ্ডীলৈ আনিলে। গতিকে মই ধন্যবাদ জনাইছো আমাৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰক।

**মাননীয় অধ্যক্ষ ঃ** Supplementary Question লৈ আহক Suggestion নহয়।

**শ্ৰী বিমল বড়া (টিংখং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Clause-VI কোনেও নোচোৱা আজি আমাৰ চৰকাৰে আইনৰ গণ্ডীলৈ আনিলে। গতিকে মই ধন্যবাদ জনাইছো আমাৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰক।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিমল বড়া

ডাঙৰীয়াৰ কথাটো আৰু আমাৰ মাননীয় সদস্য গৰাকীৰ ক্ষেত্ৰত তেখেতে আৰু এটা কথা কৈছিল। সেইটো বাদ পৰি গ'ল। যে অসম চুক্তিৰ ক্ষেত্ৰত আমি কৈছো যে আমি আখৰে আখৰে পালন কৰিম। মাননীয় মুখ্যমন্ত্ৰী ডাঙীয়াই অসম চুক্তি বিভাগ খুলি নতুন বিভাগ কৰি বিভাগটো ধুনীয়াকৈ উন্নত কৰি তাত শান্তিৰ অসম চুক্তিৰ স্মাৰক যিবিলাক পত্ৰ আছে সেইবিলাক উলিয়াই দিবলৈ ব্যৱস্থা কৰিছে। অসম আন্দোলনত যি ৮৫৫ জন শ্বহীদে আত্ম বলিদান দিলে আজি তেওঁলোকৰ ক্ষেত্ৰত আমি ইতিমধ্যে এখন শ্বহীদ স্মাৰক কৰিবলৈ লৈছো প্ৰায় ১০০ বিঘা মাটি লৈ আপোনালোকে জানে আৰু এইটো এটা International Tourist destination হিচাপে ঘোষিত কৰা হ'ব। দ্বিতীয়তে প্ৰত্যেকটো শ্বহীদ পৰিয়ালক ৫ লাখকৈ টকা দিয়া হয়, যিসকলৰ বুলেটৰ দ্বাৰা আঘাত প্ৰাপ্ত হৈছিল তেওঁলোকক ২.৫০ লাখকৈ দিয়া হৈছিল। তাৰোপৰিও আমাৰ চৌধুৰী ডাঙৰীয়াই কৈছে বোৰ্ডাৰৰ ক্ষেত্ৰত আপোনালোকে কি ব্যৱস্থা ল'লে? মই আপোনাৰ জৰিয়তে অসম বিধান সভাত জনাবলৈ পাই সুখী হৈছো যে অসম বাংলাদেশ সীমান্ত বৰ্তমান সম্পূৰ্ণ ৰূপে সুৰক্ষিত Including river boarder. দ্বিতীয়তে মাত্ৰ ৪ কিলোমিটাৰ মান যিখিন কৰিমগঞ্জ টাউনখন আছে সেইখিনিত ফেনচিং হোৱা নাই। কাৰণ কুচিয়াৰা নদীৰ ইপাৰে কৰিমগঞ্জ চহৰখন আছে আৰু সিপাৰে বাংলাদেশ চহৰখন আছে। কিন্তু No man Zone হ'বলৈ হ'লে নিৰ্দিষ্ট International Code এটা থাকে। সেই ক্ষেত্ৰত কাৰিকৰী অসুবিধা এটা আছে। সেয়েহে কেৱল মাত্ৰ ৪ কিলোমিটাৰ বাকী আছে। কিন্তু এইখিনিও আমি কৰাৰ প্ৰতিশ্ৰুতি দিলো। তৃতীয় কথাটো হ'ল যে BSF ৰ উপৰিও আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এইবাৰ যাতে বোৰ্ডাৰটো সম্পূৰ্ণৰূপে Seal হয় কোনোপধ্যে যাতে অনুপ্ৰৱেশ হ'ব নোৱাৰে তাৰ বাবে তাত Second defence হিচাপে Assam বেটেলিয়ানক নিযুক্তি দিছে। এইটো প্ৰথমবাৰৰ বাবে হৈছে। এইখিনি কথা অসমৰ আগন্তুক দিনৰ বাবে অতি উল্লেখযোগ্য। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কমলাক্ষ্য দে ডাঙীয়াই কওঁক।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, বিধায়ক (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তিৰ এটা দফাৰ লগত আন এটা দফাৰ মিল নাই। মন্ত্ৰী মহোদয়ে যিবিলাক কথা ক'লে এটা কথাৰ লগত আন এটা কথাৰ মিল নাই। মন্ত্ৰী মহোদয়ে ক'লে যে ২০ শতাংশ আৰু ১০ শতাংশ ভেৰীফাই কৰিব লাগে। যিখিনি অসম চৰকাৰৰ মানুহে এই কামখিনি কৰিলে সেই মানুহখিনিৰ ওপৰত কি ব্যৱস্থা গ্ৰহণ কৰিলে? প্ৰথমে তেওঁলোকৰ ওপৰত ব্যৱস্থা লওঁক। মোৰ কথাটো হৈছে যে Clause VI ৰ ৰিপোৰ্ট দাখিল কৰা হ'ল। আমাৰ বিধান সভা যেতিয়া অনুষ্ঠিত কৰা হয় তেতিয়া অধ্যক্ষ মহোদয় থাকে, প্ৰধান সচিব থাকে আৰু তেনেকৈ সত্যেন্দ্ৰ গাৰ্গক মেম্বাৰ-চেক্ৰেটাৰী দিয়া হয়। তেওঁ মিটিং পাতিব লাগে। তেওঁ মিটিং পাতিছে নেকি? যিখন ৰিপোৰ্ট দাখিল কৰিলে তাত মেম্বাৰ -চেক্ৰেটাৰী সত্যেন্দ্ৰ গাৰ্গৰ চিগনেচাৰ আছে নেকি? মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা বহুতো কথা আছে।

**মাননীয় অধ্যক্ষ ঃ** Supplementary সোধক। Please put your question. প্ৰশ্নটো ready কৰি সোধক।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Clause 6 ৰ যিটো ৰিপোৰ্ট চাব্‌মিট কৰা হ'ল বা এন আৰ চি যে আজিলৈ হোৱা নাই, এন আৰ চিৰ ষ্টেটাচটো কি হৈ আছে বা অফিচাৰ সকল, তেওঁলোকৰ ওপৰত কি ব্যৱস্থা হৈ আছে। Central Government এ যিখন কমিটি বনাই দিছিল Clause 6 ৰ কাৰণে, তাত এজনো বেংগলী মানুহ নাই। Second

Largest Community, Religious Community, Linguistic Community তেওঁলোকৰ মানুহ কিয় নাই? বহুতখিনি কথা আছে। সেইটোৰ কাৰণে কথাখিনি clear ক'ব লাগে। মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা কথাখিনি clear কৈ জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মই যিখিনি উত্তৰ অধ্যক্ষ ডাঙৰীয়াক দিছিলো, মাননীয় সদস্য চৌধুৰী ডাঙৰীয়াই যিকেইটা কথা কৈছিল, মই তাৰ ওপৰত উত্তৰটো দিছো। আজিৰ দিনটোত শ্ৰীকমলাক্ষ দে পুৰকায়স্থই যিটো কথা কৈছে এন আৰ চিৰ ক্ষেত্ৰত আমি স্পষ্ট কৰিছো। কাৰণ চৌধুৰী ডাঙৰীয়াই কৈছে যিবিলাকৰ নাম নোসোমাল, কিয় নোসোমাল। তেখেতে সুধিছে কথাটো। গতিকে এইবিলাক যাতে মানুহৰ মনত খু-দুৱনি নাথাকে। সেই কাৰণে আমি বিচাৰিছো যে, ভাৰতীয় সকলো মানুহৰ নাম থাকক, আৰু যদি কোনোবা ভাৰতীয় নহয়, তেওঁৰ নাম তাত নাথাকক। এইটোৱেই হ'ল main principle.গতিকে এই principle টোৰ কাৰণে আমি কৈছো যে, বাংলাদেশ neighbouring যিকেইখন district আছে, তাত ২০ শতাংশ verification হওঁক আৰু বাকী district বিলাকত দহ শতাংশ verification হওঁক, তাৰ কাৰণে Notification দিছো। গতিকে এইক্ষেত্ৰত আমি সম্পূৰ্ণ clear। তেখেতে কৈছে যে, অধ্যক্ষ ডাঙৰীয়া আপুনি উপস্থিত আছে, মাননীয় সদস্যসকল উপস্থিত আছে, গতিকে আমি যদি উপস্থিত হ'ব পাৰো, Clause 6 ৰ মিটিংখন কিয় কৰিব পৰা নাই? অধ্যক্ষ ডাঙৰীয়া, মই এটা কথা আপোনালোকক কওঁ অসম বিধান সভাত আপুনিও বহুদিনৰ পৰা আছে। গতিকে অসম বিধান সভাত এনেকুৱা দিন কেতিয়াবা আহিছিল নেকি যে, এটা চিটত এজন বহিব। প্ৰতিটো বিধায়িনী দলৰ পঞ্চাশ শতাংশ মানুহ ইয়াত বহিব। এনেকুৱা ধৰণৰ বিধান সভা তো কেতিয়াও হোৱা নাছিল। এইটো হৈছে কাৰণ বিশ্বজুৰি ক'ৰণা মহামাৰী ভয়াবহতাৰ ৰূপ লৈছে। গতিকে মিটিংখন আজি বহা নাই, কাইলৈ বহিব। এইটো একো ডাঙৰ কথা নহয়। এইটো কথা আজি সকলোৱে বুজিব লাগিব। বিধান সভাত যেতিয়া আমি এনেকে বহিছো আৰু এই কমিটিখনৰ কথাটো আপোনালোকে কৈছে, এই ক'ৰণাৰ কথাটো তাত নাহিব নেকি? আছে, থাকিবই এইবিলাক।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী প্ৰদীপ হাজৰিকা। Your last supplementary.

**শ্ৰী প্ৰদীপ হাজৰিকা, আমগুৰি ঃ** মাননীয় অধ্যক্ষ মহোদয়, Action Taken ৰ 5.3 ত দিছে যে Tribunal য়ে ২০২০ লৈকে ১ লাখ ৩৬ হাজাৰ ১৪৯ জন তেওঁলোকে declare কৰিছে। সেইটো Tribunal য়ে declare কৰিছে আৰু ২২৭ জন মানুহ মাত্ৰ deport কৰিছে। এতিয়া মই জানিব বিচাৰিছো ১ লাখ ৩৬ হাজাৰ ১৪৯ জন যি declare কৰিছে Tribunal য়ে এই যিখিনি Foreigner declare ইয়াত দুটামান কথা মই খে লি-মেলি পাওঁ, এই কথাটোৰ কাৰণে সুধিছো। এই Foreigner খিনি আচলতে কোন কোন দেশৰ মানুহ আৰু declear কৰাৰ পাছত মাত্ৰ ২২৭ জনেই কিয় deport কৰিলে। কি কাৰণে ২২৭ জন কৰিছে আৰু এইখিনি কোনখন দেশৰ মানুহ। এই কথাটো মই জানিব বিচাৰিছোঁ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্য হাজৰিকা ডাঙৰীয়াই যিটো কথা কৈছে যে এই যিটো ২২৭ জন মানুহ আছে, তেওঁলোক mostly বাংলাদেশৰ মানুহ। দ্বিতীয় কথাটো হৈছে যে, ১ লাখ ৩৬ হাজাৰ ১৪৯ এই মানুহখিনিৰ কথা মই আগতে কৈছো যে এই মানুহখিনিক যেতিয়া Foreigner বুলি তেওঁলোকক ন'টিচ দিয়া যায়, বোৰ্ডাৰ পুলিছে

যেতিয়া ন'টিছ দিয়ে, তেতিয়া FT ত যায় কেছবিলাক। গতিকে FT ত এইবিলাক বিবেচনাধীন হৈ থাকে। FT ত বহুদিন ধৰি কেচবিলাক হয়তো disposal হোৱা নাই। আজি সেই কাৰণে detention center ত ছয়টা কৰিবলগীয়া হৈছে গোটেই অসমত। এই যিবিলাক মানুহক এনেকুৱা সন্দেহযুক্ত বুলি ধৰা হৈছে। আনকি ভাস্কৰ মহন্ত ডাঙৰীয়া ডি জি পি হোৱাৰ আগত, যেতিয়া বোৰ্ডাৰত তেখেতে এ ডি জি পি আছিল, এই মানুহখিনিক সহায় কৰাৰ কাৰণে, কৰ'বাত যদি কাৰোবাৰ অসুবিধা আছে, কেছবিলাক expedite যাতে হ'ব পাৰে, তেওঁ বোৰ্ডাৰ বিভাগত এটা Help Desk কৰিছে, কোনোবাৰ যদি confusion হৈছে, Border Police can help them. গতিকে খুব liberally গোটেই কথাখিনি চোৱা হৈছে। সেইকাৰণে অধ্যক্ষ মহোদয়, কোৰ্ট কাছাৰীৰ কথা, অলপ সময় নিশ্চয় লাগিব।

**মাননীয় অধ্যক্ষ ঃ**প্ৰশ্ন নং -৪ শ্ৰীৰমাকান্ত দেউৰী, অনুপস্থিত। প্ৰশ্ন নং -৫ শ্ৰীৰেকিবুদ্দিন আহমেদ, অনুপস্থিত । প্ৰশ্ন নং -৬ শ্ৰীগুণীন্দ্ৰ নাথ দাস অনুপস্থিত। প্ৰশ্ন নং -৭ ডাঃ নোমল মোমিন অনুপস্থিত। শ্ৰীদুৰ্গা ভূমিজ, প্ৰশ্ন নং -৮। ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী।

**শ্ৰী কেশৱ মহন্ত (জলসম্পদ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীদুৰ্গা ভূমিজ (ডুমডুমা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে দুৰ্ভাগ্যজনক এটা উত্তৰ আহিছে। জিলা উপায়ুক্তই কৈছে যে, ২০২০ চনত এজনো মানুহৰ মৃত্যু হোৱা নাই। যোৱা ৪-৭-২০২০ চনত ১৫ জন মানুহৰ মৃত্যুৰ তালিকা দি চাৰ্কোল অফিচত মই চাবমিট কৰিছিলো এই কাৰণে যে, এই ১৫ জন মানুহৰ পানীত ডুবি মৃত্যু হৈছে, তেওঁলোকক ক্ষতিপূৰণ দিব নেকি? জিলা উপায়ুক্তই, মই জানিব পৰা মতে চৰকাৰক এখেতে সহায় কৰিছে যে, মানুহৰ পানীত ডুবি মৃত্যু হোৱাৰ পিছত যিখিনি ক্ষতিপূৰণ দিব লাগে, সেইখিনি বচাবৰ কাৰণে বোধকৰো তেনেধৰণৰ এটা উত্তৰ আহিছে। গতিকে পোণপটীয়া ভাৱে ইয়াৰ উত্তৰটো বিচাৰিছো আৰু আকৌ কম ১৫ জন মানুহৰ মৃত্যুত ক্ষতিপূৰণ দিবই লাগিব। মানুহ পানীত ডুবি মৰিছে, কেনেকৈ বানপানীত মৃত্যু নহয় বুলি কয়। জিলা উপায়ুক্তই এই ক্ষেত্ৰত এনেধৰণৰ উত্তৰ দিয়াটো বা মন্ত্ৰী মহোদয়ে এনেকৈ উত্তৰ দিয়াটো অতি দূৰ্ভাগ্যজনক। ইয়াৰ উত্তৰ লাগিব আৰু যিসকল মানুহৰ মৃত্যু হৈছে তাৰ ক্ষতিপূৰণ দিব লাগিব। তাৰ উত্তৰ লাগে।

**মাননায় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত (জলসম্পদ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বানপানী বা যিকোনো দুৰ্যোগত মৃত্যু মুখত পৰিলে ক্ষতিপূৰণ দিয়া ব্যৱস্থা আছে আৰু তাৰ কাৰণে আমাৰ বিভাগৰ পৰা জিলা উপায়ুক্ত সমূহক আগতীয়াকৈ পইচা দি থোৱা হৈছে। কিন্তু যিটো নিয়ম নীতিৰ মাজেদি তেওঁলোকে পাব লাগে সেই ব্যৱস্থাটোত প'ষ্ট মৰ্টেম কৰিব লাগিব আৰু তাত জিলা উপায়ুক্তৰ যোগেদি আমাৰ ইয়াত আহিব লাগিব। গতিকে চাৰিটা চাৰ্কোল আছে তিনিচুকীয়া জিলাত। এই ১৫ জনৰ মৃত্যুটো ইতিমধ্যে আমাৰ জিলা উপায়ুক্তই বিভাগক অৱগত কৰিছে। যিকোনো দায়িত্ব জিলা উপায়ুক্তৰ হাতত থাকে। এই বানপানীত ক্ষতি হোৱা বা damage হোৱা গোটেইখিনি আমি সকলোৱে জানো। তাতে DDMA (District Disaster Management Authority) আছে, District Project Officer আছে। চাৰ্কোলতো আমাৰ ফালৰ পৰা Field Officer ৰাখিছো। এই গোটেই বানপানী হওঁক বা অনান্য প্ৰাকৃতিক দুৰ্যোগত চোৱা-চিতা কৰিলে অসম চৰকাৰক ৰিপোৰ্ট বিলাক দাখিল কৰিবৰ কাৰণে। গতিকে জিলা উপায়ুক্তই তথ্য যেনেভাৱে দিছে, আমি সেই

ব্যৱস্থাটো যিহেতু উপায়ুক্তক দায়িত্ব দিয়া থাকে, সেই মতেহে আমি কথাটো ইয়াতে উল্লেখ কৰিছো। যদি কেনেবাকৈ মৃত্যু মুখত পৰিছে, যদি তাতে বানপানীত প্ৰকৃততে মৃত্যু হোৱা বুলি তথ্য আহে নিশ্চয় তেখেত সকলে ক্ষতিপূৰণ পাব। কিন্তু এই গোটেই প্ৰক্ৰিয়াটোৰ সম্পূৰ্ণ দায়িত্বটো জিলা উপায়ুক্তৰ হাততে আছে।

**শ্ৰীদুৰ্গা ভূমিজ (ডুমডুমা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে প'ষ্টমৰ্টেম কৰা দায়িত্ব জিলা উপায়ুক্ত, পুলিচৰ। গতিকে সেই প'ষ্টমৰ্টেম ৰিপোৰ্ট হোৱা নাই এইটো কেনেধৰণৰ কথা। কিছুটো তথ্য আহিব লাগিছিল। ইমান আৰু জীয়া ফাঁকি হ'ব পাৰে নেকি অসম বিধান সভাত। মই যিহেতু লিখি দিছো। মই ইমান ফাঁকি কথা কম নেকি তাত।

**মাননীয় অধ্যক্ষ ঃ**আপোনাৰ তথ্য আছে নেকি কেইজন মানুহ মৰিছে।

**শ্ৰীদুৰ্গা ভূমিজ (ডুমডুমা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৫ জন মানুহৰ নাম আছে।

**মাননীয় অধ্যক্ষ ঃ** তেখেতসকলৰ এজনৰো প'ষ্টমৰ্টেম হোৱা নাই।

**শ্ৰীদুৰ্গা ভূমিজ (ডুমডুমা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প'ষ্টমৰ্টেম হৈছে।

**মাননীয় অধ্যক্ষ ঃ**আপুনি তথ্যটো দিয়ক। মন্ত্ৰী ডাঙৰীয়াক আমি দিম।

**শ্ৰীদুৰ্গা ভূমিজ (ডুমডুমা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প'ষ্টমৰ্টেমৰ ৰিপোৰ্ট মোৰ ওচৰত নাই।

**মাননীয় অধ্যক্ষ ঃ**নালাগে এতিয়া। আপুনি পাছত দিলেও এইটো আমি দুৰ্ভগীয়া মানুহ খিনিক সহায় কৰাতো কৰ্তব্য।

**শ্ৰীদুৰ্গা ভূমিজ (ডুমডুমা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ক্ষতিপূৰণ পাবই লাগিব। পোৱাতো বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** দুৰ্গা ভূমিজ ডাঙৰীয়া, কেতিয়াবা হয়। আমি Liquored Tragedy ত যাওতে দেখিছিলো, বহুতে প'ষ্টমৰ্টেম নকৰা কাৰণে আমি সহায় কৰিব পৰা নাছিলো। কিন্তু কিছুমান কথা enception কৰিব পৰা যাব। আপুনি নামসহ, কাৰ কাৰ প'ষ্টমৰ্টেম হ'ল, কাৰ নহ'ল কিয় নহ'ল অলপ তথ্য দিব আৰু মন্ত্ৰী ডাঙৰীয়াৰ লগত কথা পাতিব, মই ভাৱো যে এইটোৰ solution ওলাব।

**শ্ৰীদুৰ্গা ভূমিজ, ডুমডুমা ঃ** ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** Next Question, শ্ৰীঅশোক শৰ্মা। প্ৰশ্ন নং ৯। সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰীঅশোক শৰ্মা (নলবাৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰটো মই পাইছো। তাৰ বাবে মই অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়কো ধন্যবাদ দিব বিচাৰিছো। এই বিগত চাৰে চাবিছৰীয়া শাসন কালত মাননীয় মুখ্য মন্ত্ৰী শ্ৰীসৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ বদান্যতা বা শিক্ষা, স্বাস্থ্য, গড়কাপ্তানী মন্ত্ৰী মহোদয়ৰ সহযোগত আৰু নলবাৰী জিলাত প্ৰতিনিধিত্য কৰি আজি অসম চৰকাৰৰ বহুকেইটা গুৰুত্বপূৰ্ণ বিভাগৰ মন্ত্ৰীৰ দায়িত্বত থকা শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই নলবাৰী সমষ্টি বা নলবাৰী জিলাখনৰ কাৰণে কাম কৰাৰ যিখিনি সুবিধা দিছে তাৰবাবে ধন্যবাদ দিছো। মই ২০১৮ চনৰ এদিনৰ এটা ঘটনা নিশা, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ আইন উপদেষ্টা শান্তনু ভৰালী ডাঙৰীয়াই নলবাৰীত থাকিব নোৱাৰিলে চাৰ্কিট হাউচৰ অসুবিধাৰ কাৰণে আৰু সেই কাৰণে আমি চাৰ্কিট হাউচটো সংবৰ্দ্ধন কৰাৰ কাৰণে এটা প্ৰস্তাৱ দিছিলো। কিন্তু এইটোৰ ইয়াত উত্তৰ দিছে যে নিৰ্মাণ কাৰ্য্য সোনকালে হ'ব। কিন্তু বহুদিন হ'ল। মই সেই কাৰণে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব

বিচাৰিছো। যাতে সোনকালে কামখিনি কৰি নলবাৰীৰ সেই অভাৱটো পূৰণ কৰি দিয়ে। তাৰবাবে অনুৰোধ জনাইছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, শ্ৰী অশোক শৰ্মাই প্ৰশ্নটো আনিছে, ভালেই পাইছো। এইটো চিন্তা কৰিবলগীয়া নাই। এইটো হ'ব।

**মাননীয় অধ্যক্ষ ঃ** Next Question, শ্ৰীবৃন্দাবন গোস্বামী। তেখেত অনুপস্থিত। শ্ৰীকমলাক্ষ দে পুৰকায়স্থ। Minister on behalf of Home. Parliamentary Affairs Minister.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনত মজিয়াত ৰখা আছে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিলচৰ ৰেলৱেষ্টেশ্যনক ভাষা শ্বহীদ ষ্টেশ্যন কৰাৰ কাৰণে ২০১৬ চনৰ ৭ নৱেম্বৰত কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা NOC আহিলে। Accordingly Gazette Notification টো হ'ব লাগে। ক'লে যে, সংগঠনে কিবা complain দিছে। Complain দিয়া হ'ল, চৰকাৰৰ ফালৰ পৰা verification হ'ল। ডি চি, এচ পিয়ে ৰিপোৰ্ট দিলে যে তাতে কোনো Law and Order Situation নহয়। কোনো কথা নাই, যদি দিব পাৰে। কেন্দ্ৰীয় চৰকাৰে যেতিয়া NOC টো দিছে। আজিলৈ অধ্যক্ষ মহোদয়, শিলচৰ ৰেলৱে ষ্টেশ্যনটো ভাষা শ্বহীদ ষ্টেশ্যনত ৰূপান্তৰিত কৰিব পৰা নাই। এইটো কাৰণে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে, কেতিয়াৰ ভিতৰত approval দিব আৰু mainly Central Government যেতিয়া NOC টো দিছে, ৰাজ্য চৰকাৰৰ ফালৰ পৰা যাতে approval পায়, যাতে শিলচৰ ৰেলৱেষ্টেশ্যনটো ভাষা শ্বহীদ ষ্টেশ্যনলৈ ৰূপান্তৰিত কৰিব পাৰি। দ্বিতীয়তে, অধ্যক্ষ মহোদয়, বৰাকৰ ভাষাক চৰকাৰী স্বীকৃতি প্ৰদান। Accordingly যোৱা বাজেট আধিৱেশনত কৈছিল যে, চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা লোৱা হৈছে। এবাৰ ক'লে যে, কোনো ব্যৱস্থা লোৱা নাই। এই ধৰণৰ বিসংগতি হৈ আছে। এখন অধিৱেশনত এটা কথা কয়, বেলেগ এখনত অধিবেশনত বেলেগ এটা কথা কয়। এই যে কথা বতৰাৰ লগত বিসংগতি আছে, কিয় আজিলৈকে approval দি য়া নাই, কিয় আজিলৈকে কামটো চৰকাৰে কৰা নাই জানিব বিচাৰিছোঁ। মই মন্ত্ৰী মহোদয়ৰ পৰা specific কাৰণ জানিব বিচাৰিছোঁ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো কথা কৈছে যে ভাৰত চৰকাৰৰ পৰা ২০১৫ চনত এই কথা অহাটো হয় আৰু এইক্ষেত্ৰত আমাক Gazette Notification কৰিবলৈ অসম চৰকাৰক কৈছিল। এইটো ২০১৫ চনতে কৈছিল। গতিকে ২০১৬ চনতহে চৰকাৰত আহিলো। গতিকে এতিয়া কথাটো হৈছে যে এই ক্ষেত্ৰত অধ্যক্ষ ডাঙৰীয়া, আমাৰ কিছু অসুবিধা হ'ল এই কাৰণে যে আমাৰ এই ষ্টেশ্যনটো ভাষা শ্বহীদৰ নামত দিয়াৰ ক্ষেত্ৰত ২০১৫ চনত যেতিয়া দিলে, আমি ২০১৬ চনত আহিলো। ২০১৫ চনত বেলেগ চৰকাৰ আছিল। গতিকে প্ৰশ্নটো হৈছে যে তাৰ পৰৱৰ্তী দিনত আমাৰ কিছু Organisation যেনে Dima Haso Apex Body, Haflong and under organisations of Dima Hasao District এখন স্মাৰক পত্ৰ শিলচৰত প্ৰদান কৰিছে যে শিলচৰ ৰেলৱেষ্টেশ্যনটো ভাষা শ্বহীদৰ নামত তেওঁলোকে বিৰোধিতা কৰিছে। এইক্ষেত্ৰত ৰাজ্য চৰকাৰে উক্ত বিষয়টো গভীৰ ভাৱে বিবেচনা কৰি তেওঁলোকৰ লগতো আলাপ আলোচনা কৰি আছে। অধ্যক্ষ ডাঙৰীয়া, আনকি পৰহি জনতা ভৱনত মই ৰাতি ন টা মান বজাত All Dimasa Students Union আহিছিল। তেখেত

সকলে মোক ক'লে যে, শিলচৰ ষ্টেশ্যনটোৰ নাম আপোনালোকে দিছে নেকি ? মই ক'লো যে দিয়া নাই এতিয়া আলোচনা বিলোচনা চলি আছে। তেতিয়া All Dimasa Students Union য়ে মোক এটা কথা ক'লে যে এইটো আমি আমাৰ সকলোৰে লগত আলোচনা কৰি মিলা-প্ৰীতিৰে কৰিলে ভাল হ'ব। বিভিন্ন কথাত তেওঁলোকে লগ পাইছিল তাৰ ভিতৰত এইটো এটা কথা কৈছিল। গতিকে আমাৰ কথাটো হ'ল যে, এই ৰেলৰেষ্টেশ্যনটোৰ ক্ষেত্ৰত Dimasa Apex Body, আৰু কাচাৰৰো যিখিনি Organisation আছে, গোটেইখিনিৰ লগত আমি মিলা-মিচা কৰি এটা আলোচনা কৰিব লাগিব। শ্ৰী কমলাক্ষ দে পুৰকায়স্থই এইবাৰ বুলিয়েই নহয়, ইয়াৰ আগৰ বিধান সভাটো কৈছে যে এইটো ভাষা শ্বহীদৰ নামত হ'ব লাগে। কিন্তু এতিয়া ডিমাচা, আমাৰ যিখিনি ভাই-ভনী আছে, তেওঁলোকে কৈছে যে এইটো অকল ভাষা শ্বহীদ বুলি দিলেই নহ'ব, তেওঁলোকৰ ডিমাচাৰ যিজন শেষ ৰজা, তেওঁৰ নামত এইটো দিব লাগে বুলি ডিমাচা ভাই সকলে এইটো ক্ষেত্ৰত দাবী কৰিছে। গতিকে সেই কাৰণে আমি আজিৰ দিনটোত দেখিছো যে আমাৰ পুলিচৰ বিশেষ আৰক্ষী শাখাইও এই কথাটো ভালকৈ চাইছে আৰু চাই, ভাষা শ্বহীদৰ বিপৰীতে ডিমাচা বীৰ শম্ভু ধন থাংলু তেওঁলোকৰ নামত কৰিব লাগে কিন্তু কমলাক্ষ দে ডাঙৰীয়াৰ মতে কৰিব লাগে ভাষা শ্বহীদৰ নামত। গতিকে পুলিচৰো এচ বি ৰো ৰিপোৰ্ট আছে এইক্ষেত্ৰত। তাতো যদি আমি কাৰো লগত আলোচনা নকৰাকৈ কৰিলে Law and Order Situation হ'ব পাৰে। তাৰোপৰি এই যিটো সমস্যা, এই সমস্যাটো আমি সকলোৰে মিলা-প্ৰীতিৰে আলোচনা-বিলোচনাৰ মাধ্যমেৰেহে কৰিব পৰা যাব। সেই কাৰণে অসম চৰকাৰে এইবিলাক তথ্য যেতিয়া পালো, তথ্য পোৱাৰ পাছত সেইবিলাকৰ ওপৰত আমি আলোচনা-বিলোচনা কৰি আছো।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এচ পি ৰিপোৰ্ট, ডিচিৰ গোটেই ৰিপোৰ্ট আমাৰ লগত আছে। তেওঁলোকে পজিটিভ ৰিপোৰ্ট দিছে। 99% লগতে Government ৰ official সকলে পজিটিভ ৰিপোৰ্ট দিছে। মোক একমিনিট ক'বলৈ দিয়ক।

**মাননীয় অধ্যক্ষ ঃ**মই ক'বলৈ দিম। বহক। Question hour is over. শ্ৰীশ্বেৰমান আলীয়ে কিবা এটা পইণ্ট কবলৈ খুজিছিল। মই সেইকাৰণে allow কৰিছো। আজি প্ৰথম দিনা বহুত দিনৰ মূৰত বহিছো। কিন্তু nnormally মই নকৰো।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** ক্ৰমশ----মাননীয় অধ্যক্ষ মহোদয়, Starred Question No. 3 ৰ ওপৰত মই এক মিনিট কথা ক'ব বিচাৰিছো। আমি সকলোৰে জানো যে preparation of NRC was a very important chapter in the annels solution of vast problem of foreigners.

**মাননীয় অধ্যক্ষ ঃ** Suggestion টো দিয়ক।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** ৫ বছৰৰ পৰিক্ৰমা তথা অসম চৰকাৰৰ ৬০,০০০ কৰ্মচাৰী আৰু প্ৰায় ডেৰ হাজাৰ কোটি টকা খৰচ কৰি Supreme Court ৰ তত্বাবধানত Final NRC প্ৰকাশ হ'ল। Draft ওলোৱাৰ পিছত বিভিন্ন জনৰ পৰা আপত্তিও বিচৰা হৈছিল। যিখন Final NRC ওলাল সেইখনত Supreme Court ৰ চীল মোহৰ মৰা আছিল। মাননীয় অধ্যক্ষ মহোদয়,Final NRC ত নাম থকা স্বত্বেও বিভিন্ন সময়ত বোৰ্ডাৰ পুলিচে তেওঁলোকলৈ notice জাৰি কৰিছে। এইটো এটা উদাহৰণ মই Starred Question No.218, ৩০ মাৰ্চ, ২০২০ ত চৰকাৰে স্বীকাৰ কৰিছে। I would like to know what is the authority of the border police? Is it above the Supreme Court? Would the

Government please take urgent steps so that know further notice is issued whose names have appeared in the NRC. This ia a very serious issue. Border police is not above the Supreme Court.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আপোনাৰ কথাটো লোৱা হৈছে আৰু ৰেকৰ্ড কৰা হৈছে আৰু definitely এইটো চৰকাৰে চাব।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মোৰ আৰু দুটা point of order আছিল।

**মাননীয় অধ্যক্ষ ঃ** মই আপোনাক এইটোৱে point of order ত দিছিলো আৰু নালাগে। যদি কিবা আছে মোলৈ লিখি দিব।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৩ নং প্ৰশ্নটোৰ ওপৰত মই ক'ব বিচাৰিছো। যিহেতু দুটা গুৰুত্বপূৰ্ণ কথা আলোচনা হৈছিল ৫ নং আৰু ৬ নং দফাৰ ওপৰত। ৫ নং দফাত দেশী আৰু বিদেশীৰ বিষয়টো লৈ আৰু ৬নং দফাত দেশী সকলৰ মাজৰ পৰা অসমবাসী সকলক লৈ। যিহেতু বহুতখিনি প্ৰশ্নৰ উত্তৰ পাবলৈ বাকী থাকি গ'ল, মই Rules 49 ত আপোনাক এই প্ৰশ্নটোৰ উত্তৰটো লৈ আলোচনা কৰিবলৈ সময় দিবলৈ অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** মই চেষ্টা কৰিম যদি সময় পাওঁ। আপুনি তাৰবাবে মোক formally notice দিব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা কথা কয়, আনটো কথা নকয়। কথাটো হৈছে যে ডিমাছা Students' Union য়ে এটা memorendum দিছে। তেওঁলোকে চৰকাৰলৈ পঠাইছে আৰু চৰকাৰে enquiry কৰিলে। DC আৰু SP য়ে positive report দিলে যে ৯৯শতাংশ মানুহে যেতিয়া বিচাৰিছে, তেতিয়া বস্তুটো দিব লাগে। অধ্যক্ষ মহোদয়, এইটো আজিলৈ কিয় হোৱা নাই? এই বস্তুটো অতি সোনকালে কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** It is important and it will be looked into.

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তৰাবিহীন প্ৰশ্ন নং ৪৪ ত মোৰ প্ৰশ্নটো আছিল যে গৰাখহনীয়াত ক্ষতি হোৱা লোকৰ আৰু ভূমিহীন হৈ আশ্ৰয় গ্ৰহণ কৰা লোকক উচ্ছেদ কৰি সেই ভূমি একাংশ লোকক আত্ম সহায়ক গোটৰ নামত আবন্টন দিয়া হৈছে নেকি? যদি হৈছে কোন গোটৰ কিমান বিঘা দিয়া হৈছে বিতং তথ্য দাখিল কৰিব। ইয়াৰ উপৰিও আৰু কিছুমান প্ৰশ্ন আছিল। সেইবিলাকৰ কিছুমানৰ উত্তৰ অকল photostate copy টো দিছে য'ত ক'লা ক'লা দাগবিলাক আহিছে। উত্তৰবোৰ ভালদৰে বুজিব নোৱাৰি।

**মাননীয় অধ্যক্ষ ঃ** সেইখিনি replace কৰি দিয়া হ'ব। এতিয়া 'শূণ্যকালীন ঘন্টা'ৰ কাৰ্য্যসূচী আছে।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ কেইটামান প্ৰশ্নৰ উত্তৰৰ বিসংগতি আছে।

**মাননীয় অধ্যক্ষ ঃ** কওঁক।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত প্ৰশ্নটো আছিল যে ২০১৬ চনৰ পৰা বিভিন্ন বৰ্যত , নদীৰ গৰাখহনীয়া বা বানপানীত গৃহহীন হোৱা মানুহৰ ক্ষতিপূৰণ খিনি দিয়া হ'ল নেকি আগৰ প্ৰশ্নত চৰকাৰে উত্তৰ দিছিল যে DC ৰ পৰা report পোৱা নাই, সেইবাবে চৰকাৰে উত্তৰ দিব পৰা নাই। এইটো এবাৰ নহয়, ২০১৬ চনৰ পৰা ২০২০ চনলৈ

একেটাই উত্তৰ যে The Grant can not be sanctioned due to non receipt of proposal from DC. My question is the DC outside the Government of Assam? Why the DC was not booked into account? Why the responsibility was not fixed? Is it the proper way to reply? চাৰি বছৰ হ'ল। গতিকে এই কথাখিনি গুৰুত্ব সহকাৰে ল'ব লাগে। মোৰ আৰু এটা প্ৰশ্ন আছে, Starred Question No. 15. প্ৰশ্নটো হ'ল ৩০ জুলাইত লালেতাপু আৰু মুকুৰা চাপৰিত সংঘটিত এটা দুৰ্ঘটনা সম্পৰ্কত। সেইদিনাখন Social Media ত দেখুৱালে যে আমাৰ এজন সন্মানীয় বিধায়কে হাতত বন্দুক লৈ তালৈ গ'ল, পুলিচ প্ৰশাসন থকাৰ পিছতো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি অকল বিসংগতিটো কওক। কোনটো প্ৰশ্ন?

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** Starred Question No. 15 (B), Is it true that Hon'ble MLA of Chatia LAC evicted the people there with fire -arms.উত্তৰ এই বিষয়ত silent.

**মাননীয় অধ্যক্ষ ঃ** 15 (B) ত উত্তৰ কি দিছে?

**শ্ৰী শ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** The survey drive was led by the circle Officer. Nothing was mentioned whether the Hon'ble member went to the site. আমি একো একোজন সন্মানীয় সদস্য। বিধায়ক হিচাপে মই লজ্জিত। এনেকুৱা ঘটনা যাতে ভৱিষ্যতলৈ নহয়।

**মাননীয় অধ্যক্ষ ঃ** আমি কথাটো seriously লৈছো।

**শ্ৰী পদ্ম হাজৰিকা ( চতীয়া) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই উপস্থিত থকা অৱস্থাত যিহেতু এই কথাটো পবিত্ৰ বিধান সভাত উত্থাপন হৈছে, নিৰৱে থাকিলে মই এতিয়া দোষী হম। এনেকুৱা কিবা অৱজ্ঞা আছে নেকি যে এজন বিধায়কে আত্ম ৰক্ষাৰ কাৰণে, কাৰণ মই যিহেতু গুলিবিদ্ধ, ২০০৭ চনৰ ১৩ ডিচেম্বৰত মোৰ ওপৰত গ্ৰেনেডেৰে আক্ৰমণ হৈছিল আৰু AK-47 ৰ গুলি এটা এতিয়াও মোৰ শৰীৰত আছে, মোৰ নিৰাপত্তাৰ কাৰণে চৰকাৰে অনুজ্ঞাপত্ৰ থকা Arms দিছে। সেইদিনা যিটো ঘটনা সংঘটিত হৈছিল লালেতাপু, চৌকিঘাট তাত Circle Officer, আৰক্ষী বিষয়াক আক্ৰমণ কৰিছিল। তেজপুৰৰ পৰা তাত পুলিচ গৈ পাওঁতে সময় লাগিব প্ৰায় ৪০ মিনিট। মই ঘৰৰ পৰা সেই ঠাই পাওঁতে লাগে ১৫ মিনিট। তাত যেতিয়া খিলঞ্জীয়া ১২ জন লোকক আক্ৰমণ কৰিছিল, তেওঁলোকৰ খবৰ ল'বলৈ মই মোৰ অনুজ্ঞাপত্ৰ থকা বন্দুক লৈ তাত হাজিৰ হওঁ। এইটো মই স্বীকাৰ কৰো আৰু এইটো মই অপৰাধ বুলি নাভাৱো। কিন্তু মই সেই অঞ্চলত কাকো ভাবুকি দিয়া নাই বা ধমকি দিয়া নাই। কিন্তু অনুজ্ঞাপত্ৰ থকা Arms লৈ ফুৰাত কিবা বাধা আছে নেকি? কোনোবাই যদি অবৈধভাৱে Arms লৈ ফুৰিছে সেইটো আপোনালোকে আঙুলিয়াই দিয়ক। গতিকে অনুজ্ঞাপত্ৰ থকা Arms লৈ ফুৰাত আৰু High Court ৰ নিৰ্দ্দেশত উচ্ছেদ কৰা কথাটো লৈ বাৰেপতি এটা বিভ্ৰান্তি সৃষ্টি কৰিবৰ কাৰণে একাংশই চেষ্টা কৰি আছে। শোণিতপুৰ জিলাত পৰি থকা মাটিত অন্য জিলাৰ মানুহে জধে মধে দখল কৰিবলৈ ক'ত অধিকাৰ পায়? গৰাখহনীয়া হ'ব পাৰে কিন্তু চৰকাৰী কোনো স্বীকৃতি নোহোৱাকৈ যতে ততে মাটি দখল কৰিব আৰু থলুৱা মানুহে নিৰৱ দৰ্শক হৈ চাই থাকিব নেকি? ........(সদনত হুলস্থুল).......

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট) ঃ** অধ্যক্ষ মহোদয়, point of order.(....... সদনত হুলস্থুল.......)

**মাননীয় অধ্যক্ষ ঃ** আপোনালোক সকলোৱে বহক। শ্বেৰমান আলীয়ে যেতিয়া কথা কৈছিল তেখেতে

আপত্তি কৰিছিল নেকি? তেখেতে কথাখিনি ভালদৰে শুনি উত্তৰটো দিছে। তেখেতে উত্তৰটো দি থকাৰ সময়ত আপোনালোকে মাজত কিয় থিয় হৈছে? এতিয়া পদ্ম হাজৰিকা, you please conclude. point of order বুলি ক'লে interpretation of rules. কিন্তু মই member সকলক সুযোগ দিওঁ এই কাৰণেই যে প্ৰশ্নবিলাক ভুল থাকিলে এই বিলাক তাতে দেখুৱাই দিয়ক। কিন্তু তেখেতৰ প্ৰশ্নটো ভুল থাকোতে প্ৰথম কেইটা ঠিকেই আছে কিন্তু পিছৰটো মই তেখেতকো কৈছিলো যে এইবিলাক কথা নক'ব। কাৰণ এইবিলাক কথা ক'লে counter আহিব। তেওঁ কৈছে যে ইয়াত নাই। আমি সকলোৱে ইয়াৰ বিধায়ক। আপুনি কথাটো point of order ত কৈছে যে এই প্ৰশ্নটোৰ উত্তৰ ভুল পাইছো। মাত্ৰ ইমানখিনিয়ে ক'ব লাগিছিল। ইয়াত যিহেতু তেখেত নিজে বহি আছে আপুনি যেতিয়া তেখেতৰ ওপৰত প্ৰশ্ন আনিব তাৰ ওপৰত যদি তেখেতক অলপো ক'বলৈ সুযোগ নিদিও, is it correct? এইবিলাক মই বহুত relax কৰো যাতে House টো ভালদৰে চলক। গতিকে এতিয়া যিহেতু আপুনি প্ৰশ্নটো কৰিলে আৰু এখেতে উত্তৰটোও দিলে, এই কথাখিনি এতিয়া চৰকাৰে চাব।

এতিয়া মই 'শূণ্যকালীন ঘন্টা'ত যাব বিচাৰিছো।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, Rule 56 ত আমি যি সভা স্থগিত প্ৰস্তাৱ বিচাৰিছিলো, এতিয়া এই বিষয়টো সদনৰ বাকী কাৰ্য্যসূচী বাতিল কৰি যিহেতু 'কভিড'ৰ সংখ্যা উদ্দেগজনকভাৱে বৃদ্ধি হোৱা বুলি মন্ত্ৰী মহোদয়ে এক প্ৰেছ বিজ্ঞপ্তিযোগে জনাইছে , এই বিষয়ত কিছু আলোচনা কৰিবলগা আছে। গতিকে এতিয়া সদনৰ বাকী সমূহ কাৰ্য্যসূচী বাতিল কৰি এই কাৰ্য্যসূচী আগুৱাই নিবলৈ মই আপোনাক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** মই এটা কথা ক'ব বিচাৰিছো আমাৰ যিটো Rules আছে সেইটো আমি সলনি কৰিব লাগিব। সেইটো আমি কৰিব পাৰো। Buisness Advisory Committee আৰু Rules Committee বহি আমি Rules change কৰিব পাৰো। কিন্তু এটা কথা সদায় কয় যে next business টো লোৱাৰ আগতে, ২ নং কাৰ্য্যসূচীটো লোৱাৰ আগতে আমি এইটো ল'ব লাগে। ১ নং কাৰ্য্যসূচীটো হৈছে 'Question Hour' আৰু ২নং টো হৈছে The Speaker to announce the Report of the BAC, ৩নং ৰ পৰা বাকী কাৰ্য্যসূচী সমূহ আছে। আমাৰ rule টো হৈছে যে প্ৰথম কাৰ্য্যসূচীটো শেষ হোৱাৰ পিছত দ্বিতীয় কাৰ্য্যসূচী অহাৰ আগতে এইটো উঠিব। Zero hour ৰ কোনো provision নাই। গতিকে ১নং প্ৰশ্ন আৰু Zero hour তাত club হৈ থাকে। সেইকাৰণে Zero hour ৰ পিছতে মই এইটো উত্থাপন কৰিবলৈ দিম বুলি ভাৱিছিলো কিন্তু যিহেতু এতিয়া আপোনালোকে Zero hour নলও বুলি কৈছে মই এটা পৰামৰ্শ দিব পাৰো। যদি পাৰে কৰক। মই ইয়াত তিনিখন Zero hour notice পাইছিলো। তাৰে এখন AIUDF বিধায়িনী দলৰ আৰু দুখলন কংগ্ৰেছ বিধায়িনী দলৰ। গতিকে আপোনালোকে যদি কয় আমি তিনিজনৰ notice নুঠাও। We can just stop this process. মাত্ৰ আপোনালোকে পিছত ক'লে হ'ল যে আমি Zero hour notice withraw কৰি আগতে এইটো কাৰ্য্যসূচীকে ল'ব বিচাৰিছো। এইটো যিহেতু জৰুৰী গতিকে আমি Zero hour টো নকৰো। তাত মোৰ একো আপত্তি নাই। আপুনি কি কয়?

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** হ'ব চাৰ। Zero hour টো বাদ দি আমি পৰৱৰ্ত্তী কাৰ্য্যসূচীলৈ যাব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Zero hour টো বাদ দিয়ে যদি এতিয়া adjournment motion টো

আহিব পাৰে। adjournment motion ৰ ওপৰত মই দুখন notice পাইছো। এখন AIUDF বিধায়িনী দলৰ আৰু আনখন কংগ্ৰেছ বিধায়িনী দলৰ। দুইখনতে কথাখিনি অকনমান বেলেগকৈ লিখিছে যদিও বিষয়বস্তুটো একে। AIUDF য়ে বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দিশটোও ইয়াত জুৰি দিছে। এতিয়া মই সভা স্থগিত প্ৰস্তাৱটো কিয় ল'ব লাগে, এই সম্পৰ্কত ক'বলৈ প্ৰথমতে মই কংগ্ৰেছ বিধায়িনী দলৰ দলপতিক ক'বলৈ অনুৰোধ কৰিছো।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক ধন্যবাদ জনাইছো। আমাৰ বিধান সভাৰ নিয়মাৱলীৰ ৫৬ ৰ অধীনত আজি এটা সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰাৰ সুযোগ দিয়াৰ বাবে। মই প্ৰস্তাৱটো অলপ প্ৰথমতে পঢ়ি দিব বিচাৰিছো। অসমত কভিড-১৯ ৰ সংখ্যা দিনক দিনে উদ্বেগজনকভাৱে বৃদ্ধি হোৱা পৰিলক্ষিত কৰিছো। অসমৰ মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰীয়ে নিজে স্বীকাৰ কৰিছে যে মহামাৰীটোৱে অসমত এতিয়া গণ সংক্ৰমণৰ পৰ্য্যায় পাইছে। ইয়াৰোপৰি মাননীয় মন্ত্ৰী মহোদয়ে এইটো স্পষ্ট কৰিছে যদি কভিড মহামাৰী অহা ১-২ মাহৰ ভিতৰত নিয়ন্ত্ৰণ কৰিব পৰা নাযায় তেতিয়াহলে অসম চৰকাৰৰ পুঁজিৰ অভাৱৰ বাবে নিম্ন মধ্যবিত্ত আৰু মধ্যবিত্ত লোকসকলে নিজে ধন যোগাৰ কৰি নিজৰ চিকিৎসা কৰিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হ'ব। এই ঘোষণা কেইটা অসমৰ লাখ- লাখ মানুহৰ কাৰণে অতি চিন্তনীয় বাৰ্ত্তা কঢ়িয়াই আনিছে। সেয়েহে আমি আজি অধ্যক্ষ মহোদয়ক অনুৰোধ জনাইছো যাতে আজিৰ সদনৰ সকলো কাৰ্য্যসূচী বাতিল কৰি এই গম্ভীৰ বিষয়টো আলোচনা কৰিবলৈ সময় দিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ কাৰণে আপোনাক কেইটামান justification লাগিব। গতিকে আমি ক'ব বিচাৰিছো যে অকল এইটো motion য়ে আজি আমি আনিছো আৰু not more than one matter can be discussed under same motion. আজি কাকততো এই কভিডৰ বিষয়ে বাতৰি ওলাইছে যে কভিড চিকিৎসাৰ SOP বিসংগতিৰ বাবে শিৱ সাগৰত এটি সৰ্প দংশনত আক্ৰান্ত মহিলাক শিৱসাগৰ Civil Hospital ত চিকিৎসা দিব নোৱাৰাৰ বাবে পুলিচত FIR হৈছে। ঠিক তেনেকৈ কেইদিনমান আগতে তিনিচুকীয়া জিলাতো এনেকুৱা এটা পৰিস্থিতি হৈছিল। এগৰাকী ৫ মহীয়া সন্তান থকা মহিলাক কেইবাখনো চিকিৎসালয়লৈ নিয়া হৈছিলে যদিও কভিড টেষ্টৰ report নথকাৰ বাবে তেখেতক কতো চিকিৎসা কৰা নহ'ল। গতিকে এইবিলাক খুৱ recent occurance. ঠিক তেনেকৈ The motion must not reverse discussion on the matter which was discussed.এই বিষয়টোৰ কাৰণে সদন স্থগিত কৰিছিলো আমি মাৰ্চ মাহত কভিড বাঢ়ি যোৱা বাবে। তেতিয়া ইমান গম্ভীৰ হোৱা নাছিল কিন্তু অসমত এতিয়া ১ লাখ অতিক্ৰম কৰিলে। আমি যেতিয়া সদন স্থগিত ৰাখিছিলো তেতিয়া এজনো অসমত ধৰা পৰা নাছিল। গতিকে এই বিষয়টো আলোচনা কৰাৰ অনুমতি দিবৰ থল আছে। ঠিক তেনেকৈ motion must not anticipate which was been previously appointed for consideration. গতিকে এই ধৰণৰ কোনো আলোচনা আগতে আমাৰ সদনত হোৱা নাই। matter টোৰ ওপৰত resolution ল'ব নোৱাৰা বুলিও কোনো কথা নাই। চৰকাৰে যদি আজিৰ আলোচনাৰ ভিত্তিত কিছু সঠিক সিদ্ধান্ত দিয়ে তেন্তে নিশ্চিতভাৱে ইয়াক আমি প্ৰতিহত কৰিবৰ বাবে আৰু অধিক সক্ষম হ'ব পাৰিম। এই ক্ষেত্ৰত যিহেতু আমাৰ এজন Senior Journalist শেখৰ গুপ্তা ডাঙৰীয়াই এটা প্ৰশ্ন সুধিছিল যিটো বিভিন্ন বাতৰি কাকতত ওলাইছিল যে অসম ভাৰতৰ অঙ্গ নহয় নেকি? অসমত ICMR বা ভাৰত চৰকাৰৰ

guideline খিনি কিয় মানি লোৱা হোৱা নাই? এই প্ৰশ্ন তেখেতে বিভিন্ন মাধ্যমত প্ৰচাৰিত কৰিছিল। আমাৰ ৰাজ্যখনৰ বিষয়ে বাহিৰা মানুহক এটা কেনেকুৱা ধৰণৰ message দিব, আমি যিহেতু সংবিধানৰ অধীনত এই সদনৰ সদস্য, ভাৰতীয় নিয়ম আইন কানুন আমি মানি চলিব লাগে সেই কাৰণে এই ক্ষেত্ৰত আমাক যথেষ্ট উদ্বেগত পেলাইছে। The motion shall not deal with any matter which is under adjudication. এই ক্ষেত্ৰত গুৱাহাটী High Court নিমাত হৈ আছে। কিন্তু দিল্লী High Court বা Supreme Court য়ে কেতবোৰ পৰামৰ্শৰলী আগবঢ়াইছে আৰু এই ক্ষেত্ৰত ই কেতিয়াও বাধা নিদিয়ে। যিহেতু তেওঁলোকে ভাল পৰামৰ্শ আগবঢ়াইছে, উদাহৰণস্বৰূপে এপ্ৰিল মাহৰ ৩০ তাৰিখে দিল্লী High Court য়ে কৈছে যে non covid patient বিলাকৰ যাতে একো অসুবিধা নহয়, তাৰবাবে চৰকাৰে Panel বনাই এই hospital বিলাকলৈ নিৰ্দেশনা দিব লাগে, Team পঠাব লাগে তাত কেনেদৰে কি কাম হৈ আছে চাবলৈ। আমি ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়, যোৰহাট চিকিৎসা মহাবিদ্যালয় আদিৰ অলেখ উদাহৰণ দিব পাৰো য'ত non covid patient য়ে উপযুক্ত চিকিৎসা নোপোৱাৰ বাবে মৃত্যুমুখত পৰাৰ বাতৰি প্ৰকাশ পাইছে। ঠিক তেনেকৈ the motion shall not raise a question of privilege. আমাৰ সকলোকে এই বেমাৰে চুইছে। ইয়াত কোনো privilege ৰ কথা নাহে। তেনেকৈ It must not relate to a matter which is primarily not a concern of the State. ইয়াত আমাৰ ৰাজ্য চৰকাৰৰ দায়িত্ব আছে আৰু ভাৰত চৰকাৰৰো দায়িত্ব আছে। ভাৰত চৰকাৰৰ মাত্ৰ ৬ খন ৰাজ্যত WHO ৰ guideline যিটো 1: 1000 হাৰত চিকিৎসক আছে। অসমৰ ক্ষেত্ৰত এইটো 1:1600 মান হ'ব। এইটো বিশেষকৈ আমাৰ চৰকাৰৰ দায়িত্ব। ভাৰত চৰকাৰৰ যিটো মিছন আছে সেই মিছনৰ লগত অসম চৰকাৰেও যিহেতু কাম কৰি গৈছে গতিকে এই গোটেইখিনি চাই motion টো আমি গ্ৰহণ কৰিব পাৰে বুলি ভাৱিছো। কাৰণ বিভিন্ন সময়ত চৰকাৰী তত্বাৱধায়কৰ পৰা বিভ্ৰান্তিমূলক তথ্য কিছুমানো প্ৰকাশ পাইছে। ৰাইজৰ মনত বিভিন্ন ধৰণৰ চিন্তাই দেখা দিছে। এটা সময়ত ICMR য়ে ক'লে যে আমাৰ Shallow Test কৰিব লাগে যাতে কিমান সংক্ৰমণ হৈছে সেইটো আমি জানিব পাৰো। তেতিয়া অসম চৰকাৰৰ পৰা মাননীয় মন্ত্ৰী মহোদয়ে ক'লে যে এইটো কৰিব নালাগে, মই বাধা দিছো। কিন্তু এতিয়া মই দেখিছো যে কোনোবা private NGO এটাই আগষ্ট মাহৰ পৰা কৰিছে আৰু মাননীয় ৰাজ্যিক স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াই এইটো মুকলি কৰিছে। গতিকে এই গোটেই কথাবিলাক যদি আমি আলোচনা কৰো যে যিহেতু আমি সকলোৱে এই যুঁজত যোৱা বিধান সভাত প্ৰস্তুত কৰি দিছিলো চৰকাৰক অভিযোগ কৰি আৰু চৰকাৰো আমাৰ তেনেকৈ বিভিন্ন সমিতি সমূহত নিয়োগ কৰিছিল নিজৰ নিজৰ সমষ্টিত আৰু আমাৰ ফালৰ পৰা Mask বিতৰণ, সজাগতা, এমাহৰ ৩০ শতাংশ দৰমহা কৰ্তন সকলোখিনি চৰকাৰে যেনেদৰে আমাক অনুৰোধ জনাইছে সেইখিনি মানি আহিছো। গতিকে তাৰপিছতো লক ডাউনত পৰৱৰ্ত্তী সময়ত অন্য ৰাজ্যত কেচ বিলাক কমি যোৱা দেখা গৈছিল। কিন্তু আমাৰ ৰাজ্যত লক ডাউনৰ পিছত বাঢ়ি হে গ'ল। আজিও আমাৰ ৰাজ্যৰ তিনিখন জিলাত লক ডাউন চলি আছে। যি সময়ত ভাৰত চৰকাৰে লক ডাউন দিব নালাগে বুলি কৈ ছে, গতিকে যিসময়ত এনে ধৰণৰ কণ্ট্ৰাডিকটৰী কথা কিছুমান হৈ আছে সেইক্ষেত্ৰত আমি যদি ৰাজ্যৰ স্বাৰ্থত ভাল মীমাংসাত উপণীত হ'ব পাৰো তেতিয়া হ'লে ভাল হ'ব আৰু সদনৰ দায়িত্ব বুলি ভাৱি পবিত্ৰ সদনত আপুনি এই ক্ষেত্ৰত অনুমতি দিব বুলি আশা কৰি মই ইয়াৰ যুক্তি-যুক্ততা উপস্থাপন কৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী হাফিজ বছিৰ আহমেদ।

**শ্ৰী হাফিজ বছিৰ আহমেদ (পশ্চিম বিলাসীপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমি ৰুল ৫৬ ৰ অধীনত যি সভা স্থগিত এডজৰ্নমেণ্ট মোশ্যন আনিছিলো সেই বিষয়টোৰ এডমিচিবিলিটী সম্পৰ্কে কোৱাৰ সুযোগ দিয়াৰ বাবে মই অধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। আমি ৰুল ৫৬ ৰ অধীনত আলোচ্য বিষয়টো উত্থাপন কৰিব বিচাৰিছো, সেইটো হৈছে ক'ভিড ১৯ ৰ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত চৰকাৰ ব্যৰ্থ হৈছে। আনহাতে দীৰ্ঘদিনীয়া লক ডাউনৰ ফলত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দিশত ক্ষতি হোৱাৰ লগতে সৰ্বসাধাৰণ ৰাইজ তীব্ৰ আৰ্থিক সংকটৰ সন্মূখীন হৈছে। আজি এই বিষয়টো এই কাৰণে আলোচনা কৰিবলৈ বিচৰা হৈছে, এইটো এটা ডেফিনিট, আৰজেণ্ট আৰু পাবলিক ইম্পৰটেঞ্চ থকা বিষয়। ৰুল ৫৬ ৰ অধীনত বিষয়টো আলোচনাৰ বাবে বিবেচিত হ'ব লাগে নে নালাগে সেই সম্পৰ্কে যি তিনিটা চৰ্ত দিছে এটা হৈছে মেটাৰ ডেফিনিট হ'ব লাগিব, আৰজেণ্ট হ'ব লাগিব আৰু পাবলিক ইম্পৰটেঞ্চ থাকিব লাগিব। আজি ক'ভিড ১৯ সংক্ৰমণৰ যি সম্প্ৰসাৰণ হৈ আছে ই অত্যন্ত ভয়াবহ ৰূপ ধাৰণ কৰিছে। সম্প্ৰসাৰণৰ ক্ষেত্ৰত পৃথিৱীৰ ভিতৰত ভাৰতবৰ্ষ যথেষ্ট পিছত আছিল, এই বীজানুৰ দ্বাৰা সংক্ৰমিত মানুহৰ সংখ্যা কম আছিল। কিন্তু আজি ভাৰতবৰ্ষ আমেৰিকা, বেলজিয়ামৰ পিছতেই পৃথিৱীৰ ভিতৰত তৃতীয় স্থানত আছে। হয়তো দুই এদিনৰ ভিতৰত ভাৰতবৰ্ষ প্ৰথম বা দ্বিতীয় স্থানত আহিব। সেই হিচাবে আমি যদি ভাৰতবৰ্ষৰ পৰিসংখ্যা চাওঁ তেন্তে ভাৰতবৰ্ষত ৩.৫৪ মিলিয়ন যোৱা কালিলৈকে আক্ৰান্ত হৈছে, ৰিক'ভাৰ্ড হৈছে ২.৭১ মিলিয়ন, মৃত্যু হৈছে ৬৪,৫১৯ জন। সেই হিচাবে অসম ও জনসংখ্যা হিচাবে যি ধৰণে সংক্ৰমিত হৈ আছে সেইটো অত্যন্ত চিন্তাৰ বিষয়। আজি অসমত মুঠ কেচ হৈছে ১ লাখ ৪ হাজাৰ, মৃত্যুৰ সংখ্যা ২৮৯ জন আৰু এক্টিভ হৈ আছে ২০,৯৯২ জন। যি চাইনাত এই ভাইৰাচৰ আৰম্ভণি তাত কিন্তু সফলতা লাভ কৰিছে। তাত সংক্ৰমিত মানুহৰ সংখ্যা যোৱাকালি লৈকে ৮৫,০৩১ জন। গতিকে এই চিৰিয়াচ বিষয়টো আলোচনা কৰিব লাগে। এই কৰ'ণা ভাইৰাচৰ প্ৰভাৱটো কাৰোবাৰ ব্যক্তিগত জীৱনত নহয়, ই সামগ্ৰিক ভাৱে অৰ্থনৈতিক, স্বাস্থ্য, সামাজিক জীৱন, শিক্ষা আদি সকলো দিশতে বেয়া প্ৰভাৱ পৰিছে। ইয়াৰ বাবে দায়ী কোন সেইটো ক'বলৈ বিচৰা নাই, কিন্তু বিষয়টো অতি গুৰুত্বপূৰ্ণ। যোৱাকালি পত্ৰিকাত ওলাইছে যে ৰাজভঁৰাল প্ৰায় শূণ্য, হস্পিটালৰ পৰা সুস্থ হৈ ঘৰলৈ যোৱাৰ খৰছ ৰোগীৰ নিজৰ, পেয়িং কেবিন বিনামূলীয়া নহ'ব, ২৪ ঘণ্টাৰ ভিতৰত RT-PCR টেষ্টৰ ফলাফল লাগিলে ২,২০০ টকা দিব লাগিব, নাচিং হোমত ৰোগীয়ে প্লাজমা ললে কীটৰ দাম ৬০০০ টকা, সংকটজনক ৰোগীয়ে ৬ টাকৈ Remdesivir ইঞ্জেকশ্যন ল'ব লাগিব যাৰ প্ৰত্যেকটো ইঞ্জেকশ্যনৰ দাম ৬০০০ টকা, ৰোগীৰ খাদ্য সামগ্ৰী পৰিয়ালে যোগান ধৰিব লাগিব। চৰকাৰে সকলোকে যি বিনামূলীয়া চিকিৎসা দিয়াৰ কথা কৈছিল, যদি আজি ঘোষণা মতে কাৰ্য্যকৰী পদক্ষেপ লয় তেনেহ'লে ভাৰতবৰ্ষ বা অসমৰ এই সংক্ৰমণে কিমান ভয়াবহ ৰূপ ধাৰণ কৰিব এই কথাটো আমিয়েই চিন্তা কৰিব লাগিব। অৰ্থনৈতিক ক্ষেত্ৰত ইয়াৰ যি প্ৰভাৱ আমি যদি জুন মাহৰ ৰিপোৰ্ট চাওঁ Assam economy suffers lose of Rs. 32,167 crore due to COVID-19 lock down. অধ্যক্ষ মহোদয়, অসমৰ নিচিনা এখন সৰু ৰাজ্যত জুন মাহলৈকে 32,167 crore টকা লোকচানৰ সন্মূখীন হৈছে। আমি যদি চেক্টৰ ৱাইজ চাওঁ তেন্তে "The sector wise estimated break up of the loss is Rs. 8175 crore in Agriculture, Forestry, mining and quarries, Rs. 7,546 crore in manufacturing and construction works, Rs.2,004 crore in real estate etc.,

Rs. 1,711 crore in transportation and communication and Rs.3,091 crore in other services. অধ্যক্ষ মহোদয়, ইয়াতকৈও আৰু এটা ভয়াবহ পৰিস্থিতি আমাৰ সন্মূখত অপেক্ষা কৰি আছে সেই বস্তুটো মই তুলি ধৰিব বিচাৰিছো। আমাৰ মাননীয় গৃহমন্ত্ৰী শ্ৰী অমিত শ্বাহ ডাঙৰীয়াৰ ৰিপোৰ্টত দিয়া হৈছে যে-

*"The disastrous impact of the economic hardship resulting from unemployment and poverty can be expected to manifest on social unrest of myriad forms and nature. This may result in petty crimes like thefts and robberies. This situation has potentials to become a bigger security issue rather than a simple law-and-order problem. There may be sudden spurt in the incidents of women and child trafficking, prostitution and child labour."*

অধ্যক্ষ মহোদয়, মানুহ যেতিয়া কৰ্মহীন হৈ যাব মানুহৰ খোৱাৰ বাবে কোনো ধৰণৰ ব্যৱস্থা নাথাকিব, উপাৰ্জনৰ ৰাস্তা বন্ধ হ'ব, তেতিয়া মানুহে অপৰাধজনিত কাম কৰিবলৈ বাধ্য হ'ব। সেই প্ৰতিচ্ছবিটোৰে ইয়াত দাঙি ধৰা হৈছে। এই লাখ লাখ শ্ৰমহীন মানুহবিলাকে law-and-order situation creat কৰিব। ইয়াৰ ফলত অপৰাধৰ সংখ্যা বৃদ্ধি হ'ব। এনেকুৱা ধৰণৰ পৰিস্থিতি বৰ্তমান আমাৰ সন্মূখত অপেক্ষা কৰি আছে। অধ্যক্ষ মহোদয় অকল পৰ্য্যটন চেক্টৰতে আমি যদি চাওঁ ইয়াত যিটো প্ৰভাৱ পৰিছে Fedeartion of the association India tourism and hospitality pedics Rs. is 5,00,000 crore in losses resulting in job loss of the 5.5 crore people direct or indirectly employed by the industry. এই ধৰণে আজি ইয়াৰ প্ৰভাৱ সামাজিক জীৱনত, শিক্ষাৰ ক্ষেত্ৰত পৰিছে। আজি প্ৰায় ১ বছৰ ধৰি ল'ৰা-ছোৱালীৰ স্কুলৰ লগত সম্পৰ্কহীন হৈ পৰিছে। এতিয়া অনলাইন, ভিডিঅ' কনফাৰেঞ্চ, টি ভি ৰ জৰিয়তে ক্লাচ কৰাৰ কথা চৰকাৰে কৈছে। কিন্তু কথাটো হৈছে আমাৰ প্ৰায় ৮০ শতাংশত কৈও অধিক লোকে গাঁৱত বসবাস কৰে। তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে কিতাপ আৰু কলম এইবিলাকৰ কথাই ভালদৰে বুজি নাপায়। গতিকে তেওঁলোকে ক'ত এই অনলাইনৰ কথা বুজি পাব আৰু ক'ত তেওঁলোকে এণ্ড্ৰইয়ড মোবাইল পাব আৰু যিসকলৰ ঘৰত টি ভি আছে সেই সকলেহে ক্লাচ কৰিব পাৰিব আৰু নোহোৱা সকলে নোৱাৰিব। আমাৰ মানুহৰ যিটো অৰ্থনৈতিক অৱস্থা, কিবা এটা সমাধান দিওঁতে সেইটো আমি আমাৰ সন্মুখত ৰাখিব লাগে। বাস্তৱতাত থাকিব লাগিব। আমি প্ৰেক্টিকেল হ'ব লাগে। আজি অসম financial crisis ত ভুগি আছে আৰু কেন্দ্ৰীয় চৰকাৰে ২০ লাখ কোটি টকাৰ ঘোষণা কৰিছিল। সেই ২০ লাখ কোটি টকা ক'ত গ'ল, কি হ'ল, কিমানখিনি ৰাইজক স্পৰ্শ কৰিলে সেইটো আমাৰ আলোচ্য বিষয় হ'ব লাগে। অধ্যক্ষ মহোদয়, আৰু এটা ৰিপোৰ্টত কোৱা হৈছে COVID crisis may push half of Assam population in to poverty. 50% অসমৰ মানুহ ক'ভিডত আক্ৰান্ত হৈ দাৰিদ্ৰতাৰ স্বীকাৰ হ'ব পাৰে। মই ৰিপোৰ্ট বিলাক ডিটেইলচ বুজাব খোজা নাই। এই ক'ভিডৰ প্ৰভাৱত - "অসমত ১১ শতাংশলৈকে বৃদ্ধি নিবনুৱাৰ সমস্যা, লক ডাউনে বিপদ নমালে অসমলৈ, নতুনকৈ দৰিদ্ৰ হ'ব ৫৬,১০,৪৬৯ আৰু নতুনকৈ নিবনুৱা হ'ব ২৭.১ লাখ"। অধ্যক্ষ মহোদয়, ২০২০-২১ চনত দেশৰ জি ডি পি প্ৰায় ২ শতাংশ হোৱাৰ অনুমান কেন্দ্ৰীয় চৰকাৰৰ এনেকুৱা ধৰণৰ

যিবিলাক পৰিস্থিতিৰ ফালে আমি আগবাঢ়ি গৈ আছো এই সম্পৰ্কে আমি আলোচনা কৰিব লাগে যিহেতু ইয়াৰ গুৰুত্ব আছে। এই ক্ষেত্ৰত ৮ টা প্ৰতিবন্ধকতা আহিব পাৰে বুলি যি ৰুলচ্ ত কোৱা হৈছে তাৰে দুই এটা মান আলোচনা কৰি মই মোৰ বক্তব্য সামৰিব বিচাৰিছো। Rules of Procedure and Conduct of Business in Assam Legislative Assembly ৰ Rule 57 ত কোৱা হৈছে :

*i) Not more than one such motion shall be made at the same sitting;*

*ii) Not more than one matter can be discussed on the same motion and the motion must be restricted to a specific matter of recent occurence;*

*iii) The motion must not revive discussion on a matter which has been discussed in the same session;*

*iv) The motion must not anticipate a matter which has been previously appointed for consideration or with reference to which a notice of motion has been previously given, regard being had to the probability of the matter anticipated being brought before the House within a reasonable time;*

*v) The motion must not deal with matter on which a resolu tion could not be moved;*

*vi) The motion shall not deal with any matter which is under adjudication by a Court of Law having jurisdiction in any part of India;*

*vii) The motion shall not raise a question of privilege; and*

*viii) That it must not relate to matter which is not primarily the concern of the Government of the State.*

গতিকে Rules of Procedure and Conduct of Business in Assam Legislative Assembly ৰ মতে যিখিনি চৰ্ত বিষয়টো আলোচনা কৰিবৰ কাৰণে ইয়াত দিয়া হৈছে গোটেইখিনি ইয়াত প্ৰযোজ্য হয় আৰু ইয়াত পোৱা যায়। সেয়ে মই অধ্যক্ষ ডাঙৰীয়াক অনুৰোধ জনাম তেখেতে যাতে এই এডৰ্জনমেণ্ট মোশ্যনটো গ্ৰহণ কৰি বিষয়টোৰ স্পৰ্শকাতৰ লৈকে লক্ষ্য ৰাখি ইয়াত আলোচনা কৰিবলৈ দিয়ে।

According to Practice and Procedure of Parliament (M.N.Kaul, S.L. Shakdher) :

*Ministerial responsibility :*

*Generally speaking, the subject matter of an adjourment motion must have direct or indircet relation to the conduct or default on the part of the Government of India and must be in the nature of critism of the action of the Government of India either for having*

*done some action or for having omitted to do some action which was urgently necessary at the moment. An adjournment motion is not admissible unless there was failure on the part of the Government to perform the duties enjoined by the Constitution and the law.*

অধ্যক্ষ মহোদয়, এইখিনি কথা প্ৰায় ইয়াতে ৰিপিট হৈছে। মই পইণ্টখিনি দাঙি ধৰিব বিচাৰিছো।

*a) The matter should be relate to a single specific matter,*

*b) Not be couched in general terms nor cover a great number of cases,*

*c) Have a factual basis*

ইয়াৰ কাৰণে কিছুমান উদ্ধৃতি আমি ইয়াত তুলি ধৰিছো -

*Matter must be urgent*

সেয়ে মই মাননীয় অধক্ষ্য মহোদয়ক অনুৰোধ জনাম যে - যি এডৰ্জনমেণ্ট মোশ্যন আমি ইয়াত ৰেইজ কৰিছো ইয়াৰ গ্ৰহণযোগ্যতাৰ বিষয়ে ইয়াত কোৱা হ'ল আৰু এইখিনি গ্ৰহণ কৰি আলোচনাৰ বাবে যাতে এলাউ কৰা হয়, এইখিনি অনুৰোধ ৰাখি মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে 'Rules of Procedure and Conduct of Business in Assam Legislative Assembly' ৰ ৰুল ৫৬ ৰ অধীনত যিটো এডৰ্জনমেণ্ট মোশ্যন আনিছে সেই সম্পৰ্কত তেওঁলোকৰ বক্তব্যখিনি ইয়াত দাঙি ধৰিছে। অধ্যক্ষ ডাঙৰীয়া, আজি ক'ভিডৰ যিটো পৰিস্থিতি এইটো অকল অসমৰে নহয়, সমগ্ৰ বিশ্বই এই ভাইৰাচত আক্ৰান্ত হৈছে। এইটো স্বাভাৱিকতে অতি গুৰুত্বপূৰ্ণ বিষয় হয়। যিহেতু এই বিষয়টো গুৰুত্বপূৰ্ণ হয়, এইটো আলোচনাৰ ক্ষেত্ৰত চৰকাৰে কেতিয়াওঁ বেয়া নাপায়। কিন্তু কথাটো হৈছে কিছুমান নীতি-নিয়মৰ ভিত্তিত আলোচনা কৰিলে বিষয়টো ভাল হয়। তেওঁলোকে কিছুমান যুক্তি দিছে। এই যুক্তি মতে 'Rules of Procedure and Conduct of Business in Assam Legislative Assembly' ৰ কেইটামান উদ্ধৃতি তেওঁলোকে ইয়াত দাঙি ধৰিছে।

Practice and Procedure of Parliament ৰ ৫৬৬ নং পেজ para-1 ত কৈছে যে, In interpreting whether a matter is urgent or not, the Speaker is guided not by the ordinary meaning of the term but by the technical use of the term made in the rule.

তাৰ পিচত ৫০২ পেজত কোৱা হৈছে-- a matter to be urgent must have arisen suddenly in the nature of an emergency.

তাৰ পিছত পেজ নং- ৫০৪ ত পেৰা- ২ত কৈছে যে a matter even of very recent occurrence is not 'urgent' if an opportunity for its discussion will arise in the ordinary course of bussiness within the reasonably short time. তাৰ পিচত পেৰা- ৪ পেজ নং ৫৬৭ ত কৈছে - similiarly a matter which can be raised under any other Procedural device ,viz calling attention

notices, questions,short notice questions half -an -hour discussions, short duration discussions etc. cannot be raised through an adjournment motion.

তাৰ ওপৰিও অধ্যক্ষ ডাঙৰীয়া- ৫১০ ত কথাবিলাক ক্লিয়েৰলী কৈছে- The Point is that if hon'ble Members have a fairly good chance of raising the questions on a debate, it will not be permitted as an adjournment motion. The adjournment motion is a device to bring something before the House which is not included in the agenda or Order paper. it is something like taking up a new matter which is not intended to be taken up and of which all members had no notice whatever . গতিকে অধ্যক্ষ ডাঙৰীয়া আমি যদি চাও এই যিটো বিষয় ইয়াত স্পষ্টভাৱে কৈছে যে- আদাৰচ ডিভাইচ যিটো আছে, লাইক চৰ্ট নোটিচ কোৱেশ্বন, লাইক হাফ এল আৱাৰ ডিচকাশ্যন, লাইক নোটিচ - এই কথাখিনি ক্লিয়েৰলী ইয়াতে মেনশ্যন কৰা আছে। গতিকে অধ্যক্ষ ডাঙৰীয়া Adjournment Motionটো ইয়াতে অনাৰ যুক্তি মই বিচাৰি পোৱা নাই। গতিকে এই সম্পৰ্কত কি উত্তৰ লাগে, এই বিষয়টোত চৰকাৰ প্ৰস্তুত আছে । আমি উত্তৰ দিয়াটোৱে কথা নহয়, অসমৰ ৰাইজেই ইয়াৰ উত্তৰ দিব। আজি অসমত কোভিডক লৈ চৰকাৰে যিখিনি ব্যৱস্থা লৈছে তাত বিৰোধী পক্ষক কৈছো - আমি চৰকাৰৰ হৈ অপজিশ্যনৰ যিখিনি মাননীয় সদস্য আছে, প্ৰেছৰ যিখিনি বন্ধু আছে, অসমৰ যি ৰাইজ সকলোৱে মিলি আমি Team Assam হিচাপে আমি যুঁজ দিছো। এই বিষয়টো গুৰুত্বপূৰ্ণ বিষয়। কালি অধ্যক্ষ মহোদয়ৰ লগত হোৱা সভাত গম পাইছো যে আমাৰ ২০ গৰাকী বিধায়কৰ ক'ভিড সংক্ৰমণ হৈছে। সাংবাদিক বন্ধুসকল, ডাক্তৰ - নাৰ্চ, আৰক্ষী, বিষয়াসকল আক্ৰান্ত হৈছে- সৰ্ব্ব সাধাৰণ ৰাইজ আক্ৰন্ত হৈছে । চৰকাৰে দিনে -নিশাই কাম কৰি আছে। আধ্যক্ষ ডাঙৰীয়া- আজি স্বাস্থ্য বিভাগে আৰু হিমন্ত বিশ্ব শৰ্মা আৰু পিযুষ হাজৰিকা ডাঙৰীয়াই দিনে- নিশাই কাম কৰি আছে। ডাক্তৰসকল- নাৰ্চসকল- আশা কৰ্মীসকল আৰু আৰক্ষী দিনে নিশাই কাম কৰি আছে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জৰিয়তে ৰিহন দৈমাৰী ডাঙৰীয়াই চেনিটাইজ কৰি আছে, ট্ৰেন্সপোৰ্ট বিভাগে এখন জিলাৰ পৰা আন এখন জিলালৈ ২ লাখ ২৮ হাজাৰ মানুহ ট্ৰেন্সপোৰ্টেশ্যন কৰিলো। তাৰ ওপৰিও অসমৰ বাহিৰৰ পৰা অহা মানুহখিনি আছে । তাৰ ওপৰিও অধ্যক্ষ মহোদয় essential Goods ৰ ক্ষেত্ৰত পৰিবহন বিভাগে এতিয়ালৈ ১৪০০ খন গুডছ ট্ৰেইন আনলোড কৰিছে। ১ লাখ ৩৪ হাজাৰ ট্ৰাক ৰ যোগেদি অসমৰ জিলাসমূহৰ মাজত অত্যাবশ্যকীয় সামগ্ৰী সৰবৰাহ হৈছে। ১ লাখ ৪০ হাজাৰ শ্ৰমিক ইয়াত জৰিত হৈছে। ঠিক তেনেদৰে এগ্ৰিকালচাৰ ক্ষেত্ৰত হৈছে, টিম আছাম হিচাপে আমি সকলোৱে সদস্য। গতিকে টিম আছামৰ সদস্য হিচাপে আমাৰ ৰাজ্যখন আগুৱাই লৈ যাবৰ কাৰনে আমি চেষ্টা কৰিছো। কিমানধৰনৰ সমস্যা আমাৰ আহিছে- ক'ভিড আহিছে, বানপানী আৰু গড়াখহনীয়া আহিছে, ভূমিস্খলন হৈছে, বাঘজানৰ অইলখাদত জুঁই জ্বলিছে- অধ্যক্ষ ডাঙৰীয়া এই গোটেই সমস্যাখিনি আমাৰ চৰকাৰে সন্মূখীন হৈছে। তাত আপোনালোকে সহযোগ কৰিছে, সাংবাদিক বন্ধুসকলে , অসমৰ ৰাইজে সহযোগ কৰিছে, স্বাস্থ্য বিভাগৰ ডাক্তৰ- নাৰ্চ- পেৰা মেডিকেল ষ্টাফ- আশাকৰ্মী দিনে- নিশাই কাম কৰি আছে। অধ্যক্ষ মহোদয়, এই গোটেই বিষয়টো আলোচনা হওক। আলোচনা কৰাত আমাৰ আপত্তি নাই। চৰকাৰৰ হৈ স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই যি উত্তৰ দিব লাগে দিব। প্ৰকৃততে আমি উত্তৰ দিবলগীয়া নাই

কাৰণ আপোনালোকে নিজে দেখি আছে। তথাপিও আপোনালোকে আলোচনা হোৱাটো বিচাৰিছে, আলোচনা হওক কিন্তু মই ভাবো যে Adjournment Motion নহয়, অন্য ডিভাইচত আপোনালোকে আনক। স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই মোক কৈছে - যিখিনি উত্তৰ লাগে আমি দিম আপত্তি নাই। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াইও আজি ৰাতিপুৱা মোক জনাইছে যে আমি উত্তৰ দিবলৈ প্ৰস্তুত আছো। ৰাইজে জানক , বিধায়কসকলে জানক আমি কি কৰিছো। গতিকে আপোনালোকে Adjournment Motion ত নহয় আন এটা ডিভাইচত মেটাৰটো আনক, আলোচনা কৰাত আমাৰ আপত্তি নাই।

**মাননীয় অধ্যক্ষ ঃ** আমি admissiblity টোৰ ওপৰত আলোচনা কৰিছো । মন্ত্ৰী ডাঙৰীয়া admissiblity ৰ ওপৰত কৈছে। মই দুয়োটা পক্ষৰে কথাখিনি শুনিছো। আমাৰ দুটা নোটিছ আহিছে প্ৰায় একেধৰনৰ সেই কাৰনে ক্লাৰ কৰিছো। এটা কংগ্ৰেছ বিধায়িনী দলৰ আনটো এ আই ইউ ডি এফ বিধায়িনী দলৰ। দুয়োটা দলে কৈ ছে The matter is definitely urgent- public interest আছে। সেই কাৰণে বিষয়টো স্পৰ্শকাতৰতাৰ প্ৰতি লক্ষ্য ৰাখি আপোনালোকে আলোচনা কৰিব বিচাৰিছে। এইটোৱে মূল কথা। ইয়াত মন্ত্ৰী ডাঙৰীয়াই কৈছে যে nature of emergency টো examine কৰিব লাগে। reasonable opportunity is there to discussion any other devices. আৰু আপুনি কৈছে যে, বিষয়টো আলোচনাৰ প্ৰতি আমি আগ্ৰহী কিন্তু adjournment motion ৰ বিষয় হ'ব নালাগে। এইটো আপোনালোকৰ যুক্তি । যিহেতু আপুনি কৈছে এইটো adjournment হ'ব নোৱাৰে। এই কথাটো আমি এনেদৰে বিচাৰ কৰি চাব লাগিব যে আমি এইবিষয়টো এডমিট কৰিম নে নকৰিম । এই সম্পৰ্কত মই ক'লেন চাৰ্টাৰৰ এটা পেৰা গাই দিব বিচাৰিছো । মাভালাংকাৰ যেতিয়া স্পীকাৰ আছিল- তেখেতৰ ১৯৫০ চনৰ ৰুলিংটো এতিয়াও আনি আছে , কোনো change কৰা নাই। ১৯৫৯ ৰ 7th Adition. ইয়াত কৈছে যে The crucial case always is to whether the question proposed to be raised as arisen suddently and created an emergency question of such a character then there is a primafaci case of urgency and House was therefor leave accert all other business and take up the consideration of the urgent matter .

তাৰ মানে ইয়াৰ অৰ্থটো আমি বুজিছো যে ঘটনাটো ইয়াত উত্থাপন হ'ব লাগিব। আৰু এটা ইৰ্মাজেন্সি চিটুৰেশ্যন ক্ৰিয়েট কৰিব লাগিব । আমি যোৱা বাৰ ক'ভিডৰ বাবে হাউচ কমাব লগা হৈছে । এতিয়াও ক'ভিড চলিয়ে আছে । হয় এইটো international matter হৈছে। কিন্তু আজি হোৱা নাই, suddently হোৱা নাই। ইৰ্মাজেন্সি চিটুৰেশ্যন আমি লক্ষ্য কৰি আছো । গতিকে এনেকুৱা আৰ্জেন্সি নহয় যে আমি সকলো কথা বাদ দি এইটোত আগবাঢ়িব লাগিব। এইটো মুল কথা- এইটো প্ৰাইমা ফেচি কেচ। ক্ৰুচিয়েল কেচ হ'লেহে এডজৰ্নমেন্ট মোশ্যনত আহিব। সেই কাৰনে মই সদায় কৈ আছো এডজৰ্নমেন্ট মোশ্যনত অনাৰ আগতে বিষয়টো চালে ভাল। সেই কাৰণে মই ক'ব বিচাৰিছো যে a matter continuing for some time can not be raised an adjournment motion. এই কথাখিনি মই কিতাপৰ পৰাই কৈছো কিন্তু গোটেইখিনি মই পঢ়া নাই। বিষয়টোৰ স্পৰ্শকাতৰতাৰ প্ৰতি লক্ষ্য ৰাখি আলোচনা হোৱাটো প্ৰয়োজন বুলি আপুনি কৈছে। কিন্তু অন্য ডিভাইচত আনক , এইটো মই এগ্ৰি কৰো। আমাৰ সময় কম- ৪ দিন। গতিকে আপোনালোকে যদি বিচাৰে ৰুল-৫২ত ডিচকাশ্যন আনক । ক'ত কি হৈ আছে

আলোচনা কৰক। এ আই ইউ ডি এফে যদি বিচাৰে এই তিনিটা দিনৰ কোনোৱা এটা দিনৰ পিছবেলা আমি ল'ব পাৰো - বিধায়কসকলোৱে ক'ব, মন্ত্ৰীসকলেও ক'ব- এটা ক্লিয়েৰ পিকচাৰ ৰাজ্যলৈ যোৱাটো ভাল। এই তিনিটা কাৰণত মই আপোনালোকৰ এডজৰ্নমেন্ট মোশ্যনটো ডিচ এলাও কৰিছো।

**শ্ৰীদেবব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** চাৰ, প্ৰকৃততে তীব্ৰতা আছে । মন্ত্ৰী মহোদয়ে কৈছে -যে জুন মাহৰ পিছত আমি বানপানীৰ কথা চিন্তা কৰিম। মাৰ্চ মাহৰ পৰা জুন মাহৰ ভিতৰত শেষ হ'ব। কিন্তু যোৱা ১৫ দিনত যথেষ্ট বাঢ়ি গৈছে বুলি স্বাস্থ্য মন্ত্ৰীয়ে কৈছে । এইটো ইৰ্মাজেন্সি হয়েই ছাৰ।

------ সদনত হুলস্থুল------

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** urgent situation সৃষ্টি হৈছে অধ্যক্ষ মহোদয়। আচল কথাটো ক'ভিড চিকিৎসা বিনামূলীয়া নহয় ছাৰ। এই ডিভাইচতে আলোচনা কৰিবলৈ সুবিধা দিব লাগে ছাৰ। আমি চৰকাৰক সমালোচনা কৰা বুলি ভাবিব নালাগে। The matter is very urgent.

**শ্ৰীৰাজেদ আলি চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** ক'ভিড চিকিৎসা কি আৰ্জেন্ট নহয় নেকি চাৰ? আমাক আলোচনা কৰাৰ বাবে ইয়াতে সুবিধা দিয়ক। যিহেতু বাজেটত ডিচকাশ্যন বন্ধ কৰি দিয়া হৈছিল।

----সদনত তীব্ৰ হুলস্থুল----

**শ্ৰীৰাজেদ আলি চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** চাৰ, যিহেতু আমাক আলোচনা কৰিব দিয়া নাই গতিকে ইয়াৰ প্ৰতিবাদ জনাই আমি আজি এই মুহুৰ্ত্তত সদন ত্যাগ কৰিলো।

(কংগ্ৰছ দলে প্ৰতিবাদ জনাই সদনৰ ভিতৰত বেনাৰ প্ৰদৰ্শন কৰে আৰু কিছুসময়ৰ পিচত সদন ত্যাগ কৰে)

( হুলস্থূলৰ মাজতে মাননীয় অধ্যক্ষই সদনৰ পৰৱৰ্ত্তী কাৰ্য্যসূচী আগবঢ়াই নিয়ে।)

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ পিছতে আছে ঘোষণাৰ আইটেম নম্বৰ -৩ অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৯ এ অধীনত চৰ্তুদহ অসম বিধান সভাৰ কাৰ্য্য আৰু প্ৰক্ৰিয়াৰ পৰিচালনা কৰিবৰ বাবে নিমোন্নলিখিত মাননীয় সদস্য কেইগৰাকীক সদন পৰিচালনাৰ বাবে মনোনিত কৰা হৈছে-

শ্ৰীশুকুৰ আলী আহমেদ, শ্ৰীপদ্ম হাজৰিকা, শ্ৰীচৰণ বড়ো, ডঃৰফিকুল ইছলাম। এতিয়া আন্ডাৰ ৰুল -৫৪ শ্ৰীমতী নন্দিতা দাস- ।

**শ্ৰীমতী নন্দিতা দাস (বকো) ঃ** 'ৰাজ্যত এনৰেগাৰ ২৫শতাংশও সম্পূৰ্ণ হোৱা নাই কাম, এই বিষয়টোৰ ওপৰত মোক দুআষাৰ ক'বলৈ দিয়াৰ কাৰণে পবিত্ৰ সদনত মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যক্ষ মহোদয়, 'পঞ্চায়ত-গ্ৰামোন্নয়নৰ আয়ুক্তৰ পত্ৰই উদঙালে স্বৰূপ ৰাজ্যত এনৰেগাৰ ২৫শতাংশও সম্পূৰ্ণ হোৱা নাই কাম'। সংঘটিত হৈছে ব্যাপক দুৰ্নীতি ঃ প্ৰতিখন জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়ালৈ আয়ুক্তৰ জৰুৰী পত্ৰ ঃ ১৪ আগষ্টৰ ভিতৰত তদন্ত কৰি প্ৰতিবেদন দাখিলৰ নিৰ্দেশ। এই নিৰ্দেশনা দিছিল পঞ্চায়ত-গ্ৰামোন্নয়ন বিভাগৰ আয়ুক্ত হেমেন দাস ডাঙৰীয়াই ৪ আগষ্ট তাৰিখে। এই নিৰ্দেশনাৰ জৰিয়তে তেওঁ প্ৰতিখন জিলাৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু ডি আৰ ডি এৰ পৰা কিছু তথ্য বিচাৰিছে আৰু যিখিনি তেওঁ তথ্য পাইছে সেই তথ্যখিনিত আয়ুক্ত গৰাকীয়ে নিজে পঞ্চায়তৰ ক্ষেত্ৰত সন্তুষ্ট নহয় আৰু আঁচনিবোৰৰ যি ধৰণে কাম আগবাঢ়িব

লাগিছিল, উন্নত হ'ব লাগিছিল এইক্ষেত্রত অতি পুতৌ লগা অৱস্থা বুলি তেওঁ নিজেই স্বীকাৰ কৰিছে। এই বিষয়টোৰে পঞ্চায়তত দুৰ্নীতি লগতে পঞ্চায়তৰ যিখিনি কাম কাজত অৱহেলা বিষয়া সকলৰ যিটো তেওঁলোকৰ দায়িত্ব সেইটো তেওঁলোকে পালন কৰাত ব্যৰ্থ, এই সকলোখিনি কথা এই চিঠি খনৰ জৰিয়তে প্ৰকাশ পাইছে। দুই-তিনিষাৰ আছে মই পঢ়ি দিব বিচাৰিছো 'কোৰোণা মহামাৰীৰ বাবে বহিঃৰাজ্যৰ পৰা উভতি অহা লক্ষ লক্ষ শ্ৰমিকক এম জি এনৰেগা আঁচনিৰ অধীনত কাম কৰাৰ সুবিধা কৰি দিয়া হ'ব বুলি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰতিশ্ৰুতি দিলেও মুখ্যমন্ত্ৰী গৰাকীৰ তেনে প্ৰতিশ্ৰুতি যে বাস্তৱায়িত নহয় সেই কথা বিভাগীয় তথ্যতে স্পষ্ট হৈ পৰিছে। ৰাজ্যৰ প্ৰতিখন পঞ্চায়ত এলেকাত স্থানীয় নিবনুৱা যুৱক-যুৱতীৰ দ্বাৰা উন্নয়নমূলক কাম কৰাৰ সুবিধা থকা কেন্দ্ৰীয় চৰকাৰৰ এম জি এনৰেগা আঁচনিখনৰ ৰূপায়ণৰ ফোঁপোলা স্বৰূপ উদঙাই দিছে অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ খোদ আয়ুক্তগৰাকীয়ে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আয়ুক্ত হেমেন দাসে যোৱা ৪ আগষ্টত ৰাজ্যত প্ৰতিখন জিলাৰ জিলা পৰিষদৰ মুখ্যকাৰ্যবাহী বিষয়া আৰু ডি আৰ ডি এৰ প্ৰকল্প সঞ্চালকলৈ লিখা এক জৰুৰী পত্ৰত (নং চি পি আৰ ডি/এম জি এনৰেগা/ ৫৫-২০২০-০১) এই বুলি উল্লেখ কৰিছে যে শেহতীয়াকৈ জিলাসমূহৰ পৰা লাভ কৰা তথ্য অনুসৰি ৰাজ্যৰ প্ৰতিখন জিলাতে এম জি এনৰেগা আঁচনিৰ ৰূপায়ণ অতিকৈ পুতৌলগা। কোনো এখন জিলাতে আঁচনিখনৰ ২৫ শতাংশ কামো সম্পূৰ্ণ হোৱা নাই। আঁচনিখনৰ যি সামান্য কাম হৈছে, সেইখিনি কামতো ব্যাপক অনিয়ম, দুৰ্নীতি হৈছে। উলংঘা কৰা হৈছে কেন্দ্ৰীয় আঁচনিখনৰ গাইড-লাইন। জিলাই জিলাই এক্ৰেডিটিড ইঞ্জিনীয়াৰ আৰু জুনিয়ৰ ইঞ্জিনীয়াৰ সকলে এনৰেগাৰ অধীনত যিবোৰ আঁচনি হাতত লৈছে সেই আঁচনিসমূহৰ প্ৰাক্কলনো জধে-মধে প্ৰস্তুত কৰা হৈছে। ৫০ হেজাৰ টকাত নিৰ্মাণ কৰা কালভাৰ্টত ধাৰ্য কৰা হৈছে ১ লাখ ২০ হেজাৰ টকা। জিলাই জিলাই এম জি এনৰেগাৰ যিখিনি কাম কৰা বুলি দেখুওৱা হৈছে, তাৰো উপযুক্ত তথ্য-প্ৰমাণ মজুত নাই প্ৰতিখন উন্নয়ন খণ্ড আৰু গাঁও পঞ্চায়তত। এই চিঠিখনে কিন্তু গোটেই পঞ্চায়ত বিভাগটোত যে এটা অনিয়ম, দুৰ্নীতি, কাম-কাজৰ প্ৰতি বিভাগৰ অনিহা এই সকলোখিনি কথা প্ৰকাশ পাইছে। সেই কাৰণে উপাধ্যক্ষ মহোদয়, মই কব বিচাৰিছো যিখন চৰকাৰে গ্ৰামোন্নয়নৰ কথা কৈ আছে, আদৰ্শ গাওঁ, আদৰ্শ পঞ্চায়ত কৰাৰ কাৰণে বিভিন্ন ধৰণৰ আঁচনিৰ কথা কৈ আছে, কিন্তু সেই চৰকাৰৰ দিনত আজি পঞ্চায়তৰ নিচিনা এটা গুৰুত্বপূৰ্ণ বিভাগ যিটোত মহামানৰ মহাত্মা গান্ধীৰ সপোন আছিল গ্ৰাম্য স্বৰাজ, তেওঁ কৈছিল যে ২০ জন মানুহ কেন্দ্ৰত বহি গাঁৱৰ উন্নতি কৰিব নোৱাৰে, ক্ষমতাৰ বিকেন্দ্ৰীকৰণ হ'ব লাগিব। ৰাইজৰ উন্নয়নৰ কাৰণে, গ্ৰামোন্নয়ণৰ কাৰণে ৰাইজে গাঁৱৰ উন্নয়নৰ আঁচনি নিজেই ধৰিব লাগিব আৰু ৰাইজৰ দ্বাৰা আঁচনি প্ৰস্তুত হৈ ৰাইজে উন্নয়নৰ কাম গাঁও অঞ্চলত হাতত ল'ব লাগিব। এই মহামানৰ মহাত্মা গান্ধীৰ সপোনক বাস্তৱ ৰূপ দিছিল প্ৰয়াত প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধী ডাঙৰীয়াই পঞ্চায়তীৰাজ আইন আনি। গাঁৱৰ উন্নয়নৰ কাৰণে আমাৰ বাত সুগম কৰি দিছিল। কিন্তু আজি আমি দেখিব পাইছো যে এনৰেগাৰ ক্ষেত্ৰত বিশেষকৈ যিখিনি কাম হ'ব লাগিছিল আজি হোৱা নাই, যি চৰকাৰী তথ্য, চৰকাৰী বিষয়াৰ চিঠিয়ে ইয়াক উদঙাই দিছে। আমি দেখিছো যে এনৰেগাৰ ক্ষেত্ৰত যিখিনি আঁচনি প্ৰস্তুত কৰা হয়, GPDP প্ৰস্তুত কৰা হয়। আমাৰ গাঁও আমাৰ আঁচনি লৈ, গাঁৱৰ মানুহে বহি আঁচনি প্ৰস্তুত কৰে আৰু সেই আঁচনিখিনি priority list হৈ পঞ্চায়তৰ জৰিয়তে বিডিঅ' লৈকে যায়, বিডিঅ' ৰ পৰা কম্পিউটাৰত যিটো ইনটাৰনেট ব্যৱস্থা আছে তাতে সেই আঁচনিবোৰ অন্তৰ্ভূক্ত হয়, তাৰ পিছত পি ডি অফিচলৈ যায়। আমি যিখিনি জানো যে টেক্‌নিকেল sanction যিটো আছে সেই sanctionটোৰ কাৰণে এক্সট্ৰা ডি চি য়ে

নিজাকৈ চিঠি লিখিব নালাগে, নিজাকৈ কোনো অৰ্ডাৰ ইচ্ছু কৰিব নালাগে, বিডিঅ’ ৰ পৰা যিখিনি priority listহৈ চি ই অ’ অফিচলৈ যাব সেইটো অটোমেটিকেলি sanction হয়। তাৰ কাৰণে এক্সট্ৰাকৈ কোনো অৰ্ডাৰ দিব নালাগে। এইটো আমি শুনিছোঁ। আমি গাইড-লাইনত এইখিনি পাইছোঁ। কিন্তু আমি দেখিছোঁ যে এই টেক্‌নিকেল sanctionৰ নামত ব্যাপক দুৰ্নীতি হৈ আছে আৰু এই টেক্‌নিকেল sanctionৰ নামত কিছুমানে পঞ্চায়তে য’ত নেকি ব্ৰ’কাৰ লেনডেন হৈছে সেইবিলাকত কাম হৈছে আৰু কিছুমান পঞ্চায়তত কোনো পঞ্চায়ত প্ৰতিনিধিয়ে হওঁক বা কোনোবা নাগৰিকেই হওঁক যদি পইচা দিব পৰা নাই সেইবোৰত টেক্‌নিকেল sanction হোৱা নাই। যাৰ ফলত কিছুমান পঞ্চায়তে কাম পাইছে আৰু কিছুমান পঞ্চায়তে কাম পোৱা নাই। এইটো এটা অনিয়ম কিয় চলি আছে? যিটো মহা মানৱ মহাত্মা গান্ধীৰ সপোন আছিল গ্ৰাম্য উন্নয়ন, গ্ৰাম্য স্বৰাজ এই কথাবিলাক কৈছিল কিন্তু আজি দুৰ্নীতিৰ ফলত কিছুমান তথাকথিত বিষয়া দুৰ্নীতি পৰায়ণ বিষয়াৰ কাৰণে আজি প্ৰত্যেকখন পঞ্চায়তে সমভাৱে ফাণ্ড নাপায়। কৰোবাত যদি বিষয়াৰ লগত বুজা-বুজি হৈছে তেতিয়াহ’লে তাত sanction হৈছে, তাতে টেক্‌নিকেল sanctionও হৈছে , তাতে ফাণ্ড পাইছে। আমি যেতিয়া পঞ্চায়তে পঞ্চায়তে তথ্যবোৰ বিচাৰো যে আজি এইখন পঞ্চায়তে কম পইচা কিয় পালে এইখন পঞ্চায়তে বেছি পইচা কিয় পালে ইয়াৰ কোনো উত্তৰ বিষয়া সকলে দিব নোৱাৰে। আমি বিচাৰো যে প্ৰত্যেক পঞ্চায়তত সম বিতৰণ হ’ব লাগে। যি ধৰণে 14th Financeৰ পইচা এটা পদ্ধতিগত ভাৱে বিতৰণ হয় জনসংখ্যাৰ ভিত্তিত বিতৰণ হয় ঠিক তেনেদৰে এনৰেগাৰ পইচাও সেই ধৰণেই কিন্তু বিতাৰণ হ’ব লাগিছিল। কিন্তু আজি এনৰেগাৰ ক্ষেত্ৰত সেইটো হৈ উঠা নাই। সেই কাৰণে উপাধ্যক্ষ মহোদয়, আপোনাক অনুৰোধ কৰিছোঁ, মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ, কিছুমান দুৰ্নীতি গ্ৰস্ত বিষয়াৰ কাৰণে আজি এনৰেগাৰ কাম ২৫ শতাংশ চৰকাৰে কৰিব সক্ষম হোৱা নাই ব্যৰ্থ হৈছে। আমি বিষয়া সকলৰ বিষয়ে কেতিয়াবা অভিযোগ আনো Block Level Vigilance and Monitoring Committee ক আমি কোনোৱাই জি আৰ এচ ৰ বিৰুদ্ধে জে ই, Accredited Engineer ৰ বিৰুদ্ধে তেওঁলোকে দুৰ্নীতি কৰাৰ প্ৰমাণ পোৱাৰ পিছত আমি প্ৰস্তাৱ দিওঁ কিন্তু এই Block Level Vigilance and Monitoring Committee ৰ প্ৰস্তাৱ জিলা পৰিষদত পৰি থাকে, কোনো এক্‌চন নহয়। আমি কৈছো যে এই জি আৰ এচ, এ ই, জে ই এইবোৰক সময়ে সময়ে বদলিকৰণ কৰিব লাগে, ৰোটেচন কৰিব লাগে, এখন পঞ্চায়তৰ পৰা আন এখন পঞ্চায়তত তেওঁলোকক পঠিয়াব লাগে কাৰণ তেওঁলোকে একেলেঠাৰিয়ে বহুত দিনলৈ একে ঠাইতে থাকিলে তেওঁলোকে এটা nexus তৈয়াৰ কৰে, তেওঁলোকৰ বিষয়াৰ লগত এটা বুজাবুজি তৈয়াৰ কৰে যাৰ ফলত কেৱল sanctionত তেওঁলোকে গুৰুত্ব দিয়ে কিন্তু ইম্‌প্লিমেন্টৰ ক্ষেত্ৰত কিন্তু দুৰ্বল, ব্যৰ্থ। এই কথা বিলাক আমি কৈছো কিন্তু আমি যিখিনি জানিছো যে কমিচনাৰ লেভেলত ট্ৰেন্সফাৰ পোষ্টিং বিলাক লোৱাৰ ফলত আজি বি ডি অ’ ও একো কৰিব নোৱাৰে পি ডি অ’ ও একো কৰিব নোৱাৰে। সেই কাৰণে মই ভাৱো এই যিটো ব্যৱস্থা আছে ট্ৰেন্সফাৰ পোষ্টিংৰ ক্ষেত্ৰত কিছু সিঠিল হ’ব লাগে, চি অ’ লেভেলতে হওঁক বা বি ডি অ’ লেভেলতে হওঁক যদি কোনোৱা পঞ্চায়তৰ সভাপতিয়ে কথা নুশুনে, যদি কোনোবা পঞ্চায়ত চেক্ৰেটাৰীয়ে সঠিক ভাৱে কাম নকৰে তাৰ ব্যৱস্থা আজি বিডিঅ’ ই ল’ব পাৰিব লাগিব, তাৰ ব্যৱস্থা আজি চি ই অ’ ই ল’ব পাৰিব লাগিব। কিন্তু এইখিনি হৈ উঠা নাই। আমি যিবোৰ প্ৰস্তাৱ দিছো Block Level Vigilance and Monitoring Committee ক সেইবোৰ গ্ৰহণ কৰা হোৱা নাই। মই নিজে মন্ত্ৰী মহোদয়ক চিঠি দিছো, মই লিখিছো, আমাৰ এজন বিষয়া আছে মই নাম

কৰলৈ সংকোচ নকৰো বলেন কলিতা বুলি এজন বিষয়া আছে, কামৰূপ ডিআৰডিএ ত। তেওঁ পইচা নহলে কোনো আঁচনি sanction নকৰে। তেওঁৰ ওচৰত মানুহ আহিব লাগিব whereas NREGA ৰ যিটো পদ্ধতি টেকনিকেল sanctionৰ কাৰণে কোনো মানুহ কতো যাব নালাগে, অটোমেটিক আঁচনি প্ৰায়ৰেটি বেচিচত systemত সোমোৱাৰ পিছত চেনচন হয়, কিন্তু টেকনিকেল sanctionৰ কাৰণে তেওঁৰ ওচৰত মানুহে ৰিকুেৰেষ্ট কৰিব লাগিব তেওঁক ধনৰ টোপোলা দিব লাগিব। সেইজন বিষয়াক বদলিকৰণ কৰিবৰ কাৰণে মই দুই তিনিবাৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। কিন্তু নাজানো কি কাৰণে এক্সন নহ'ল।

**মাননীয় উপাধ্যক্ষ ঃ** Try to conclude.

**শ্ৰীমতী নন্দিতা দাস (বকো) ঃ** কি কাৰণে এক্সন নলয় সেই ক্ষেত্ৰত আমাৰ অলপ সন্দেহ হৈছে। আমি বিধায়িকা হিচাপে যদি সঠিক ভাৱে তথ্য সহকাৰে অভিযোগ আনিছো তাৰ ওপৰতো এক্সন নলয়, সেই কাৰণে আমি ক'ব বিচাৰো যে এইখন আচলতে দুৰ্নীতিক প্ৰশ্ৰয় দিয়া চৰকাৰ। যাৰ কাৰণে আজি বিধায়ক এজনেও যদি অভিযোগ আনে তাৰ পিছতো ব্যৱস্থা গ্ৰহণ নহয়। ইয়াৰ পিছত ক'ব বিচাৰিছো14th Financeৰ ক্ষেত্ৰত কিছুমান গাইড লাইন ধৰি দিছে, ১০ শতাংশ চেনিটাইজেচন, মাক্সৰ কথা কৈছে, 14th Financeৰ যিটো ফাণ্ড তাত চেনিটাইজেচন কৰাৰ কথা কৈছে, মাক্সৰ কথা কৈছে। এই মাক্স তৈয়াৰীৰ ক্ষেত্ৰটো দুৰ্নীতি হৈছে। আপোনালোকে চাওঁক এখন মাক্স এনেধৰণৰ এখন দুৰ্বল মাক্স কিমান পইচা যাব! বৰ বেছি ১০ টকা বা ৭ টকা। কিন্তু ২৫ টকাকৈ এখন মাক্স আজি তেওঁলোকে ক্ৰয় বিক্ৰয় কৰাৰ এটা ব্যৱস্থা কৰি লৈছে। ঠিক তেনেদৰে চেনিটাইজেচনৰ ক্ষেত্ৰত কোনো লিমিট নাই, ক'ত কি চেনিটাইজেচন হৈছে, লাখ লাখ টকা পঞ্চায়তত চেনিটাইজেচনৰ নামত ধাৰ্য কৰা হৈছে। ইয়াৰ কোনো তথ্য নাই, কোনো প্ৰমাণ নাই। যাৰ যি খুচি তাকে কৰি আছে।

**মাননীয় উপাধ্যক্ষ ঃ** অলপ চুটি কৰক।

**শ্ৰীমতী নন্দিতা দাস (বকো) ঃ** উপাধ্যক্ষ মহোদয়, বেছি দীঘলিয়া নকৰো মই নিজেই চৰ্ট কৰি আহিছো। সেই কাৰণে অনুৰোধ থাকিল যে আমি যিখিনি কথা কৈছো আমি তথ্যৰ ওপৰত কৈছো, আজি অসমত যদি ২৫ শতাংশ কাম হোৱা নাই, প্ৰত্যেক জিলা পৰিষদ অফিচত এটা তদন্ত কৰি সঠিক তথ্য লওঁক। কাৰণ মহা মানৱ মহাত্মা গান্ধীৰ যিটো সপোন সেইটো বাস্তৱিক ৰূপ দিবই লাগিব। আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে বাহিৰৰ পৰা যি সকল মানুহ, যি সকল নিবনুৱা লৰা-ছোৱালী ঘুৰি আহিছে তেওঁলোকক এনৰেগাৰ জৰিয়তে সংস্থাপন দিয়াৰ কথা কৈছে, কিন্তু বাস্তৱত আমি ইয়াত বহুত কেইটা আঁচনি পালো যে এনৰেগাৰ জৰিয়তে, জৱকাৰ্ড নথকা শ্ৰমিকক নতুন জৱ কাৰ্ড দিয়া হ'ব, ১০০ দিনৰ কৰ্ম সংস্থাপন দিয়া হ'ব, এম জি এনৰেগাৰ গাইড-লাইন অনুসৰি কিছু সংখ্যক শ্ৰমিকলৈ আৰডিএচৰ যোগেদি ব্যক্তিগত সম্পদ দিয়াৰ ব্যৱস্থা কৰা হ'ব, 14th Finance Commision Grantৰ জৰিয়তেও কৈছে যে এই আঁচনিৰ অধীনত চলি থকা কৌশলী তথা অৰ্ধকৌশলী কামত প্ৰৱজিত শ্ৰমিক সকলক নিয়োগ কৰা, পি এফ এ ৱাই ৰাজমিস্ত্ৰী ৰুৰেল মিছন হিচাপে নিয়োগ কৰা, এই কথাবোৰ কিন্তু আমি পাইছো। কিন্তু উপাধ্যক্ষ মহোদয়, এইবোৰ বাস্তৱত হোৱা নাই। আমি পাইছো, কাগজে-কলমে আছে থিকে, কিন্তু বাস্তৱত যদি আপোনালোকে চাই কিন্তু কোনো পঞ্চায়তত, মই দাঠি কব পাৰো মোৰ দুটা ব্ল'ক আছে, বকো ডেভ'লপমেন্ট ব্ল'ক আৰু চমৰীয়া ডেভ'লপমেন্ট ব্ল'ক এই দুটা ব্ল'কত কোনো বাহিৰৰ পৰা ঘুৰি অহা শ্ৰমিকে এই এনৰেগাৰ জৰিয়তে কোনো সংস্থাপন পোৱা নাই। সেই কাৰণে কথা কেৱল প্ৰচাৰৰ কাৰণে কলে

নহ'ব প্ৰকৃততে যিটো নিবনুৱা সমস্যাই গা কৰি উঠিছে, প্ৰবহিত শ্ৰমিকৰ পৰা যিটো সমস্যা আমাৰ সৃষ্টি হৈছে সেই সমস্যা দূৰ কৰিবলৈ হ'লে আমি এনৰেগাৰ জৰিয়তে যিখিনি কৰিব পৰা সক্ষমতা আছে যিখিনি ব্যৱস্থা আছে এই ব্যৱস্থা কিন্তু চৰকাৰে বাস্তৱত গ্ৰহণ কৰিব লাগিব। এই খিনি কৈয়ে মই উপাধ্যক্ষ মহোদয় ধন্যবাদ জনাইছো, যিহেতু মুখ্যমন্ত্ৰী ডাঙৰীয়াও আছে আমাৰ উদ্দেশ্য সমালোচনা কৰা নহয়, আমাৰ উদ্দেশ্য হৈছে গঠনমূলক। আমি বিচাৰো যে এনৰেগাৰ জৰিয়তে কাম-কাজ গাঁৱৰ উন্নয়ন হ'ব লাগে, কাম-কাজ বোৰ ভাল হ'ব লাগে এইখিনি কামনা কৰি আজি এইখিনি বক্তব্য দাঙি ধৰিলো। ধন্যবাদ উপাধ্যক্ষ মহোদয়।

**माननीय উপাধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী নৱ কুমাৰ দলে (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী) ঃ** माननीय উপাধ্যক্ষ মহোদয়, माननीय বিধায়িকা শ্ৰীমতী নন্দিতা দাস ডাঙৰীয়ানীয়ে যোৱা ২০২০ চনৰ ১১ আগষ্ট তাৰিখে 'অসমীয়া প্ৰতিদিন' কাকতত প্ৰকাশিত ৰাজ্যত এনৰেগাৰ ২৫ শতাংশও সম্পূৰ্ণ হোৱা নাই কাম বিষয়টো দৃষ্টিগোচৰ কৰাইছে। माननीय বিধায়িকাই উল্লেখ কৰা বাতৰিটোত কোৱা হৈছে যে ৰাজ্যত এনৰেগাৰ ২৫ শতাংশও কাম সম্পূৰ্ণ হোৱা নাই। এই বাতৰিটো প্ৰকৃত তথ্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। চলিত বিত্তীয় বৰ্ষত আমাৰ ৰাজ্যখনৰ বাবে মহাত্মা গান্ধী এনৰেগা আঁচনিত ৬৫০ লাখ কৰ্মদিন লক্ষ্য ধাৰ্য কৰা হৈছে। ইয়াৰ বিপৰীতে চলিত বিত্তীয় বৰ্ষত ২১৭ লাখতকৈ অধিক কৰ্মদিন সৃষ্টি কৰা হৈছে। এইয়া ধাৰ্য বাজেটৰ ৩৩.৪৫ শতাংশ। বৰ্তমানলৈ প্ৰায় ১১ লাখ পৰিয়ালে কৰ্মসংস্থাপন লাভ কৰিছে। ইয়াৰে ৪৬৬ কোটি টকা পোনপটীয়াকৈ শ্ৰমিকৰ বেংক একাউন্টত জমা হৈছে। চলিত বিত্তীয় বৰ্ষত প্ৰথম দুমাহ সম্পূৰ্ণ লকডাউন আৰু প্ৰায় দুমাহ বানপানীৰ দুৰ্যোগৰ মাজতো এই অগ্ৰগতি নিশ্চয় তাৎপৰ্যপূৰ্ণ। কোভিড-১৯ মহামাৰীৰ বাবে দিয়া লকডাউন শিথিল কৰাৰ পৰৱৰ্তী চাৰিমাহৰ ভিতৰত ১,৪০৮ টা পৰিয়ালে ১০০ দিনৰ কৰ্মসংস্থাপন পাইছে। এই সময়ছোৱাত ৰাজ্যখনত ৫০৪৫৪ টা কাম সম্পূৰ্ণ কৰা হৈছে। কোভিড-১৯ মহামাৰীৰ এই দুৰ্যোগৰ সময়ত ১,৩৩০০০ পৰিয়ালক নতুনকৈ জবকাৰ্ড দিয়া হৈছে। জিলা সমূহৰ পৰা পোৱা তথ্য অনুসৰি ইয়াৰ ভিতৰত ৩৩,৭১৭ তকৈও অধিক সংখ্যক পৰিয়ালেই বহিঃৰাজ্যৰ পৰা অহা শ্ৰমিকৰ। আনহাতে জিলাসমূহৰ পৰা পোৱা তথ্য অনুসৰি এতিয়ালৈ ১১ হাজাৰতকৈ ও অধিক শ্ৰমিকে এম জি এনৰেগাৰ অধীনত কাম কৰিছে। প্ৰায় দুই হাজাৰ গৰাকী বহিঃৰাজ্যৰ পৰা উভতি অহা ৰাজমিস্ত্ৰীক পি মে এ ৱাই জিৰ আৱাস গৃহ নিৰ্মাণত জড়িত কৰোৱা হৈছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে কৰ্মহীন হৈ নিজ গাঁৱলৈ উভতি অহা লোকসকলক সুবিধাজনক কৰ্মসংস্থাপন দিয়াৰ বাবে বিভাগে ইতিমধ্যে 'সম্পৰ্ক' নামেৰে এটা ছফ্টৱেৰ প্ৰস্তুত কৰিছে। এই চফ্টৱেৰৰ জৰিয়তে এতিয়ালৈ ৬৪,৮৩২ গৰাকী লোকৰ তথ্য আহৰণ কৰা হৈছে। এই প্ৰক্ৰিয়া তৰান্বিত কৰিবলৈ এটা সুকীয়া পৰ্টেলৰ ব্যৱস্থা কৰা হৈছে। এই ব্যৱস্থাৰ জৰিয়তে প্ৰব্ৰজিত লোকসকলে নিজৰ তথ্য এই পৰ্টেলৰ যোগে আপলোড কৰিব পাৰিব। এনে লোকে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিভিন্ন আঁচনিৰ সুবিধা লাভ কৰাৰ উপৰিও কৌশল বিকাশৰ প্ৰশিক্ষণো ল'ব পাৰিব। মন কৰিবলগীয়া যে বাতৰিটোত উল্লেখ কৰা ধৰণে আঁচনিৰ ২৫ শতাংশ কাম সম্পূৰ্ণ হোৱা নাই বুলি কোনো চিঠি দিয়া হোৱা নাছিল। উল্লেখিত চিঠিখনত কাৰ্য্যবাহী অভিযন্তা সকলক অতি কমেও ২৫ শতাংশ কাম পৰিদৰ্শন কৰি ১৪ আগষ্টৰ ভিতৰত বিভাগলৈ প্ৰতিবেদন প্ৰেৰণ কৰিবলৈ নিৰ্দেশহে দিয়া হৈছিল। ৩ আগষ্টৰ সংখ্যাত প্ৰকাশিত যিটো বাতৰিৰ প্ৰসংগ উল্লেখ কৰা হৈছে সেই বাতৰিটোত উল্লেখ কৰা তথ্য ২০২০-২১ বিত্তীয় বৰ্ষৰ তথ্যহে। উল্লেখ কৰিব পাৰি যে বিগত ২০১৭-১৮ বৰ্ষলৈকে অসমত অনুমোদিত হোৱা কামসমূহৰ সম্পূৰ্ণ হোৱাৰ হাৰ ৯৬

শতাংশতকৈ অধিক, যিটো ৰাষ্ট্ৰীয় পৰ্যায়ৰ সৈতে সমান। আমাৰ চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত দূৰ্নীতিৰ প্ৰতি শূণ্য সহনশীল। দুৰ্নীতিমুক্ত অসম আমাৰ লক্ষ্য। মাননীয়া বিধায়িকাই যিটো বাতৰিৰ আলম লৈ জাননী দিছে, সেই বাতৰিটোত উল্লেখ কৰা পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ আয়ুক্তৰ চিঠিতেই আমাৰ চৰকাৰৰ এই দৃষ্টিভঙ্গী স্পষ্ট হৈ আছে। ৰাইজৰ পৰা পোৱা সকলো অভিযোগ বিভাগে বিভিন্ন বিষয়াৰ দ্বাৰা তদন্ত কৰায় আৰু তদন্তৰ প্ৰতিবেদন অনুযায়ী ব্যৱস্থা লোৱা হয়। এনেকুৱা তদন্তৰ ভিত্তিত এতিয়ালৈ ৩৮ জন ঠিকা ভিত্তিত নিযুক্ত কৰ্মচাৰীক দুৰ্নীতিৰ অভিযোগত বৰ্খাস্ত কৰা হৈছে। ১৩ জন গাঁও পঞ্চায়ত সচিব, এজন কনিষ্ঠ সহায়ক, দুজন গ্ৰাম সেৱক- সেৱিকা, এজন সম্প্ৰসাৰণ বিষয়া(পঞ্চায়ত), ৬ জন গাননিক আৰু ৫ জন খণ্ড উন্নয়ন বিষয়াক নিলম্বিত কৰা হৈছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ কাম কাজ স্বচ্ছ আৰু নিকাভাৱে কৰিবলৈ আমি প্ৰতিটো ৰাজহুৱা অভিযোগৰ ওপৰতে গুৰুত্ব দি আহিছো। এই কথা নিশ্চিত কৰিব খুজিছো যে গ্ৰাম্য অঞ্চলৰ দুখীয়া জনসাধাৰণৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে আমি বদ্ধ পৰিকৰ। লগতে এই কথাও ক'ব খুজিছো যে চলিত বিত্তীয় বৰ্ষত ধাৰ্য কৰা লেবাৰ বাজেট অতিক্ৰম কৰাটোও আমাৰ লক্ষ্য। যোৱা বৰ্ষতো আমি মহাত্মা গান্ধী এনৰেগাৰ বাজেট অতিক্ৰম কৰিবলৈ সক্ষম হৈছিলো। বিধান সভাৰ পবিত্ৰ সদনক মই জনাব বিচাৰিছো যে সমগ্ৰ অসমৰ গাঁও অঞ্চলৰ প্ৰতিটো আগ্ৰহী পৰিয়ালৰ বাবে মহাত্মা গান্ধী এনৰেগাৰ অধীনত আমি কৰ্মদিন দিম। মহাত্মা গান্ধী এনৰেগাত কাম কৰা লোকে যাতে সময়মতে নিজৰ মজুৰি পায় তাৰ ব্যৱস্থা কৰা হৈছে। এতিয়া শতকৰা ৯৯ শতাংশ লোকে সময়মতে মজুৰি পায়। সঠিকলোকে যাতে মজুৰি পায় তাৰ বাবে বেঙ্ক একাউন্ট সমূহ পৰীক্ষণ কৰা হৈছে। আমাৰ অসমত ১০০ শতাংশ পৰীক্ষণ সম্পূৰ্ণ হৈছে। ইয়াৰ উপৰিও বৰ্তমানৰ অৰ্থনৈতিক পৰিস্থিতিত অসমক আত্ম-নিৰ্ভৰ কৰিবলৈ বিশেষ প্ৰচেষ্টা হাতত লোৱা হৈছে। প্ৰথম পৰ্য্যায়ত অহা চাৰিমাহত দুইলাখ পৰিয়ালক এনে প্ৰচেষ্টাৰ জৰিয়তে সাঙুৰিব বিচৰা হৈছে। এই প্ৰচেষ্টাৰ ফলত দুই লাখ পৰিয়ালৰ বছৰি আয় বৃদ্ধি পাব। এনে ধৰণৰ প্ৰচেষ্টাৰে গ্ৰাম্য অঞ্চলৰ কৃষি-অৰ্থনীতিত এক নতুন জাগৰণ সৃষ্টি কৰিব খোজা হৈছে। প্ৰতিখন গাঁও পঞ্চায়তে পৰ্যাপ্ত আঁচনিৰ অনুমোদন দিবলৈও নিৰ্দেশ দিয়া হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয়া বিধায়িকা ডাঙৰীয়ানীয়ে যি চেনিটাইজেচনৰ নামত ভাৰত চৰকাৰৰ চতুৰ্থদশ বিত্তীয় আয়োগৰ অধীনত যিখিনি পুঁজি নিৰ্ধাৰিত কৰিছিল গাওঁ পঞ্চায়ত সমূহলৈ তাৰ ১০ শতাংশ COV ID -19 pendamic ৰ সময়ত sanitize & mask এনেকুৱা বিভিন্ন ধৰণৰ কাৰ্য্যসূচীৰ বাবে নিৰ্দ্ধাৰণ কৰি দিছে। এই মতে আমি আপোনাক জনাব পাই অতিকৈ সুখী হৈছো যে অসম জাতীয় অভিযান মিচনত আমাৰ আত্মসহায়ক গোটসমূহৰ প্ৰায় ১১ হাজাৰ মহিলাই ৭২ লাখ মাস্ক তৈয়াৰ কৰি কৰ্ম নিৰ্দৰ্শন দাঙি ধৰাৰ লগতে আমি বিভাগৰ পৰা প্ৰত্যেকটো গাওঁ পঞ্চায়তৰ ২ হাজাৰকৈ বিনামুলীয়াকৈ যি সকল জবকাৰ্ডধাৰী শ্ৰমিক আছে, তেখেকসকলক যাতে মাস্ক বিনামুলীয়াকৈ প্ৰদান কৰাৰ লগতে চেনিটাইজেচনৰ ব্যৱস্থা আৰু গাওঁ অঞ্চলত থকা কাৰ্য্যালয় বা বিভিন্ন তিনি আলি, চাৰি আলিৰ দোকান পোহৰ থকা অঞ্চলসমূহে হওঁক, জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু প্ৰশাসনৰ লগ লাগি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে চেনিটাইজ কৰাৰ বাবে ব্যৱস্থা কৰা হৈছিলে। ইয়াৰ লগতে আমি মাস্কৰ দৰটো নিৰ্ধাৰণ কৰি দিছিলো আত্মসহায়ক গোটৰ মহিলাসকলক উৎসাহিত কৰাৰ বাবে, যিহেতু এনেকুৱা সংকট কালত এই মহিলাসকলে আগবাঢ়ি আহি প্ৰায় ৭২ লাখ মাক্স তৈয়াৰ কৰাৰ লগতে এই আত্মসহায়ক গোটৰ মহিলাসকলে ৮ কোটিতকৈ অধিক বিভিন্ন ধৰণৰ শাক-পাছলি, মাছ - মাংসৰ ব্যৱসায় কৰিবলৈ সক্ষম হৈছিলে। গতিকে আমি পঞ্চায়তসমুহক পুনৰ কৈ আছো যে যাতে সময়ে সময়ে চেনিটাইজেচন কৰে।

আমাৰ সন্মানীয়া বিধায়িকা গৰাকীকো আমি আহ্বান জনাইছো আপোনাৰ পঞ্চায়তসমূহত যদি এনেধৰণৰ কাৰ্য্যসুচী হোৱা নাই, আমাক specific জনাব, তেতিয়া হলে আমি নিশ্চিতভাৱে ইয়াৰ ব্যৱস্থা গ্ৰহণ কৰিম লগতে আপুনি এজন কৰ্মচাৰীৰ বাবে নিশ্চয় specific কৈছে - বলেন কলিতা ডাঙৰীয়া। যিহেতু এই বিষয়তো আপুনি অভিযোগ আনিছে, সেই কথাটো আমি বিভাগৰ পৰা ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে আপোনাক অৱগত কৰিছো। এই কথাও আমি সদনক জনাব খুজিছো যে ২০১৪-১৫ বৰ্ষৰ গোটেই সময়ছোৱাত ২ লাখ ১০ হাজাৰ শ্ৰমিকৰ শ্ৰমৰ বিপৰীতে ২০২০-২১ বৰ্ষৰ প্ৰথম পাঁচ মাহত আমি ২১৮ লাখ শ্ৰমিকক শ্ৰম দিবলৈ সক্ষম হৈছো। উল্লেখযোগ্য যে এই মাহত কভিডৰ কাৰণে এই কাম সম্পূৰ্ণৰূপে বন্ধ আছিল।

**শ্ৰীমতি নন্দিতা দাস (বকো)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই কৈছিলো যে GRS আৰু JE সকলক সময়ে সময়ে বদলি কৰিব লাগে আৰু কৈছিলো যে Block Level Vigilance Monitoring এখন গুৰুত্বপূৰ্ণ কমিটি তাতে যদি কিবা প্ৰস্তাৱ লোৱা হয়। সেই প্ৰস্তাৱ গ্ৰহণ কৰিব লাগে।

**শ্ৰী নৱ দলে ( পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ সন্মানীয় বিধায়ক মৃণাল শইকীয়া ডাঙৰীয়াও জিলা ভিত্তিক বদলি কৰণৰ কথা অলপ আগতে অৱগত কৰিছিলে।

মাননীয়া বিধায়িকা ডাঙৰিয়ানীয়ে জনাই নাই চাগে, পঞ্চায়ত আয়ুক্ত ডাঙৰীয়াই ইতিমধ্যে এই বদলিকৰণৰ বিষয়টো আমাৰ জিলা পৰ্য্যায়ত CEO সকলে যাতে কৰিব পাৰে, এই নিৰ্দেশনা দিয়া হৈছে আৰু বিভিন্ন জিলাত এই কামখিনি হৈ আছে। যদি আপোনালোকৰ তেনেধৰণৰ CEO সকল আছে, আপোনালোকে জনাব নিশ্চিতভাৱে তেখেতে ব্যৱস্থা গ্ৰহণ কৰিব। বাকী যি আপুনি বলেন কলিতা ডাঙৰীয়াৰ কথাটো কৈছে, এই কথাটো আমি তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিম।

মাননীয় উপাধক্ষ্য মহোদয়, আমি শূণ্য সহনশীলতা দুৰ্নীতিৰ ক্ষেত্ৰত যেতিয়া specific অভিযোগ পাইছো বা বিভিন্ন সংবাদ মধ্যমৰ মাজেৰে আমি দৈনন্দিন যিখিনি পাওঁ, আমাৰ এটা separate cell আছে, এই cell টো আমি যেতিয়া অভিযোগ পাওঁ, প্ৰাৰম্ভিকভাৱে আমি স্বচ্ছতাৰে জনসাধাৰণ মাজত আস্থা-বিশ্বাসেৰে যাতে এই MGNREGA আচঁনিখনত আমি স্বচ্ছতা কৰিব পাৰো তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰি আছো। তাৰ কাৰণে বিভাগে সময়ে সময়ে বিভিন্ন বিষয়া কৰ্মচাৰীৰ ওপৰত আমি ব্যৱস্থা গ্ৰহণ কৰি আছো। অহা দিনত আমি এনেধৰণৰ কথা বিলাকৰ ওপৰত লক্ষ্য ৰাখিম যাতে ইয়াতকৈ আতি স্বচ্ছতাৰে আঁচনিবিলাক ৰূপায়ন কৰিব পাৰো। ধন্যবাদ।

(Hon'ble Speaker in the Chair)

**মাননীয় অধ্যক্ষ** ঃ Now next item no. 5 under rule 301. The following two notices have been selected for today.

No. 1 Shri Mamun Imdadul Haque Chawdhury. He is absent.

No. 2 Shri Kamalakhya Dey Purkayastha.

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ )** ঃ মাননীয় অধ্যক্ষ মহোদয়, দৈনিক সাময়িক প্রসঙ্গ পত্রিকায় ১১ জুলাই প্রকাশিত “জমা জলে নাগরিকদের সঙ্গে প্রশাসনের বৈঠক” --- বিষয়টি উত্থাপন করার সুযোগ করে দেওয়ার জন্য আপনাকে ধন্যবাদ জানাই অধ্যক্ষ মহোদয়। বিষয়টি খুবই গুরুত্বপূর্ণ। আমাদের করিমগঞ্জ মিউনিসিপালিটি ১০০ বছর অতিক্রম করল ইতিমধ্যে। শতবর্ষ উদযাপন হয়েছিল। অসমের অনেক মিউনিসিপালিটির এখনও একশো বছর পূর্ণ হয়নি। কিন্তু করিমগঞ্জের মিউনিসিপালিটির আমরা একশো বছর পূর্তি করতে পারলাম। সেইটা সম্ভব হয়েছে করিমগঞ্জ

বাসির সাহায্য-সহযোগিতায়। কিন্তু সবথেকে বড় বিষয় হচ্ছে যে, জমা জলের সমস্যা নিয়ে আমরা অতিষ্ঠ। সামান্য বৃষ্টি হলেই অনেক জল হয়ে যায়, তার প্রধান কারণ টা হচ্ছে যে storm water drainage. প্রকল্প শুরু হয়েছিল ২০০৬-০৭ এডমিনিস্ট্রেটিভ এপ্রোভাল হয়েছিল। কাজও শুরু হয়েছিল। অধ্যক্ষ মহোদয়, সেই ড্রেন টা হওয়ার পর থেকেই এই জমা জলের সমস্যা। বৃষ্টি হলেই আমাদের মনে একটা আতঙ্কের সৃষ্টি হয় যে এখন তো আমাদের ঘরে জল ঢুকে যাবে। ঘরে হাটু জল হয়ে যায়। আউটলেট গুলো ড্রেনের সাথে খুব ছোট করে দিয়েছে। সেটাও একটা প্রবলেম। ২০০৯ অবধি ১৫ শতাংশ কাজ এগজিভিশন হয়, এবং সেই ১৫ শতাংশের পেমেন্টও করা হয়। ১৫ শতাংশের একজিভিশন করার পর ২০০৮ সালে সেই সময়ের বিধায়ক অভিযোগ করেন যে সেই কাজটা প্লেন এস্টিমেট হয়নি। ড্রেনের কোয়ালিটি নিয়ে তিনি একটি প্রশ্ন তোলেন বিধান সভায়। সেই মর্মে স্থানীয় ইঞ্জিনিয়ার, ডিসি অঙ্গমথু সেখানে তদন্ত করেন। তদন্তের পর রিপোর্ট আসে ১৫ শতাংশ কাজ হয়েছে, সেটা প্লেন এস্টিমেট কাজ হয়েছে এবং সব ইঞ্জিনিয়ারা বলেছেন সেই মর্মে ড্রেনের গ্রেডেশন ঠিক রেখে কাজ করা হয়। কিন্তু অধ্যক্ষ মহোদয় ২০০৮ সালের পর যে কাজগুলো করা হল সেই কাজগুলোর গ্রেডেশন ঠিক হয়নি, এবং ড্রেনের কাজগুলো এমন ভাবে করা হয়েছে তার জন্য আমরা আজ ভুক্তভোগী। এই দায়ভার কার? কার জন্য আজ আমাদের করিমঞ্জের এই অবস্থা। সেই সমস্যা নিয়ে হাইকোর্টেও কেস করা হয়েছে। হাইকোর্ট একটা অর্ডার দিলো যে সেটা নিয়ে একটা এফ আই আর করা হোক। সে নিয়ে অনেক প্রশ্ন। অধ্যক্ষ মহোদয় মাননীয় মন্ত্রী মহোদয় আজ সদনে উপস্থিত আছেন। আমার একটা অনুরোধ আছে মন্ত্রীমহোদয়ের কাছে হাই লেভেল একটা টিম পাঠানো হোক করিমগঞ্জে এবং সেই টিম পাঠিয়ে সার্ভে করা হোক। সার্ভে করে একটা ফাণ্ড করা হোক যাতে এই ড্রেনটাকে ঠিক করে চিরতরে এই সমস্যার সমাধান করা হয়। আগামী দিনে মানুষ যাতে ভালোভাবে বাস করতে পারে সেই ব্যবস্থা করা হোক। অধ্যক্ষ মহোদয়, বিগত কয়েকদিন আগে দুই তিন দিনের জন্য ড্রেন ভাঙ্গা হয়েছিল তারপর আবার সেগুলো বন্ধ হয়ে গেল জানি না সেটার কারণ কি? কোন কোন জায়গা ভাঙ্গা হল আবার কোন জায়গা ভাঙ্গা হলো না। ডিসির সাথে অন্তত সাত -আটবার মিটিং হয়েছিল । মিটিং হওয়ার পরও আমাদের সমস্যা কিন্তু সেই তিমিরেই থেকে গেল। সমস্যার সমাধান হয়নি। আজ বাধ্য হয়েই সেই কথা গুলো বিধান সভায় বললাম। আজ মাননীয় মুখ্যমন্ত্রী এই সদনে উপস্থিত আছেন, উনার কাছে আমার অনুরোধ থাকবে যে করিমগঞ্জের এই সমস্যার যাতে সমাধান হয়। ।আমি ছোট্ট একটা গল্প বলছি। গল্পটা খুব মজার। একদিন এক রাজা তার রাজ্যের যত বীরপুরুষ আছে তাদের ডাকলেন। সবাইকে বললেন যে আমি দুপুরে একটা খাওয়ার ব্যবস্থা করবো। রাজার একটা ফিসারি ছিল, সেই ফিসারির সামনে তিনি সবাইকে নিয়ে গেলেন। এই ফিসারিতে রাজা তিনটা কুমীর পালতেন। রাজা বললেন যে বীরপুরুষ এই ফিসারি সাঁতার দিয়ে পার করতে পারবে তার সঙ্গে আমার মেয়ের বিয়ে দেবো বা মেয়ের সমান সোণা দেব। এই কথা শুনার সঙ্গে সঙ্গেই একজন জলে পড়ে গেল এবং কুমীর ওর পেছনে ধাওয়া করলো। কিন্তু সে কোনরকমে সাঁতার দিয়ে পারে গিয়ে উঠলো। রাজা তখন বললেন যে তুমি তো অনেক বীর পুরুষ ।তুমি যে এই কাজটা করতে পারলে তো তোমার কি সোনা চাই? না মেয়ের হাত চাই। তখন সে বললো যে মহারাজ আমার কিছু চাইনা। যে আমাকে লাথি দিয়ে জলে ফেলেছে তাকে আমায় দেখিয়ে দেন। তার নামটা আমি জানতে চাই। আমার মেয়েও চাইনা আর সোনাও চাইনা। অধ্যক্ষ মহোদায় আমি শুধু মজা করে গল্প টা বলিলাম। মন্ত্রীমহোদয়ের কাছে আমার অনুরোধ থাকবে যে তিনি যেন এই সমস্যার সমাধান করেন। নমস্কার।

**माननीय अध्यक्ष** ঃ Minister please.

**শ্ৰী পীযুষ হাজৰিকা (নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই যিটো প্ৰশ্ন উত্থাপন কৰিছে, উত্তৰ কিন্তু তেখেতে নিজে দিছে। তেখেতে এটা গল্পও কলে, কিন্তু মই অৰ্থটো বুজি নাপালো কিয় ইয়াত টানি আনিলে। যিয়ে নহওঁক মাননীয় অধ্যক্ষ মহোদয়, কৰিমগঞ্জ চহৰৰ যি drain ৰ ব্যৱস্থা, তাৰ কাম আৰম্ভ হৈছিলে ভাৰত চৰকাৰ অধীনস্থ নগৰ উন্নয়ন মন্ত্ৰালয়ে strom water drainage, phase -1 প্ৰকল্পৰ বাবে 10% full fund ৰ অধীনত প্ৰায় ১১,৮৩,৫৭,০০০.০০ টকা ব্যয় সাপেক্ষে ২০০৭-০৮ বৰ্ষত অনুমোদন দিছিল। এই প্ৰকল্পৰ বাবে কেন্দ্ৰীয় চৰকাৰে তিনিটা কিস্তিত মুঠতে ১০,৬৫,২১,০০০.০০ টকা মুকলি কৰি দিছে আৰু ৰাজ্য চৰকাৰে এই আঁচনিৰ মুঠ ১,১৮,৩৬,০০০.০০ টকা state share মুকলি কৰি দিছিল। এই প্ৰকল্পৰ কাম Karimganj Municipal Board য়ে সম্পূৰ্ণ কৰে। কামৰ কিছু অংশ ৰে'ল বিভাগে প্ৰয়োজনীয় মাটি এৰি নিদিয়াৰ বাবে সম্পূৰ্ণ কৰিব পৰা নগ'ল । ইয়াৰ উপৰিও অনুমোদিত ৩৫ টা culvert ৰ ভিতৰত ৮ টা culvert সম্পূৰ্ণ কৰা হৈছে। বাকী culvert সমুহ PWD, Assam Public Works Department (R) আৰু Border Roads Task Force সমূহৰ নিজা পুজিঁৰে সম্পূৰ্ণ হৈছে। যাৰফলত প্ৰায় ২ কোটি টকা কেন্দ্ৰীয় চৰকাৰক ওভটাই দিয়া হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, এই কামটো আৰম্ভ হৈছিল ২০০৭-০৮ বৰ্ষত। মই এতিয়া বৰ বেছি আঁচনি বোৰ কথা নকওঁ, মাননীয় সদস্যগৰাকীয়ে ইয়াৰ উত্তৰ নিজে দিছে, এই মাত্ৰ কথা কওঁ যে এই সমস্যাটো পাৰিলে আমি সমাধান কৰিম, মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় সদস্য গৰাকীৰজনৰ পৰা জানিব খুজিছো যে এই কথাখিনি আপুনি বিধায়ক হৈ থকাৰ পিছতো চাৰে ন বছৰ কিয় লাগিলে। আপুনি আগতে নিশ্চয় কব পাৰিলে হৈ। মাননীয় অধ্যক্ষ মহোদয়, মই যোৱা ডেৰ মাহত কৰিমগঞ্জলৈ দুই বাৰ গৈছো, দুয়োখন মিটিঙত মাননীয় সদস্য গৰাকীয়ে উপস্থিত আছিলে। আমি কভিড'ৰ আলোচনা কৰাৰ পিছত প্ৰত্যেক দিনাই কৈছো আৰু কিবা আলোচনা আছে নেকি? মোক বিধায়ক ডাঙৰীয়াই তেতিয়া অৱগত কৰোৱা নাছিলে। যদি অৱগত কৰিলে হেতেন, তেতিয়া হলে মই সমস্যাটোৰ বিষয়ে বুজ লৈ আহিব পাৰিলোহেতেন। বিধান সভাত কথা কোৱাৰ অধিকাৰ আছে আৰু অত্যন্ত গুৰুত্বপূৰ্ণ কথা বিধান সভাতে কব লাগে। কিন্তু বাহিৰতো কেতিয়া আমি লগ পাওঁ। তেতিয়া যদি মাননীয় সদস্য ডাঙৰীয়াই এই কথাটো জনালে হয়। তেখেতে টীম এটা পঠোৱাৰ কথা কৈছে, আমি নিশ্চয় ইয়াৰ চিন্তা-চৰ্চা কৰিম। কিন্তু মই নিজেও চাই আহিব পাৰিলোহেতেন। মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যি পৰামৰ্শ দিছে আমি কাম কৰিবলৈ চেষ্টা কৰিম। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যেনেকৈ আমাক নলা নিৰ্মাণৰ কাৰণে আৰ্থিক অনুমোদন Urban Development Department ক দিছে, তাৰ পৰা আমি ৩,৪০,০০,০০০.০০ টকা কৰিমগঞ্জৰ কাৰণে ধাৰ্য কৰিছো যিটো Administrative Approval ৰ পৰ্য্যায়ত আছে। এইখিনি আমি নিশ্চিত কৰিম। এটা কথা যে তাত ৰেলৱেৰ মাটি দলং আছে, তাত এটা ডাঙৰ সমস্যা আছে, সদস্যগৰাকীয়ে কোৱা নাই। মানুহে বে-দখল কৰি আছে drain ৰ ওপৰত। কিছু কিছু ঠাই eviction কৰা হৈছে, সেইখিনি eviction কৰোতে মাননীয় সদস্য ডাঙৰীয়াই যাতে সহায় কৰে, এই কথা যাতে ৰাজনৈতিক ভাৱে নলয়, তেখেতক মই অনুৰোধ কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, এই পবিত্ৰ বিধান সভাত এটা ভাল খবৰ দিম যে Swachh Survekshan পুৰস্কাৰ যি ব্যৱস্থা কৰে কেন্দ্ৰীয় চৰকাৰে, Urban Development De-

partment তে। অসমে প্ৰথমবাৰৰ কাৰণে first stage mover award পাবলৈ আমি সক্ষম হৈছো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰত্যেক দিনাই আমাক এই বিষয়ত দিহা পৰামৰ্শ দিয়ে। মোৰ মনত আছে এবাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মাঘৰ বিহুৰ সময়ত ডিব্ৰুগড়ত আছিলে। তেখেতে মোক তাৰ পৰা ফোন কৰি কৈছিলে যিখিনি জাৱৰ উঠোৱা গাড়ী সেইখিনি পুৰণা হৈছে, তুমি বিভাগৰ পৰা দিবলৈ ব্যৱস্থা কৰা। কেইদিনমানৰ আগতে আপোনালোকে দেখিছে ৪৫ কোটি টকাৰে প্ৰায় ২৫০ tipper loader গাড়ী আমি দিয়াৰ ব্যৱস্থা কৰিছো আৰু আমি অসমৰ প্ৰায় 80% Ward ত door to door garbage collection কৰা আৰম্ভ কৰিলো। সেইটো কাৰণত আমাক first stage mover award দিছিলে, যিটো আগতে গুজৰাটে পাইছিলে। আমি নিশ্চিত কৰিব লাগিব আপোনালোকৰ সকলোৰে সহায় সহযোগিতা বিচাৰিছো। কৰিমগঞ্জৰ সম্পৰ্কে এটা কথা কৈ মই মোৰ বক্তব্য সামৰিম। কৰিমগঞ্জ পৌৰ সভাত ২৭ টা ওৱাৰ্ড আছে। য'ত স্বচ্ছ ভাৰত মিছনৰ অধীনত ঘৰে ঘৰে গৈ জাৱৰ উঠোৱা কাম চলি আছে। Segregation at source কৰি আছো য'ত ঠাইতে আমি কেচা জাৱৰ, শুকান জাৱৰ পৃথক পৃথক কৰো ৬ টা ওৱাৰ্ডত ইতিমধ্যে আৰম্ভ হৈছে, বাকী ওৱাৰ্ডতো আমি আৰম্ভ কৰিবলৈ যন্ত কৰি আছো। আমি এতিয়ালৈকে ১৫ হাজাৰ dustbin বিতৰণ কৰিছো আৰু ১০ টা ডাঙৰ dustbin তাতে install কৰাৰ ব্যৱস্থা কৰিছো আৰু ইয়াৰ ওপৰিও আমাৰ Urban Development Department তে আৰু ২০ টা ডাঙৰ dustbin পঠোৱাৰ ব্যৱস্থা কৰিছো। যিখিনি কৰিব পৰা নাই সেইখিনি কৰিবলৈ যিমান পাৰো চেষ্টা কৰিম বুলি মই সদনৰ মজিয়াত প্ৰতিশ্ৰুতি দিছো। ধন্যবাদ।

**Hon'ble Speaker :** Now, Item No.6. Shri C.M.Patowary, Minister, Parliamentary Affairs to lay the Report.

**Shri C.M. Patowary, Parliamentary Affairs Minister :** Hon'ble Speaker Sir, I beg to lay the Report of the Comptroller & Auditor General of India on **Finance Accounts ( Vol. I & II ) and the Appropriation Accounts for the year 2018-2019 relating to the Government of Assam.**

**Hon'ble Speaker :** Next Item No. 7.

**Shri C.M. Patowary, Parliamentary Affairs Minister :** Hon'ble Speaker Sir, I beg to lay the Report of the Comptroller & Auditor General of India on the **State Finances Audit Report (Report No.1 of 2020) for the year ended 31st March, 2019 relating to the Government of Assam.**

**Hon'ble Speaker :** Now, Item No.8. On behalf of the Finance Minister, Parliamentary Afffairs Minister.

**Shri C.M. Patowary, Parliamentary Affairs Minister :** Hon'ble Speaker Sir, I on behalf of Finance Minister, I beg to lay **47 nos.** of Extraordinary Gazette Notifications of the Finance (Taxation) Department, Govt. of Assam, dtd. 13th February to 10th August, 2020.

**Hon'ble Speaker :** Next Item No.9

**Shri C.M. Patowary, Parliamentary Affairs Minister :** মাননীয় অধ্যক্ষ মহোদয়, মই বিত্ত মন্ত্ৰীৰ হৈ ২০২০ চনৰ ২১ আগষ্ট তাৰিখত The Assam Non - Government Educational Institution Regulation of fees Rules, 2020 অধিসূচনাখন সদনত দাখিল কৰিলো।

**Hob'ble Speaker :** Next Item No.10. lay the Report.

**Shri C.M. Patowary, Parliamentary Affairs Minister :** Hon'ble Speaker Sir, on behalf of the Minister, Transformation & Development etc. মই "The Report on Economy of Assam in the Backdrop of Covid-19 Pandemic from State Innovation and Transformation Aayog (SITA) Government of Assam ৰ প্ৰতিবেদন খন সদনত দাখিল কৰিলো।

**Hon'ble Speaker :** Next Item No.11 now to lay the Report by Justice (Retd.) Shri P.G. Agarwal into Bogus Ration Cards.

**Shri C.M. Patowary, Parliamentary Affairs Minister :** মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ সন্মানীয় মুখ্য মন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ হৈ 131st Report of the Commission of Inquiry by Justice (Retd.) Shri P.G. Agarwal into Bogus Ration Cards alongwith Memorandum on Action Taken Report from Government of Assam, Home and Political Department ৰ প্ৰতিবেদন খন সদনত দাখিল কৰিলো।

**Hon'ble Speaker :** Next Item No.12.

**Shri C.M. Patowary, Parliamentary Affairs Minister :** মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ সন্মানীয় মুখ্য মন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ হৈ ২০১৮ -১৯ চনৰ Assam Electricity Regulatory Commission ৰ বাৰ্ষিক প্ৰতিবেদন খন সদনত দাখিল কৰিলো।

**Hon'ble Speaker :** Next Item No.13. এতিয়া মাননীয় মুখ্যমন্ত্ৰীয়ে, ২০০২-০৩ ৰ পৰা ২০১৭-১৮ চনৰ Assam Electricity Regulatory Commission ৰ হিচাপ পৰীক্ষাৰ প্ৰতিবেদন খন সদনত দাখিল কৰিব।

**Shri C.M. Patowary, Parliamentary Affairs Minister :** মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ সন্মানীয় মুখ্য মন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ হৈ ২০০২-০৩ ৰ পৰা ২০১৭-১৮ চনৰ Assam Electricity Regulatory Commission ৰ হিচাপ পৰীক্ষাৰ প্ৰতিবেদন খন সদনত দাখিল কৰিলো।

**Hon'ble Speaker :** Next Item No.14 Hon'ble Member Shri Prasanta Phukan on behalf of Chairman,Committee on Public Accounts to lay the 163rd Report.

**Shri Prasanta Phukan, Member :** Hon'ble Speaker Sir, I on behalf of the Hon'ble Chairman, Committee on Public Accounts, Asssam

Legislative Assembly to present the 163rd Report of the Committee.

**Hon'ble Speaker :** Next, Item No.15 এতিয়া ৰাজহুৱা উদ্যোগ সমূহৰ সমিতিৰ সভাপতিৰ হৈ মাননীয় সদস্য শ্ৰীযুত প্ৰদীপ হাজৰীকা দেৱে ৫১, ৫২ আৰু ৫৩ তম প্ৰতিবেদন তিনিখন সদনত দাখিল কৰিব।

**Shri Pradip Hazarika, Member :** মামনীয় অধ্যক্ষ মহোদয়, মই ৰাজহুৱা উদ্যোগ সমূহৰ সমিতিৰ সভাপতিৰ হৈ ৫১, ৫২ আৰু ৫৩ তম প্ৰতিবেদন তিনিখন সদনত দাখিল কৰিলো।

**Hon'ble Speaker :** Next, Item No.16 .

**Shri C.M. Patowary, Parliamentary Affairs Minister :** Hon'ble Speaker Sir, I beg to move that this House do now elect 2 (two) Members of Assam Legislative Assembly from amongst themselves to be the Member of Board of Management of K.K Handique Open University, Guwahati under Section-17(9) of the Krishna Kanta Handique State Open UniversityAct, 2005.

**Hon'ble Speaker :** Next, Item No.17.

**Shri C.M. Patowary, Parliamentary Affairs Minister :** Hon'ble Speaker Sir, I on behalf of Health Minister beg to move that this House do now elect 3 (three) Members to the General Council of Srimanta Sankaradeva University of Health Sciences (SSUHS) under section - 18(1)(m) of the Srimanta Sankardeva University of Health Sciences Act, 2007 and one Member from amongst the three Members to the Executive Council of the SSUHS under Section-19(I)(K).

**Hon'ble Speaker :** Next, Item No.18**.** Before that it should be circulated Supplementary Demand for Grants.

**Shri C.M. Patowary, Parliamentary Affairs Minister :** Hon'ble Speaker Sir, on behalf of Hon'ble Finance Minister I beg to present the list of Supplementary Demand for Grants and Supplementary Appropriation for the Year 2020-21.

**Hon'ble Speaker:** Item no.19. The Factories (Assam Amendment) Bill.2020.

**Shri C.M. Patowary, Parliamentary Affairs Minister :** মাননীয় অধ্যক্ষ মহোদয়,মই অসমৰ সন্মানীয় মুখ্য মন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ হৈ The Factories (Assam Amendment) Bill,2020 বিধেয়ক খন সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিছো।

**Hon'ble Speaker :** এতিয়া বিধেয়ক খন সদনত উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে? (সদনে অনুমতি জনায়)। এতিয়া মন্ত্ৰী ডাঙৰীয়াই মুখ্য মন্ত্ৰীৰ হৈ সদনত বিধেয়ক খন উত্থাপন কৰিব।

**Shri C.M. Patoway, Parliamentary Affairs Minister :** माननीय অধ্যক্ষ মহোদয়,মই অসমৰ সন্মানীয় মুখ্য মন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ হৈ The Factories (Assam Amendment) Bill,2020 বিধেয়ক খন সদনত উত্থাপন কৰিলো।

**Hon'ble Speaker :** এতিয়া, বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

প্ৰধান সচিব ঃ বিধেয়ক খনৰ শিৰোনামা হ'ল - The Factories (Assam Amendment) Bill, 2020.

**Hon'ble Speaker:** Next, Item no.20.

**Shri C.M. Patoway, Parliamentary Affairs Minister :** মাননীয় অধ্যক্ষ মহোদয়,মই অসমৰ সন্মানীয় মুখ্য মন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ হৈ The Factories (Assam Second Amendment) Bill, 2020 বিধেয়ক খন সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিলো।

**Hon'ble Speaker :** এতিয়া বিধেয়ক খন সদনত উত্থাপন কৰিবলৈ অনুমতি দিয়াত সদনৰ অনুমতি আছে ? (এতিয়া বিধেয়ক খন সদনত উত্থাপন কৰিব)।

**Shri C.M. Patoway, Parliamentary Affairs Minister :** মাননীয় অধ্যক্ষ ,মই অসমৰ সন্মানীয় মুখ্য মন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ হৈ The Factories Assam Second Amendment) Bill,2020 বিধেয়ক খন সদনত উত্থাপন কৰিলো।

**Hon'ble Speaker :** এতিয়া প্ৰধান সচিব।

**প্ৰধান সচিব** ঃ বিধেয়ক খনৰ শিৰোনামা- The Factories Assam (Second Amendment) Bill,2020.

Hon'ble Speaker : Next Item 21. Again the Minister move.

**Shri C.M. Patoway, Parliamentary Affairs Minister :** মাননীয় অধ্যক্ষ মহোদয়,মই অসমৰ মাননীয় মুখ্য মন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ হৈ "The Industrial Disputes (Assam Amendment) Bill, 2020" বিধেয়ক খন সদনত উত্থাপন কৰিবলৈ অনুমতিবিচাৰিলো।

**Hon'ble Speaker :** বিধেয়ক খন উত্থাপনৰ বাবে সদনৰ সন্মতি আছে। এতিয়া মন্ত্ৰী ডাঙৰীয়াই মুখ্য মন্ত্ৰীৰ হৈ সদনত বিধেয়ক খন উত্থাপন কৰিব ।

**Shri C.M. Patoway, Parliamentary Affairs Minister :** মাননীয় অধ্যক্ষ,মই অসমৰ সন্মানীয় মুখ্য মন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ হৈ "The Industrial Disputes (Assam Amendment) Bill, 2020 বিধেয়ক খন সদনত উত্থাপন কৰিলো।

**Hon'ble Speaker :** এতিয়া প্ৰধান সচিবে বিধেয়ক খনৰ শিৰোনামা পঢ়িব।

প্ৰধান সচিব ঃ বিধেয়ক খনৰ শিৰোনামা হ'ল - "The Industrial Disputes (Assam Amendment) Bill, 2020.

**Hon'ble Speaker:** Now, Item no.22 . এতিয়া সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই মুখ্য মন্ত্ৰীৰ হৈ বিধেয়ক খন সদনত উত্থাপন কৰিব ।

**Shri C.M. Patoway, Parliamentary Affairs Minister :** মাননীয় অধ্যক্ষ ,মই অসমৰ সন্মানীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ হৈ "The Contract Labour (Regulation and Abolition) (Assam Amendment) Bill, 2020"

বিধেয়ক খন সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিলো।

**Hon'ble Speaker :** এতিয়া বিধেয়ক খন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছে। এতিয়া মন্ত্ৰী ডাঙৰীয়াই মুখ্য মন্ত্ৰীৰ হৈ সদনত বিধেয়ক খন উত্থাপন কৰিব ।

**Shri C.M. Patowary, Parliamentary Affairs Minister :** মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ সন্মানীয় মুখ্য মন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ হৈ "The Contract Labour (Regulation and Abolition) (Assam Amendment) Bill, 2020" বিধেয়কখন সদনত উত্থাপন কৰিলো।

**Hon'ble Speaker :** এতিয়া প্ৰধান সচিবে বিধেয়ক খনৰ শিৰোনামা পঢ়িব।

প্ৰধান সচিব ঃ বিধেয়ক খনৰ শিৰোনামা - "The Contract Labour (Regulation and Abolition) ( Assam Amendment) Bill, 2020.

**Hon'ble Speaker:** Now, Item no.23.

**Shri C.M. Patowary, Parliamentary Affairs Minister :** মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াৰ হৈ "The Assam Value Added Tax (Amendment) Bill,2020" বিধেয়কখন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**Hon'ble Speaker :** এতিয়া বিধেয়ক খন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছে। এতিয়া ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে ৰাজ্যপালে এটা বাণী পঠাইছে। মই পঢ়ি দিছো । Under the provision of Article 207 sub-clause (1) of the Constitution of India, I, Prof. Jagadish Mukhi, Governor of Assam, recommend the introduction of **The Assam Value Added Tax (Amendment) Bill, 2020** in the Assam Legislative Assembly.এতিয়া মন্ত্ৰী ডাঙৰীয়াই বিধেয়কখন সদনত উত্থাপন কৰিব।

**Shri C.M. Patowary, Parliamentary Affairs Minister :** মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াৰ হৈ "The Assam Value Added Tax (Amendment) Bill,2020" বিধেয়কখন সদনত উত্থাপন কৰিলো।

**Hon'ble Speaker:** এতিয়া প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়িব।

প্ৰধান সচিব ঃ বিধেয়ক খনৰ শিৰোনামা - "The Assam Value Added Tax (Amendment) Bill,2020".

**Hon'ble Speaker:** Minister, Next Bill, Item No.24.

**Shri C.M. Patowary, Parliamentary Affairs Minister :** মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াৰ হৈ "The Assam Taxation (Liquidation of Arrear Dues)(Amendment) Bill, 2020"বিধেয়কখন সদনত উত্থাপন কৰিবলৈ মই সদনৰ অনুমতি বিছাৰিছো।

**Hon'ble Speaker:** এতিয়া বিধেয়কখন সদনত উত্থাপন কৰিবলৈ সন্মতি আছে। এতিয়া ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উত্থাপন কৰিবলৈ এটা বাণী পঠিয়াইছে। মই পঢ়ি দিছো - Under the provision of Article 207 sub-clause (1) of the Constitution of India, I, Prof. Jagadish Mukhi, Governor of Assam, recommend the introduction of **The Assam Taxation (Liquidation of Arrear**

**Dues) (Amendment) Bill, 2020** in the **Ass**am Legislative Assembly.এতিয়া মন্ত্ৰীয়ে বিধেয়কখন সদনত উত্থাপন কৰিব।

**Shri C.M. Patowary, Parliamentary Affairs Minister :** মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াৰ হৈ "The Assam Taxation (Liquidation of Arrear Dues)(Amendment) Bill, 2020"বিধেয়কখন সদনত উত্থাপন কৰিলো ।

**Hon'ble Speaker:** এতিয়া প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়িব।

**প্ৰধান সচিব ঃ** বিধেয়ক খনৰ শিৰোনামা - "The Assam Assam Taxation (Liquidation of Arrear Dues)(Amendment) Bill, 2020".

**Hon'ble Speaker:** Now, Item No.25. Minister please.

**Shri C.M. Patowary, Parliamentary Affairs Minister :** মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াৰ হৈ "The Assam Goods and Services Tax(Amendment) Bill,2020"বিধেয়কখন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**Hon'ble Speaker:** এতিয়া বিধেয়কখন মই সদনত উত্থাপন কৰিবলৈ সদনৰ সন্মতি বিচাৰিছো। ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উত্থাপন কৰিবলৈ এটা বাণী পঠিয়াইছে। মই পঢ়ি দিছো -Under the provision of Article 207 sub-clause (1) of the Constitution of India, I, Prof. Jagadish Mukhi, Governor of Assam, recommend the introduction of **The Goods and Services Tax(Amendment) Bill,2020** in the Assam Legislative Assembly.

**Hon'ble Speaker:** Minister please.

**Shri C.M. Patowary, Parliamentary Affairs Minister :** মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াৰ হৈ "The Assam Goods and Services Tax(Amendment) Bill,2020"বিধেয়কখন সদনত উত্থাপন কৰি লো।

**Hon'ble Speaker:** এতিয়া প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়িব।

প্ৰধান সচিব ঃ বিধেয়ক খনৰ শিৰোনামা - "The Assam Goods and Services Tax (Amendment) Bill,2020".

**Hon'ble Speaker:** পুনৰ মন্ত্ৰী ডাঙৰীয়াই আকৌ Item No.26 move কৰিব।

**Shri C.M. Patowary, Parliamentary Affairs Minister :** মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াৰ হৈ "The Assam Fiscal Responsibility and Budget Management (Amendment) Bill,2020 বিধেয়কখন সদনত উত্থাপন কৰি বলৈ অনুমতি বিচাৰিছো।

**Hon'ble Speaker:** বিধেয়কখন সদনত উত্থাপন কৰিবলৈ সদনৰ সন্মতি আছে ? সদনে অনুমতি দিয়া হৈছে।। এতিয়া ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উত্থাপন কৰিবলৈ এটা বাণী পঠিয়াইছে। মই পঢ়ি দিছো -Under the provision of Article 207 sub-clause (1) of the Constitution of India, I, Prof. Jagadish Mukhi, Governor of Assam, recommend the introduction of **The Assam Fiscal**

**Responsibility and Budget Management(Amendment) Bill,2020** in the Assam Legislative Assembly.

Minister please.

**Shri C.M. Patowary, Parliamentary Affairs Minister :** माननीय अध्यक्ष महोदय, मइ असमৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াৰ হৈ "The Assam Fiscal Responsibility and Budget Management (Amendment) Bill,2020 বিধেয়কখন সদনত উত্থাপন কৰিলো।

**Hon'ble Speaker:** এতিয়া প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়িব।

**প্ৰধান সচিব ঃ** বিধেয়ক খনৰ শিৰোনামা - "**The Assam Fiscal Responsibility and Budget Management(Amendment) Bill,2020".**

**Hon'ble Speaker:** Next item No.27 Minister please.

**Shri C.M. Patowary, Parliamentary Affairs Minister :** মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াৰ হৈ "**The Assam College Employees (Provincialisation) (Amendment) Bill,2020** বিধেয়কখন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিলো।

**Hon'ble Speaker:** সদনৰ সন্মতি আছে ?

(সদনে সন্মতি দিয়ে )

এতিয়া ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উত্থাপন কৰিবলৈ ৰাজ্যপাল মহোদয়ে এটা বাণী পঠিয়াইছে। মই পঢ়ি দিছো -

Under the provision of Article 207 sub-clause (1) of the Constitution of India, I, Prof. Jagadish Mukhi, Governor of Assam, recommend the introduction of **The Assam College Employees (Provincialisation) (Amendment) Bill,2020** in the Assam Legislative Assembly. মই মন্ত্ৰী ডাঙৰীয়াক সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**Shri C.M. Patowary, Parliamentary Affairs Minister :** মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াৰ হৈ "**The Assam College Employees (Provincialisation) (Amendment) Bill,2020** বিধেয়কখন সদনত উত্থাপন কৰিলো।

**Hon'ble Speaker:** এতিয়া প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়িব।

**প্ৰধান সচিব ঃ** বিধেয়ক খনৰ শিৰোনামা - "**The Assam College Employees (Provincialisation) (Amendment) Bill, 2020** .

**Hon'ble Speaker:** Next Item No.28. Minister please.

**Shri C.M. Patowary, Parliamentary Affairs Minister :** মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াৰ হৈ "**The Birangana Sati Sadhani Rajyik Vishwavidyalaya Bill, 2020** বিধেয়কখন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিলো।

**Hon'ble Speaker:** বিধেয়ক খন উত্থাপন কৰিবলৈ সদনৰ সন্মতি আছে ?

(সদনে সন্মতি দিয়ে) ।

এতিয়া ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উত্থাপন কৰিবলৈ ৰাজ্যপাল মহোদয়ে এটা বাণী পঠিয়াইছে। মই পঢ়ি দিছো -Under the provision of Article 207 sub-clause (1) of the Constitution of India, I, Prof. Jagadish Mukhi, Governor of Assam, recommend the introduction of " the Birangana Sati Sadhani Rajyik Vishwavidyalaya Bill,2020" in the Assam Legislative Assembly.

Minister please.

**Shri C.M. Patowary, Parliamentary Affairs Minister :** माननीय অধ্যক্ষ মহোদয়, মই অসমৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াৰ হৈ "**The Birangana Sati Sadhani Rajyik Vishwavidyalaya Bill, 2020** বিধেয়কখন সদনত উত্থাপন কৰি লো।

**Hon'ble Speaker:** এতিয়া প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়িব।

**প্ৰধান সচিব ঃ** বিধেয়ক খনৰ শিৰোনামা - "**The Birangana Sati Sadhani Rajyik Viswavidyalaya Bill, 2020** .

**Hon'ble Speaker:** এতিয়া মন্ত্ৰী ডাঙৰীয়াই নিজৰ বিভাগৰ বিধেয়কখন সদনত উত্থাপন কৰক,

Item No.29.

**Shri C.M. Patowary, Parliamentary Affairs Minister :** মাননীয় অধ্যক্ষ মহোদয়, "**The Assam Inland Water Transport Regulatory Authority (Amendment) Bill, 2020"** বিধেয়কখন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**Hon'ble Speaker:** এতিয়া বিধেয়ক খন উত্থাপন কৰিবলৈ সদনৰ সন্মতি আছে ?

(সদনে সন্মতি দিয়ে)।

এতিয়া মন্ত্ৰী ডাঙৰীয়াক মই বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**Shri C.M. Patowary, Parliamentary Affairs Minister :** মাননীয় অধ্যক্ষ মহোদয়, "**The Assam Inland Water Transport Regulatory Authority (Amendment) Bill, 2020"** বিধেয়কখন সদনত উত্থাপন কৰি লো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিবঃ** বিধেয়কখনৰ শিৰোনামা -"The Assam Inland Water Transport Regulatory Authority (Amendment ) Bill, 2020".

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্যসূচী নং ৩০।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই 'The Assam Micro, Small and Medium Enterprises (Facilitation of Establishment and Operation) Bill, 2020' সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে ?

(সদনে সন্মতি জনায়)।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় উদ্যোগ ও বাণিজ্য মন্ত্ৰীয়ে বিধেয়কখন উত্থাপন কৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Micro, Small and Medium Enterprises (Facilitation of Establishment and Operation) Bill, 2020' সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিবঃ** বিধেয়কখনৰ শিৰোনামা -'The Assam Micro, Small and Medium Enterprises (Facilitation of Establishment and Operation) Bill, 2020'.

**মাননীয় অধ্যক্ষঃ** কাৰ্যসূচী নং ৩১, পুনৰ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই 'The Assam Skill University Bill, 2020' সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে ?

(সদনে সন্মতি জনায়)।

উক্ত বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে মাননীয় ৰাজ্যপাল মহোদয়ে ৩০-০৮-২০২০ তাৰিখে এটা বাণী পঠিয়াইছে । মই বাণীটো পঢ়ি দিছো-

Under the provision of Article 207 (1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of "The Assam Skill University Bill, 2020" in the Assam Legislative Assembly.

এতিয়া মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Skill University Bill, 2020' মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিবঃ** বিধেয়কখনৰ শিৰোনামা -"The Assam Skill University Bill, 2020'.

**শ্ৰী গুৰুজ্যোতি দাস (মঙলদৈ)ঃ** অধ্যক্ষ মহোদয়, মংগলদৈত Skill University স্থাপন কৰাৰ বাবে যি সিদ্ধান্ত গ্ৰহণ কৰিছে তাৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়, মাননীয় উদ্যোগ মন্ত্ৰী শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, বিত্ত মন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াকে আদি কৰি সকলোকে ধন্যবাদ জ্ঞাপন কৰিছো। ই ভাৰতবৰ্ষৰ ভিতৰত প্ৰথমখন Skill University. মংগলদৈত আগতে একো অনুষ্ঠানেই নাছিল।

**মাননীয় অধ্যক্ষঃ** আজিৰ পৰা দুবছৰ আগতে Skill সম্পৰ্কত প্ৰদীপ হাজৰিকা ডাঙৰীয়াই এটা প্ৰস্তাৱ আনিছিল লগতে কেইবাজনো সদস্যই সেই আলোচনাত ভাগ লৈছিল। মই proceedings পঢ়ি থাকোতে পালো, মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰটো বাকী discussion তকৈ অলপ দীঘল। কিন্তু, আপোনাৰ উত্তৰটো বহুত ধুনীয়া আছিল। তেতিয়া এনেকুৱা কথা এটা ওলাইছিল। ২০১৭ চনৰ পৰা, ধৰি লওঁক তেতিয়া আৰম্ভণি আছিল, এতিয়া হোৱাৰ কাৰণে ভাল হৈছে।

**শ্ৰী গুৰুজ্যোতি দাস (মঙলদৈ)ঃ** অধ্যক্ষ মহোদয়, এইখন এছিয়াৰ ভিতৰত দ্বিতীয়খন Skill University। আমি এতিয়া সম্পদ আহৰণ কৰিব পাৰিম।

**মাননীয় অধ্যক্ষঃ** Item No. 32, Minister of Agriculture.

**শ্ৰী অতুল বৰা (কৃষি বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই 'The Assam Agricultural Produce and Livestock Marketing ( Promotion and Facilitation) Bill, 2020' সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে ?

(সদনে সন্মতি জনায়)।

উক্ত বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে মাননীয় ৰাজ্যপাল মহোদয়ে ২৬-০৮-২০২০ তাৰিখে এটা বাণী পঠিয়াইছে । মই বাণীটো পঢ়ি দিছো-

Under the provision of Article 207 (1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of 'The Assam Agricultural Produce and Livestock Marketing (Promotion and Facilitation) Bill, 2020' in the Assam Legislative Assembly.

এতিয়া মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী অতুল বৰা (কৃষি বিভাগৰ মন্ত্ৰী)ঃ** 'The Assam Agricultural Produce and Livestock Marketing ( Promotion and Facilitation) Bill, 2020' সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিবঃ** বিধেয়কখনৰ শিৰোনামা -'The Assam Agricultural Produce and Livestock Marketing ( Promotion and Facilitation) Bill, 2020'.

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰীয়ে -'The Assam Heritage (Tangible) Protection, Preservation, Conservation and Maintenance Bill, 2020' সদনত উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী কেশৱ মহন্ত (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই 'The Assam Heritage (Tangible) Protection, Preservation, Conservation and Maintenance Bill, 2020'সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, এইখিনিতে মোক অকণমান সুবিধা দিলে এক মিনিটৰ ভিতৰত কথা এটা ক'ব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ**কওঁক।

**শ্ৰী কেশৱ মহন্ত (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিধেয়কখন অনাৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই অশেষ ধন্যবাদ দিব লাগিব। অসম চুক্তিৰ ৬ নং দফা মতে এই বিধেয়কখন হ'ব লাগে আৰু এই বিধেয়কখনত এই বিষয়টো সন্নিবিষ্ট কৰা হৈছে যে- Assam Ancient Monuments and Record Act, 1959 and to develop, restore and promote those heritage to safeguard on the damage and

alignment with the object contained in the Clause VI of Assam Accord, 1985 to ensure Legislative and Administrative safeguard of the heritage to the State of Assam. গতিকে, সদনৰ মাননীয় সকলো বিধায়কক মই আহ্বান জনাইছো যে এই বিধেয়কখন আপোনালোকে খুব সূক্ষ্মভাৱে চাই ইয়াত যদি কিবা সংশোধনী লাগে বা কিবা বিষয় যদি সোমাব লাগে তেন্তে এই ক্ষেত্ৰত আপোনালোকৰ পৰা সহযোগ পাম বুলি আশা ৰাখিছো। ধন্যবাদ।

**শ্ৰী প্ৰশান্ত ফুকন (ডিব্ৰুগড়)ঃ** অধ্যক্ষ মহোদয়, এই যিখন বিধেয়ক আজি আনিছে, এই বিধেয়কখন Clause-VI ৰ লগত জড়িত বিধেয়ক। গতিকে, মই মন্ত্ৰী মহোদয়ৰ লগতে মাননীয় মুখ্য মন্ত্ৰী মহোদয়কো বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছো।

**শ্ৰী গুৰুজ্যোতি দাস (মঙলদৈ)ঃ** অধ্যক্ষ মহোদয়, মইও বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰি বিচাৰিছো। জাতি-মাটি-ভেটি ৰক্ষাৰ কথা যিখন চৰকাৰে কৈ আহিছিল তাক যেন আজি ৰক্ষা কৰিবলৈ গৈছে। সেয়েহে, মই মন্ত্ৰী মহোদয়ৰ লগতে মাননীয় মুখ্য মন্ত্ৰী মহোদয়কো বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছো।

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে ?

(সদনে সন্মতি জনায়)।

**মাননীয় অধ্যক্ষঃ** উক্ত বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে মাননীয় ৰাজ্যপাল মহোদয়ে ২৮-০৮-২০২০ তাৰিখে এটা বাণী পঠিয়াইছে । মই বাণীটো পঢ়ি দিছো-

Under the provision of Article 207 (1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of ' The Assam Heritage (Tangible) Protection, Preservation, Conservation and Maintenance Bill, 2020' in the Assam Legislative Assembly.

**শ্ৰী কেশৱ মহন্ত (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই 'The Assam Heritage (Tangible) Protection, Preservation, Conservation and Maintenance Bill, 2020'সদনত উত্থাপন কৰিছো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিবঃ** বিধেয়কখনৰ শিৰোনামা -'The Assam Heritage (Tangible) Protection, Preservation, Conservation and Maintenance Bill, 2020'

**মাননীয় অধ্যক্ষঃ** Item No. 34, Law Minister.

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, মাননীয় মন্ত্ৰী, আইন ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই 'The Bengal, Agra and Assam Civil Courts (Assam Amendment) Bill, 2020'সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে ?

(সদনে সন্মতি জনায়)।

এতিয়া মাননীয় আইন মন্ত্ৰীক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, মাননীয় মন্ত্ৰী, আইন ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Ben-

gal, Agra and Assam Civil Courts ( Assam Amendment) Bill, 2020'সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিবঃ** বিধেয়ক খনৰ শিৰোনামা -'The Bengal, Agra and Assam Civil Courts ( Assam Amendment) Bill, 2020'

**মাননীয় অধ্যক্ষঃ** Item No. 35, Law Minister.

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, মাননীয় মন্ত্ৰী, আইন ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই 'The National Law University and Judicial Academy ( Assam Amendment) Bill, 2020' সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে?

(সদনে সন্মতি জনায়)।

এতিয়া মাননীয় আইন মন্ত্ৰীক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, মাননীয় মন্ত্ৰী, আইন ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The National Law University and Judicial Academy ( Assam Amendment) Bill, 2020' সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিবঃ** বিধেয়কখনৰ শিৰোনামা -'The National Law University and Judicial Academy ( Assam Amendment) Bill, 2020'.

**মাননীয় অধ্যক্ষঃ** Item No. 36, Minister please.

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, মাননীয় মন্ত্ৰী, আইন ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই 'The Guwahati Metropolitan Development Authority (Amendment) Bill, 2020' সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে?

(সদনে সন্মতি জনায়)।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, মাননীয় মন্ত্ৰী, আইন ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই 'The Guwahati Metropolitan Development Authority (Amendment) Bill, 2020' সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিবঃ** বিধেয়কখনৰ শিৰোনামা -"The Guwahati Metropolitan Development Authority (Amendment) Bill, 2020'.

**মাননীয় অধ্যক্ষঃ** এতিয়া Item No. 37.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় নগৰ উন্নয়ন মন্ত্ৰীৰ হৈ 'The Assam Municipal (Amendment) Bill, 2020' সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে?

(সদনে সন্মতি জনায়)।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই

माननीय নগৰ উন্নয়ন মন্ত্ৰীৰ হৈ 'The Assam Municipal (Amendment) Bill, 2020' সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিবঃ** বিধেয়কখনৰ শিৰোনামা -'The Assam Municipal (Amendment) Bill, 2020'.

**মাননীয় অধ্যক্ষঃ** আমাৰ additional item এটা আছে যিটো যোৱাকালি কিবা কাৰণত drop হৈছিল, আপোনালোক সকলোৰে Addendum খন পাইছে চাগে। তাত Item No. 37 (A) বুলি mark কৰা হৈছে। এই বিধেয়কখন Guwahati Metropolitan Development Minister য়ে উত্থাপন কৰিব।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, মাননীয় মন্ত্ৰী, আইন ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই 'The Assam State Capital Region Development Authority (Amendment) Bill, 2020' সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে ?

(সদনে সন্মতি জনায়)।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, মাননীয় মন্ত্ৰী, আইন ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই 'The Assam State Capital Region Development Authority (Amendment) Bill, 2020' সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিবঃ** বিধেয়কখনৰ শিৰোনামা -'The Assam State Capital Region Development Authority (Amendment) Bill, 2020'.

**মাননীয় অধ্যক্ষঃ** আমি এতিয়া শেষ কাৰ্যসূচীলৈ আহিছো।

**শ্ৰী গুৰুজ্যোতি দাস (মংগলদৈ)ঃ** অধ্যক্ষ মহোদয়, বৰ্তমান সময়ত পৃথিৱীত মহামাৰী ৰূপে দেখা দিয়া ক'ভিড-১৯ ৰ সময়ছোৱাত আমাৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল মহোদয়ৰ নেতৃত্বাধীন চৰকাৰখনে ইমান ধুনীয়া আৰু পৰিপাটীকৈ নিয়ন্ত্ৰণ কৰিছে, লগতে, আমাৰ মাননীয় স্বাস্থ্য মন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু পীযুষ হাজৰিকা ডাঙৰীয়াই ইয়াক সুচাৰুৰূপে পৰিচালিত কৰি আহিছে। আজি বিৰোধীয়ে যি প্ৰস্তাৱ আনিছিল সেই প্ৰস্তাৱ আপুনি গ্ৰহণ নকৰাৰ বাবে তেওঁলোকে সদন ত্যাগ কৰিছিল। এনে কাৰ্যত আমি লজ্জিত। সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে এই বিষয়টো আলোচনা কৰা হ'ব বুলি কোৱাৰ স্বত্তেও তেওঁলোকে বিৰোধিতা কৰি সদন ত্যাগ কৰা কাৰ্য্যই যেন বেয়া message পঠাইছে মোৰ এনে এক অনুভৱ হৈছে। ইয়াৰ বাবে মই দুখ প্ৰকাশ কৰিছো। মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল মহোদয়ৰ নেতৃত্বাধীন চৰকাৰখন দেশৰ ভিতৰত এখন অন্যতম চৰকাৰ যিয়ে চিকিৎসা ক্ষেত্ৰত ইতিমধ্যে বিভিন্ন ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ বাবে মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী তথা স্বাস্থ্য মন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু পীযুষ হাজৰিকা ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো।

**মাননীয় অধ্যক্ষঃ** এতিয়া Item No. 38-মৃত্যু প্ৰসংগ।

চতুৰ্দশ অসম বিধান সভাৰ দ্বাদশ অধিৱেশন সমাপ্তিৰ পৰা আজি তাৰিখ পৰ্যন্ত ত্ৰয়োদশ তথা শৰৎকালীন অধিৱেশন অনুষ্ঠিত হোৱালৈকে এই কালছোৱাৰ ভিতৰত ৰাজ্য তথা দেশৰ বিভিন্ন ক্ষেত্ৰলৈ বিশেষ বৰঙণি আগবঢ়োৱা ভালে কেইগৰাকী বৰেণ্য ব্যক্তিৰ পৰলোকপ্ৰাপ্তি ঘটে । অতি

দুখ আৰু ব্যথিত হৃদয়েৰে আজি অসম বিধান সভাৰ পৱিত্ৰ মজিয়াত এই বৰেণ্য ব্যক্তিসকলৰ বিয়োগত শোক প্ৰকাশ কৰিবলৈ লোৱা হৈছে।

**১)দেৱানন্দ কোঁৱৰ**

প্ৰবীণ ৰাজনীতিবিদ, প্ৰাক্তন ৰাজ্যপাল তথা প্ৰাক্তন মন্ত্ৰী দেৱানন্দ কোঁৱৰ ডাঙৰীয়াই ১৯৮৩ চনত প্ৰথম বাৰৰ শিৱসাগৰ বিধান সভা সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ নিৰ্বাচিত হয়। তেখেতে পাছত ১৯৯১ চনৰ পৰা ২০০৬ চনলৈ একেৰাহে তিনিটা কাৰ্যকালৰ বাবে থাওঁৰা বিধান সভা সমষ্টিৰ পৰা নিৰ্বাচিত হয় । ১৯৯১ চনত অসম চৰকাৰৰ মন্ত্ৰী সভাত থকাৰ উপৰিও ২০০১ চনত বিত্ত আৰু শক্তি বিভাগৰ কেবিনেট মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল । ২০০৯ চনৰ পৰা ২০১৩ চনলৈ বিহাৰৰ ৰাজ্যপাল আৰু ২০১৩ চনৰ পৰা ২০১৪ চনলৈ ত্ৰিপুৰাৰ ৰাজ্যপালৰ আসন অলংকৃত কৰিছিল ।

**২) সুৰেন স্বৰ্গীয়াৰী**

প্ৰাক্তন বিধায়ক তথা বিশিষ্ট সমাজকৰ্মী সুৰেন স্বৰ্গীয়াৰী ডাঙৰীয়াই অসম গণ পৰিষদ দলৰ প্ৰাৰ্থীৰূপে ১৯৮৫ আৰু ১৯৯১ চনত দুবাৰকৈ চাপাগুৰি বিধান সভা সমষ্টিৰ পৰা অসম বিধান সভালৈ নিৰ্বাচিত হৈ সমষ্টিৰ উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা আগবঢ়োৱাৰ লগতে এগৰাকী দক্ষ বিধায়কৰূপেও ৰাজ্যখনলৈ উল্লেখনীয় বৰঙণি আগবঢ়াই থৈ গৈছে ।

**৩) পদ্মনাথ কৈৰী**

প্ৰাক্তন বিধায়ক, বিশিষ্ট সমাজকৰ্মী তথা চলচিত্ৰ প্ৰযোজক - পৰিচালক, সু-অভিনেতা পদ্মনাথ কৈৰী ডাঙৰীয়াই ১৯৮৫ চনত বিশ্বনাথ বিধান সভা সমষ্টিৰ পৰা নিৰ্দলীয় প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ নিৰ্বাচিত হৈ এগৰাকী দক্ষ বিধায়ক হিচাপে ৰাজ্যখনলৈ উল্লেখনীয় সেৱাৰ বৰঙণি আগবঢ়াই থৈ গৈছে । তেখেতে এগৰাকী সাংস্কৃতিক কৰ্মীৰূপেও বুধু অৰ্জুন, মা, ৰতনলালকে ধৰি কেইবাখনো জনপ্ৰিয় বোলছবি আৰু শিৰীষ, মায়াকে ধৰি বহুকেইখন ধাৰাবাহিকো প্ৰযোজনা - পৰিচালনা কৰাৰ লগতে বলিষ্ঠ অভিনয়েৰে ৰাজ্যখনৰ সাংস্কৃতিক ক্ষেত্ৰখনতো উল্লেখনীয় অৰিহণা আগবঢ়াই থৈ গৈছে ।

**৪) বৰকট উল্লাহ**

হাজো সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা বিশিষ্ট সমাজকৰ্মী বৰকট উল্লাহ ডাঙৰীয়াই ১৯৮৩ চনত হাজো বিধান সভা সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ নিৰ্বাচিত হৈ এগৰাকী দক্ষ বিধায়কৰূপে ৰাজ্যখনৰ উন্নয়নৰ হকে একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে সেৱা আগবঢ়াইছিল ।

**৫) অজিত প্ৰমোদ কুমাৰ যোগী**

ছত্তীশগড়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, সাংসদ তথা বিধায়ক অজিত প্ৰমোদ কুমাৰ যোগী ডাঙৰীয়াই ২০০০ চনৰ পৰা ২০০৩ চনলৈ ছত্তীশগড়ৰ প্ৰথম মুখ্যমন্ত্ৰীৰূপে সেৱা আগবঢ়াইছিল । তেখেতে ১৯৮৬ চন আৰু ১৯৯৮ চনত ৰাজ্যসভাৰ সাংসদ হিচাপে আৰু ১৯৯৮ চন আৰু ২০০৪ চনত কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰূপে দুবাৰকৈ লোকসভালৈ নিৰ্বাচিত হৈছিল । যোগী ডাঙৰীয়াই এজন দক্ষ সাংসদ হিচাপে সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছিল ।

**৬) পদ্মশ্ৰী হেম ভৰালী**

বিশিষ্ট গান্ধীবাদী নেত্ৰী, মুক্তি যুঁজাৰু তথা নিষ্ঠাবান সমাজকৰ্মী হেম ভৰালী ডাঙৰীয়ানীয়ে এগৰাকী সমাজ সেৱিকা, মুক্তি যুঁজাৰু আৰু গান্ধীবাদী নেত্ৰী হিচাপে দেশ তথা ৰাজ্যখনলৈ বিশেষ

অৰিহণা আগবঢ়াই থৈ গৈছে । তেখেতে সদায় মানুহৰ হিত আৰু উন্নয়নৰ হকে চিন্তা কৰাৰ লগতে মহিলা সবলীকৰণ আৰু দৰিদ্ৰ - পিছপৰা শ্ৰেণীৰ উন্নয়নৰ বাবে আজীৱন কাম কৰি গৈছিল ।

**৭) ভবেন বৰা**

বিশিষ্ট মুক্তিযুঁজাৰু ভবেন বৰা ডাঙৰীয়াই ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে যোগদান কৰি দেশ মাতৃলৈ বিশেষ সেৱাৰ বৰঙণি আগবঢ়াই থৈ গৈছে । তেখেতে আজীৱন বিভিন্ন সামাজিক অনুষ্ঠান - প্ৰতিষ্ঠানৰ লগত জড়িত থাকি নিষ্ঠা আৰু ঐকান্তিকতাৰে সেৱা আগবঢ়োৱাৰ লগতে বহু গুৰু দায়িত্ব বহন কৰিছিল ।

**৮) নাৰায়ণ চন্দ্ৰ গোস্বামী**

বিশিষ্ট বৈষ্ণৱ পণ্ডিত, সত্ৰীয়া সংস্কৃতিৰ সাধক তথা শ্ৰীশ্ৰীনতুন কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামী ডাঙৰীয়াই জীৱন কালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে ৰাজ্যখনৰ সমাজ জীৱনলৈ আধ্যাত্মিক, সাংস্কৃতিক তথা বৌদ্ধিক দিশত অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে । তেখেতে সত্ৰীয়া সাংস্কৃতিক বিশ্ব পৰ্যায়ত তুলি ধৰাৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল । গোস্বামী ডাঙৰীয়াই ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অতিথি অধ্যাপক হিচাপে শৈক্ষিক দিশত সেৱা আগবঢ়াই গৈছে ।

**৯) নৰজিৎ দাস পাঠক**

বৰপেটা সত্ৰৰ ডেকা সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট শিল্পী নৰজিৎ দাস পাঠক ডাঙৰীয়াই ৰাজ্যখনৰ সাংস্কৃতিক আৰু আধ্যাত্মিক দিশত অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে । পাঠক ডাঙৰীয়াই ২০০৯ চনত বৰপেটা সত্ৰৰ ডেকা সত্ৰাধিকাৰ পদত অধিষ্ঠিত হৈ সত্ৰ পৰিচালনাৰ ক্ষেত্ৰটো অনবদ্য ভূমিকা গ্ৰহণ কৰিছিল ।

**১০) পদ্মশ্ৰী ড° শীলা বৰঠাকুৰ**

বিশিষ্ট শিক্ষাবিদ, লেখিকা, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰতিষ্ঠাপক সভানেত্ৰী পদ্মশ্ৰী ড০ শীলা বৰঠাকুৰ ডাঙৰীয়ানীয়ে ৰাজ্যখনৰ সাহিত্য ও বিদ্যায়তনিক দিশত উল্লেখনীয় অৰিহণা আগবঢ়াই থৈ গৈছে । তেখেতে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰতিষ্ঠাপক সভানেত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ লগতে 'দৃষ্টি আৰু দৃষ্টান্ত'কে ধৰি বহুকেইখন উল্লেখযোগ্য গ্ৰন্থ প্ৰণয়ন আৰু সম্পাদনা কৰি অসমীয়া সাহিত্যৰ ভড়াল চহকী কৰি থৈ গৈছে ।

**১১) ড০ অমৰেশ দত্ত**

ইংৰাজী ভাষা সাহিত্যৰ বিদগ্ধ পণ্ডিত, বিশিষ্ট শিক্ষাবিদ তথা প্ৰসিদ্ধ সাহিত্যিক প্ৰফেছৰ এমেৰিটাছ ড° অমৰেশ দত্ত ডাঙৰীয়াই দেশ তথা ৰাজ্যখনৰ শৈক্ষিক, বৌদ্ধিক জগতলৈ অনবদ্য অৱদান আগবঢ়াই থৈ যোৱাৰ লগতে আন্তঃৰাষ্ট্ৰীয় শৈক্ষিক ক্ষেত্ৰখনলৈও অমূল্য বৰঙণি আগবঢ়াই থৈ গৈছে । দত্ত ডাঙৰীয়াৰ কাব্যিক প্ৰতিভাই বিশ্ব পৰ্যায়ত সুনাম কঢ়িয়াই আনিছিল আৰু কেইবাটাও দেশী-বিদেশী ভাষালৈ তেখেতৰ কবিতা সমূহ অনুবাদ হৈছিল ।

**১২) গকুল পাঠক**

বিশিষ্ট লোক সংস্কৃতিৰ সাধক, সাহিত্যিক তথা সাংবাদিক গকুল পাঠক ডাঙৰীয়া লোক সংস্কৃতিৰ সাধক হোৱাৰ উপৰিও এগৰাকী সাংবাদিক আৰু সাহিত্যিক হিচাপেও ৰাজ্যখনৰ সংবাদ জগতত উল্লেখেনীয় বৰঙনী আগবঢ়োৱাৰ লগতে 'বৰপেটা সত্ৰৰ ইতিহাস', ধৰ্মৰ শ্ৰেষ্ঠ কৃষ্ণ ভকতিকে ধৰি বহুকেইখন গ্ৰন্থ-উপন্যাস, গল্প, কবিতা, ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে।

**১৩) ইন্দ্রেশ্বৰ শৰ্মা**

যশস্বী সংগীতজ্ঞ, সুৰকাৰ সংগীত পৰিচালক তথা যোৰহাট সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ ইন্দ্রেশ্বৰ শৰ্মা ডাঙৰীয়াই জীৱন কালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সংগীত জগতলৈ বিশেষ অৰিহণা আগবঢ়াই থৈ গৈছে। তেখেত এগৰাকী সংগীতজ্ঞ হিচাপে শাস্ত্রীয় সংগীত আৰু থলুৱা সংগীতক বিশেষ মাত্রা প্রদান কৰিছিল। তেখেতে অসমৰ চলচিত্র জগতৰ সৈতেও নিবিড়ভাৱে জড়িত থাকি ৰাষ্ট্রীয় পৰ্য্যায়ত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল।

**১৪) অৰ্চনা মহন্ত**

অসমীয়া সংগীত জগতৰ সুকণ্ঠী গায়িকা, অভিনেত্রী অৰ্চনা মহন্ত ডাঙৰীয়ানীয়ে শৈশৱৰ পৰাই সংগীত জগতত আত্ম প্রকাশ কৰি চাৰি দশকৰো অধিক কাল অমিয়া কণ্ঠৰে শ্রোতা জনতাক মন্ত্র মুগ্ধ কৰাৰ লগতে লোকগীতৰ ভেটি সুদৃঢ় কৰাৰ ক্ষেত্রতো বিশেষ অবদান আগবঢ়াই থৈ গৈছে। তেখেতে আকাশ বাণীৰ নিয়মীয়া শিল্পী হিচাপে প্রতিষ্ঠা লাভ কৰিছিল। মহন্ত ডাঙৰীয়ানীয়ে ললিতাকে ধৰি বহুকেইখন অসমীয়া বোলছবিতো কণ্ঠদান কৰিছিল।

**১৫) পণ্ডিত যশৰাজ**

বিশ্ব বৰেণ্য শাস্ত্রীয় সংগীতজ্ঞ, পণ্ডিত যশৰাজ ডাঙৰীয়াই ছাত্র অৱস্থাৰ পৰাই সংগীত জগতত এগৰাকী শাস্ত্রীয় কণ্ঠশিল্পী ৰূপে আত্মপ্রকাশ কৰি পৰৱৰ্তী সময়ত সমগ্র বিশ্বতে প্রখ্যাত সংগীতজ্ঞ হিচাপে পৰিচিত হৈছিল। তেখেতে শাস্ত্রীয় সংগীত পৰিৱেশনৰ সমান্তৰালভাৱে শাস্ত্রীয় সংগীতৰ শিক্ষাদানৰ কামতো জড়িত হৈ ভাৰতৰ উপৰিও বিদেশৰো বিভিন্ন স্থানত শিক্ষানুষ্ঠান প্রতিষ্ঠা কৰাৰ লগতে সংগীত চৰ্চা, প্রসাৰ আৰু প্রচাৰৰ বাবে আজীৱন অহোপুৰুষাৰ্থ কৰিছিল।

**১৬) কুমুদ প্রসাদ শৰ্মা**

বিশিষ্ট সমাজ সংগঠক তথা প্রসিদ্ধ সাংস্কৃতিক কৰ্মী আৰু অসম আন্দোলনৰ নিষ্ঠাৱান কৰ্মী আঞ্চলিক ৰাজনীতিৰ প্রবক্তা কুমুদ প্রসাদ শৰ্মা ডাঙৰীয়াই এগৰাকী নিষ্ঠাৱান সমাজ সংগঠক ৰূপে ৰাজ্যখনৰ সমাজ জীৱনত অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে। তদুপৰি তেখেতে ছাত্রৱস্থাৰ পৰাই নাট্য জগতক সক্রিয়ভাৱে জড়িত হৈ পৰৱৰ্তী সময়ত 'অসম ষ্টাৰ' নামেৰে থিয়েটাৰ প্রতিষ্ঠা কৰি ৰাজ্যখনৰ সাংস্কৃতিক জগততো যথেষ্ট অৰিহণা আগবঢ়াই থৈ গৈছে।

**১৭) জীৱেশ্বৰ ডেকা**

ভ্রাম্যমান জগতৰ মহীৰুহ তথা বিশিষ্ট অভিনেতা জীৱেশ্বৰ ডেকা ডাঙৰীয়াই ৰাজ্যখনৰ সামাজিক-সাংস্কৃতিক ক্ষেত্ৰখনক অনবদ্য অবদান আগবঢ়াই থৈ গৈছে। তেখেতে 'নটৰাজ' থিয়েটাৰকে ধৰি ৰাজ্যখনৰ আগশাৰীৰ বহুকেইখন থিয়েটাৰত চাৰি দশকৰো অধিক কাল অভিনয় কৰি দৰ্শক জনতাৰ বিপুল সমাদৰ লাভ কৰাৰ লগতে যথেষ্ট খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। ডেকা ডাঙৰীয়াই নাট্য জগতলৈ আগবঢ়োৱা জীৱন যোৱা সাধনাৰ বাবে 'মুনলাইট মিডিয়া বঁটা', 'নটসূৰ্য ফণী শৰ্মা' বঁটা আদিকে কৰি বিভিন্ন অনুষ্ঠান-প্রতিষ্ঠানৰ বহু বঁটা আৰু সন্মানেৰে বিভূষিত হৈছিল।

**১৮) মন্মথ বৈশ্য**

লোক সংগীতৰ বিশিষ্ট শিল্পী, গীতিকাৰ, সুৰকাৰ, সংগীত পৰিচালক তথা লেখক মন্মথ বৈশ্য ডাঙৰীয়াই বহুতো চিৰযুগমীয়া গীত সৃষ্টিৰ জৰিয়তে ৰাজ্যখনৰ সংস্কৃতিৰ ক্ষেত্ৰখনক

চহকী কৰি থৈ গৈছে। তেখেতে 'দৈনিক অসম' কে ধৰি কেইবাখনো বাতৰি কাকত আলোচনী বিভিন্ন তত্ত্ব গধুৰ লিখনিৰ লগতে 'ঋণমুক্তি' কে ধৰি কেইবাখনো মূল্যবান ৰচনাৰে অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনলৈ উল্লেখেনীয় অবদান আগবঢ়াই থৈ গৈছে।

**১৯) ইকবাল আহমেদ**

বিশিষ্ট অধিবক্তা তথা সমাজকৰ্মী ইকবাল আহমেদ ডাঙৰীয়াই প্ৰায় পোন্ধৰ বছৰ কাল যোৰহাট জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতত লোক অধিবক্তাৰূপে অতিশয় নিষ্ঠা আৰু সততাৰে সেৱা আগবঢ়াইছিল। তদুপৰি তেখেতে এগৰাকী নিষ্ঠাৱান সমাজ কৰ্মী হিচাপেও উজনি অসম হজযাত্ৰীৰ তদাৰক সমিতিৰ সভাপতিকে ধৰি যোৰহাটৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থাকি সামজিক উত্তৰণৰ দিশত উল্লেখনীয় অৱদান আগবঢ়াই থৈ গৈছে।

**২০) গুণ বৰুৱা**

প্ৰবীণ সাংবাদিক, লেখক তথা বিশিষ্ট সমাজ কৰ্মী গুণ বৰুৱা ডাঙীয়াই ৰাজ্যখনৰ হৈ সংবাদ সেৱা আগবঢ়োৱাৰ সমান্তৰালকৈ বিদ্যায়তনিক দিশলৈও বিশেষ অৰিহণা আগবঢ়াই থৈ গৈছে। বৰুৱা ডাঙৰীয়াই ১৯৭৩ চনৰ পৰা ১৯৭৫ আৰু ১৯৯৭ চনৰ পৰা ২০০১ চনলৈ শিৱসাগৰ জিলা সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল।

**২১) মোজাহিদুল হক**

জ্যেষ্ঠ সাংবাদিক তথা 'অসমীয়া খবৰ' বাতৰি কাকতৰ প্ৰাক্তন কাৰ্য্যবাহী সম্পাদক মোজাহিদুল হক ডাঙৰীয়াই 'সান্ধ্য বাতৰি' আৰু 'নতুন দৈনিক' বাতৰি কাকতৰ জৰিয়তে সংবাদ জগতত আত্ম প্ৰকাশ কৰি পৰৱৰ্তী সময়ত 'দৈনিক অগ্ৰদূত' , 'দৈনিক গণ অধিকাৰ' কে ধৰি কেইবাখনো জনপ্ৰিয় বাতৰি কাকতত সংবাদ সেৱা আগবঢ়োৱাৰ লগতে 'অসমীয়া খবৰ' কাকতৰ কাৰ্য্যবাহী সম্পাদক হিচাপে অসমীয়া সংবাদ জগতলৈ উল্লেখনীয় অবদান আগবঢ়াইছিল।

**২২) পদ্মেশ্বৰ চিত্ৰকৰ**

জ্যেষ্ঠ সাংবাদিক তথা বিশিষ্ট সমাজকৰ্মী পদ্মেশ্বৰ চিত্ৰকৰ ডাঙৰীয়াই 'আমাৰ প্ৰগতি ' নামৰ সাপ্তাহিক কাকতৰ যোগেদি সংবাদ জগতত আত্মপ্ৰকাশ কৰি পৰৱৰ্তী সময়ত 'জাগৃতি', 'গণ অধিকাৰ', 'কৃষক বন্ধু', 'দৈনন্দিন বাৰ্তা', কে ধৰি ৰাজ্যখনৰ বহুকেইখন আগশাৰীৰ বাতৰিকাকতত জড়িত হৈ নিষ্ঠাৰে সংবাদ সেৱা আগবঢ়োৱাৰ লগতে মৃত্যুৰ আগমহূৰ্তলৈকে 'নিউজ টাইম অসম'ত জ্যেষ্ঠ সাংবাদিকৰূপে নিষ্ঠাৰে কাৰ্য্যনিৰ্বাহ কৰিছিল।

**২৩) ধৰণীধৰ ওৱাৰী**

বিশিষ্ট সাহিত্যিক তথা নিষ্ঠাৱান সমাজকৰ্মী ধৰণীধৰ ওৱাৰী ডাঙৰীয়াই ৰাজ্যখনৰ সামাজিক আৰু সাহিত্য জগতলৈ উল্লেখনীয় সেৱাৰ বৰঙণি আগবঢ়াই থৈ যোৱাৰ লগতে বড়ো ভাষা-সাহিত্যৰ বিকাশৰ ক্ষেত্ৰতো অনবদ্য অবদান আগবঢ়াই থৈ গৈছে। তদুপৰি তেখেতে বড়ো ভাষাৰ লগতে অসমীয়া, ইংৰাজী আদি ভাষাতো সাহিত্য ৰচনা কৰিছিল। ওৱাৰী ডাঙৰীয়া একেধাৰে কবি, গল্পকাৰ, উপন্যাসিক, নিবন্ধকাৰ আৰু সমালোচক আছিল।

**২৪) অশ্বিনী চেতিয়া**

বিশিষ্ট সমাজকৰ্মী, আটাছুৰ প্ৰাক্তন সভাপতি তথা ৰাজ্যিক বি জে পিৰ কাৰ্য্যনিৰ্বাহক সদস্য অশ্বিনী চেতিয়া ডাঙৰীয়াই ছাত্ৰাৱস্থাৰ পৰাই সমাজ সেৱাত ব্ৰতী হৈ ৰাজ্যখনৰ সমাজ জীৱনত

বিশেষ অৰিহণা আগবঢ়াই থৈ গৈছে। ২০০১ চনৰ পৰা ২০০৩ চনলৈ আটাছুৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক আৰু ২০০৪ চনৰ পৰা ২০১০ চনলৈ সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ সভাপতিৰ আসন অলংকৃত কৰাৰ উপৰিও পৰৱৰ্তী সময়ত মুখ্য উপদেষ্টা ৰূপেও সেৱা আগবঢ়াইছিল। তেখেতে এগৰাকী দক্ষ যুৱনেতা হিচাপেও ৰাজ্যখনৰ যুৱ-প্ৰজন্মক আগুৱাই নিয়াৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল।

**माननीয় অধ্যক্ষ ঃ** ইয়াৰ উপৰিও যদি কোনো সদস্যৰ জ্ঞাত থাকে তেতিয়াহ'লে তেখেতসকলে মৃত ব্যক্তিৰ নামবোৰ লিখিতভাৱে দিব পাৰিব।

পৰিশেষত আজি সদনে সমগ্ৰ বিশ্বৰ লগতে ভাৰতত কৰ'ণা ভাইৰাছ (ক'ভিড-১৯), বান পানী, গড়াখহনীয়া, ধুমুহা তথা ভূমিস্খলনত মৃত্যু বৰণ কৰা ব্যক্তি সকলৰ প্ৰতি সদনে গভীৰ শোক প্ৰকাশ কৰি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে আৰু চিকিৎসাধীন হৈ থকা ব্যক্তি সকলৰ বাবে সদনে আশু আৰোগ্য কামনা কৰে।

এতিয়া প্ৰয়াত সকলৰ পৱিত্ৰ স্মৃতিত আৰু তেখেত সকলৰ বিদেহ আত্মাৰ সদগতি আৰু আৰু চিৰশান্তি কামনা কৰি এক মিনিট কাল থিয় হৈ মৌনতা অৱলম্বন কৰিবৰ বাবে এই সদনৰ মাননীয় সদস্য-সদস্যা সকলৰ প্ৰতি মই অনুৰোধ জনালো।

এতিয়া কাইলৈ ইংৰাজী ০১-০৯-২০২০ তাৰিখৰ ৰাতিপুৱা ৯-৩০ বজালৈ সদন স্থগিত ৰখা হ'ল।